# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী

**তাৰিখ ঃ ০৩/০৯/২০২০ বৃহস্পতিবাৰ**

---

**আজি ইংৰাজী ০৩-০৯-২০২০ তাৰিখে ৰাতিপুৱা ০৯ঃ৩০ বজাৰ পৰা অসম বিধান সভাৰ শৰৎকালীন অধিবেশন পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচীমতে অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং— ১ ঃ

'The factories (Assam Amendment) Bill, 2020'

মই মন্ত্ৰী ডাঙৰীয়াক সদনত এই বিলখনৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী সঞ্জয় কিষাণ (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The factories (Assam Amendment) Bill, 2020' দফাই দফাই বিবেচনাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। প্ৰস্তাৱটো হৈছে -

'The factories (Assam Amendment) Bill, 2020' be taken into consideration.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে বুলি মই ঘোষণা কৰিছো। এতিয়া বিধেয়কখনৰ ২, ৩ আৰু ৪ নং দফা তিনিটাত সংশোধনীৰ প্ৰস্তাৱ নাই। মই দফা তিনিটা সদনত উত্থাপন কৰিছো। প্ৰশ্নটো হৈছে, ২, ৩ আৰু ৪ নং দফা কেইটা বিধেয়কৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে ২, ৩ আৰু ৪ নং দফা কেইটা বিধেয়কৰ অংশ হৈছে বুলি মই ঘোষণা কৰিছো। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত উত্থাপন কৰিলো।

বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া মাননীয় মন্ত্ৰীক মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী সঞ্জয় কিষাণ (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The factories (Assam Amendment) Bill, 2020' পাৰিত কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে -

'The factories (Assam Amendment) Bill, 2020' be passed.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাৰো ‘হয়’ সপক্ষে ‘হয়’ সপক্ষে ‘হয়’ সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়ক খনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিছো।

**এতিয়া কাৰ্য্যসূচী নং— ২ ঃ**

'The factories (Assam Second Amendment) Bill, 2020'

মই মন্ত্ৰী ডাঙৰীয়াক সদনত এই বিলখন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী সঞ্জয় কিষাণ (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The factories (Assam Second Amendment) Bill, 2020' দফাই দফাই বিবেচনাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। প্ৰস্তাৱটো হৈছে -

'The factories (Assam Second Amendment) Bill, 2020' be taken into consideration.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাৰো ‘হয়’ সপক্ষে, ‘হয়’ সপক্ষে, ‘হয়’ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে বুলি মই ঘোষণা কৰিছো। এতিয়া বিধেয়কখনৰ ২ আৰু ৩ নং দফা দুটাত সংশোধনীৰ প্ৰস্তাৱ নাই। সেয়ে ২আৰু ৩ নং দফা দুটা বিধেয়কৰ অংশ হ’ব। যিসকল সন্মানীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক ‘হয়’ যিসকল বিপক্ষে আছে কওঁক ‘নহয়’ মই ভাৰো ‘হয়’ সপক্ষে, ‘হয়’ সপক্ষে, ‘হয়’ সপক্ষে, ২ আৰু ৩ নং দফা দুটা বিধেয়কৰ অংশ হৈছে বুলি মই ঘোষণা কৰিছো। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। সেয়ে মই প্ৰশ্নটো উত্থাপন কৰিছো যে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ’ব।

যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক ‘হয়’ যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাৰো ‘হয়’ সপক্ষে, ‘হয়’ সপক্ষে, ‘হয়’ সপক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ’ল বুলি মই ঘোষণা কৰিছো। এতিয়া মাননীয় মন্ত্ৰীক মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী সঞ্জয় কিষাণ (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The factories (Assam Second Amendment) Bill, 2020' পাৰিত কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ অনুমোদনৰ কাৰণে উত্থাপন কৰিছো।

'The factories (Assam Second Amendment) Bill, 2020' be passed.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাৰো ‘হয়’ সপক্ষে, ‘হয়’ সপক্ষে, ‘হয়’ সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়ক খনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিছো।

এতিয়া কাৰ্য্যসূচী নং ৩ ঃ

'The Industrial Disputes (Assam Amendment) Bill, 2020'

মই মন্ত্ৰী ডাঙৰীয়াক সদনত এই বিলখন বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী সঞ্জয় কিষাণ (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Industrial Disputes (Assam Amendment) Bill, 2020' দফাই দফাই বিবেচনাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত চাহ বাগিচাক exclude কৰা দেখিবলৈ পোৱা গৈছে। চাহ বাগিচা যিহেতু ইণ্ডাষ্ট্ৰীৰ অধীনত পৰে গতিকে এই চাহ বাগিচা exclude কৰি কিয় বিলখন বনোৱা হ'ল। এইটো উত্তৰ পালে ভাল আছিলে।

**শ্ৰী সঞ্জয় কিষাণ (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু চাহ বাগিচাৰ কাৰণে বিশেষ ভাৱে আইন প্ৰনয়ণ কৰা আছে সেয়ে চাহ বাগিচাক ইণ্ডাষ্ট্ৰীৰ লগত সংলগ্ন কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** উদ্যোগ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া এই বিষয়ে আপুনি অলপ বুজাই দিলে ভাল হয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰম মন্ত্ৰী ডাঙৰীয়াই যিটো কথা ক'লে চাহ বাগিচা সমূহ চলিবৰ কাৰণে তাত ফেক্টৰী থাকে বা মিনিমাম ৱেজ পলিচি জড়িত থকা বিভিন্ন ধৰণৰ আইন ইতিমধ্যে আছে। ইয়াত বহুতো আইন আছে। আমি ও বিচাৰো যে এই গোটেই আইন বিলাক concise কৰি এখন আইন কৰিব লাগে। এই labour Disputes Act আৰু যিবিলাক Factories Act আছে এই এক্ট বিলাকত বিভিন্ন ধৰণৰ খেলিমেলি আছে। বাগান চলাবলৈ ইতিমধ্যে ২৭ খন এক্ট আছে। ইয়াৰে কিছুমান বৃটিছৰ দিনতে বনোৱা হৈছিল আৰু এতিয়াও চলি আছে। গতিকে আমি concise আইন এখন হোৱাটো বিচাৰো। আকৌ যদি নতুনকৈ এই আইন খন ইনক্লুড কৰা হয় তেনেহ'লে ২৮ খন হৈ যাব। সেয়ে মই ভাৱো এইটো জাচটিফাই কৰাটো ভাল। চাহ বাগানৰ ক্ষেত্ৰত যিখন প্লেনটেশ্যন লেবাৰ এক্ট আছে এইখনেই হৈছে চাহ বাগানৰ কাৰণে মাডাৰ এক্ট। ইয়াৰ অধীনত আকৌ ২৭ খন আছে। গতিকে আমিনুল ইছলাম ডাঙৰীয়াই কোৱা কথাটো ইয়াত ইনক্লুড নহ'লে ভাল।

**মাননীয় অধ্যক্ষ ঃ** আমি সকলোৱে এই কথাটো অধ্যয়ণ কৰাটো ভাল আৰু আমিনুল ইছলাম ডাঙৰীয়া এইটো মই ও নিজে পৰীক্ষা কৰিম যদি কিবা থাকে আপোনাক জনাম। এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। প্ৰস্তাৱটো হৈছে -

'The Industrial Disputes (Assam Amendment) Bill, 2020' be taken into consideration.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়কখনৰ ২ আৰু ৩ নং দফা দুটাত সংশোধনীৰ প্ৰস্তাৱ নাই। সেয়ে ২ আৰু ৩ নং দফা দুটা বিধেয়কৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে ২ আৰু ৩ নং দফা দুটা বিধেয়কৰ অংশ হ'ব। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত উত্থাপন কৰিলো।

বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৰো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া মাননীয় মন্ত্ৰীক মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী সঞ্জয় কিষাণ (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Industrial Disputes (Assam Amendment) Bill, 2020' পাৰিত কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে -

'The Industrial Disputes (Assam Amendment) Bill, 2020' be passed.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৰো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়ক খনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিছো।

কাৰ্য্যসূচী নং ৪ ঃ

'The Contract Labour (Regulation and Abolition) (Assam Amendment) Bill, 2020' মই মন্ত্ৰী ডাঙৰীয়াক সদনত এই বিলখন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী সঞ্জয় কিষাণ (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Contract Labour (Regulation and Abolition) (Assam Amendment) Bill, 2020' দফাই দফাই বিবেচনাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। প্ৰস্তাৱটো হৈছে -

'The Contract Labour (Regulation and Abolition) (Assam Amendment) Bill, 2020' be taken into consideration.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৰো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে, প্ৰস্তাৱটো গৃহীত হৈছে বুলি মই ঘোষণা কৰিছো। এতিয়া বিধেয়কখনৰ ২ আৰু ৩ নং দফা দুটাত সংশোধনীৰ প্ৰস্তাৱ নাই। মই দফা দুটা সদনত উত্থাপন কৰিছো। প্ৰশ্নটো হৈছে, ২ আৰু ৩ নং দফা দুটা বিধেয়কৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৰো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে ২ আৰু ৩ নং দফা দুটা বিধেয়কৰ অংশ হৈছে বুলি মই ঘোষণা কৰিছো। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত উত্থাপন কৰিলো।

বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক

'নহয়'

মই ভাৰো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া মাননীয় মন্ত্ৰীক মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী সঞ্জয় কিষাণ (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Contract Labour (Regulation and Abolition) (Assam Amendment) Bill, 2020' পাৰিত কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো মই সদনৰ অনুমোদনৰ কাৰণে উত্থাপন কৰিছো। প্ৰস্তাৱটো হৈছে

'The Contract Labour (Regulation and Abolition) (Assam Amendment) Bill, 2020' be passed.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৰো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়ক খনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিছো।

এতিয়া কাৰ্য্যসূচী নং ৫ ঃ

মই পৰিবহণ মন্ত্ৰী ডাঙৰীয়াক 'The Assam Inland Water Transport Regulatory Authority (Amendment) Bill, 2020' বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (পৰিবহণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Inland Water Transport Regulatory Authority (Amendment) Bill, 2020' দফাই দফাই বিবেচনাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। প্ৰস্তাৱটো হৈছে -

'The Assam Inland Water Transport Regulatory Authority (Amendment) Bill, 2020' be taken into consideration.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৰো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে বুলি মই ঘোষণা কৰিছো। এতিয়া বিধেয়কখনৰ ২ নং দফাত সংশোধনীৰ প্ৰস্তাৱ নাই। মই দফাটো সদনত উত্থাপন কৰিছো। প্ৰশ্নটো হৈছে , ২ নং দফাটো বিধেয়কৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৰো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে ২ নং দফা টো বিধেয়কৰ অংশ হৈছে। বিধেয়কখনৰ ৩ নং দফাত মাননীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ সংশোধনী আছে। মই সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ কৈছো আৰু তাৰ ওপৰত ক'বলৈ অনুৰোধ জনাইছো।

**Shri Abdur Rashid Mandal :** Hon'ble Speaker sir, In Sub Clause (1) of Clause 3 of the proposed Bill, I beg to move in between the

word 'stakeholders' and punctuation mark 'full stop' appearing in last line the following words shall be added :

"as per recommendation of the District Administration or any local self Government bodies or Authorities who are directly involved in the Inland Water Transport Operation in the State of Assam to enforce the provisions of this Act".

মাননীয় অধ্যক্ষ মহোদয়, Inland Water Transport ৰ ওপৰত প্ৰত্যেক জিলাত বা অঞ্চলতেই বিভিন্ন ধৰণৰ নাওঁ ব্যৱহাৰ কৰা হয় আৰু তাত বিভিন্ন ধৰণৰ ভাড়া নিৰ্ধাৰণ কৰা হয়। গতিকে যদি কেন্দ্ৰীয় ভাৱে এই ভাড়া নিৰ্ধাৰণ কৰিবলৈ যোৱা হয় তেন্তে সেই ভাড়াটো গোটেই অসমত প্ৰযোজ্য নহ'ব ও পাৰে। সেয়েহে যেতিয়া চেণ্ট্ৰেল অথ'ৰিটীয়ে তাৰিখ ফিক্স কৰিব - Local Government Cell যিবিলাক আছে, যিবিলাক directly involve তেওঁলোকৰ recommendation মতেহে যাতে টেৰিফ ফিক্সড কৰা হয় এইখিনি কথা এমেণ্ডমেণ্ডত আনিব লাগে এইখিনি কথা ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া এই যিটো এমেণ্ডমেণ্ড আনিছে তাত অন্য কথা নাই। আচলতে এইটো মানি ল'লেও আমাৰ কোনো আপত্তি নাই। কিন্তু অধ্যক্ষ ডাঙৰীয়া প্ৰশ্নটো হৈছে যে আমি যেতিয়া এটা Regulatory Authority ডিপাৰ্টমেন্টৰ পৰা আনিছিলো ইয়াৰ উদ্দেশ্য আছিল যাতে তেওলোকে independently কাম কৰিব পাৰে। জাহাজ বা ফেৰীত তেওলোকে নিজৰ ইচছা মতে যিয়ে যেনেকৈ পাৰে ভাৰা লৈছিল। Regulatory Authority ভাৰা এটা decide কৰিবলৈ ডি চিৰ পৰা , elected Body, জিলা পৰিষদ, গাও পঞ্চায়ত, অটোনোমাচ কাউন্সিলৰ পৰা ল'ব লাগিলে তেতিয়া হ'লে independently কথাটো নাথাকিব আৰু আমি control ত বা চিষ্টেমত আনিব নোৱাৰিম। Passenger সকলৰ interest টো আমি বিচাৰিছো। মাজুলীত ইচ্চামতে তেওলোকে চলাই আছে- ধুবুৰী- গোৱালপাৰা ইত্যাদিত নিজৰ ইচ্ছামতে ভাৰা লৈ চলাই আছে কিন্তু গুৱাহাটীত তেনেধৰনে কৰিব পৰা নাই কাৰণ ইয়াত Head Office আছে। গতিকে আমি বিচাৰিছো Regulatory Authority ৰ মাধ্যমত যাতে এই ভাৰাটো uniformatic হয় কাৰণ ভাৰা সময়ে সময়ে বৃদ্ধি কৰিব লাগিব - তেলৰ দাম বাঢ়ে, maintenance cost বাঢ়ে, কিন্তু ভাৰা বৃদ্ধি মানে এইটো নহয় যে যিকেইজন Stake Holder আছে তেওলোকে নিজৰ খুচিমতে ভাৰা বৃদ্ধি কৰিব। এটা খেলিমেলি হ'ব সেই কাৰণতে আমি এই কথা খিনি আনিছো। আপুনি যিটো আনিছে সেই Spirit টো ইয়াত আছে। ভাৰা বৃদ্ধি যেতিয়া কৰা হ'ব যিখিনি concern আছে সেই খন জিলাৰ উপায়ুক্তসকলৰ লগত আমি আলোচনা কৰিমেই লগতে ষ্টেক হোল্ডাৰসকলৰ লগতো আমি আলোচনা কৰিম। সকলোৰে লগত আলোচনা কৰি আমি এটা consensus কৰিম। এইটো কৰাৰ বাবে আমি ৰেগুলেটৰিটোত এমেণ্ডমেণ্ড আনিছো। নতুনকৈ এমেণ্ডমেণ্ড আনিব লগা নাই। পাব্লিক ইন্টাৰেষ্টৰ কাৰণে এই ৰেগুলেটৰিটো আমি আনিছো তাৰ কাৰনে এই Provision টো অনা হৈছে যাতে খেলিমেলি নহয়। গতিকে আপোনালোকে এই এমেণ্ডমেণ্ডটো উঠাই ল'ব। আটাইতকৈ বেছি sufferer Goalpara, Dhubri ৰ মানুহখিনি। গুৱাহাটীৰ ফেৰী ঘাটতো ডাঙৰ ইয়াত alternative ৰাস্তা আছে। কিন্তু মাজুলীত Dead Body এটা ফেৰীৰে আনিবলগীয়া হ'লে

তেওলোকে যথেষ্ট টকা ভাৰা লয়। কল্পনা কৰিব নোৱাৰি সেই কাৰণে মই কৈছিলো এখন জাহাজ অকল ডেড বডি কঢ়িয়াবৰ বাবে দিয়ক- ১ টকাও ল'ব নালাগে। এই সকলোখিনি চাই চিতিহে সিদ্ধান্ত লোৱা হৈছে গতিকে মই ভাবো আপোনালোক সকলোৱে একমত হ'ব। ধন্যবাদ অধ্যক্ষ মহোদয়।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** ছাৰ মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই আৰু এটা কথা জানিব বিচাৰিছো- অসমৰ নদীসমূহত যিখিনি চলি আছে তাৰ সা সুবিধা একে নহয়। কথাবিলাক যদি ৰুলত স্পষ্ট হৈ নাথাকে তেন্তে হয়তো এনেকুৰা হ'ব পাৰে যে কোনো এখন ভুট-ভুটি নাওঁত যি ভাড়া লয় এখন ভাল সুবিধাযুক্ত ফেৰীতো একেই ভাড়া ল'ব। বেকী বা এনেকুৰা নদী আছে য'ত পানীৰ সোঁত বেছি, কিছুমানত সোঁত নাই। অসমৰ নদীত চলা নাওবিলাকৰ আকৃতি একে নহয়। এই কথাবিলাক ৰুলত নাথাকিলে অসুবিধা হ'ব। আমাৰ এমেণ্ডমেণ্ড অনাৰ উদ্দেশ্য এইটো আছিল যে এই কথাখিনি যাতে ৰুলত আহি যায়।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, তেখেতে যিটো কথা কৈছে এইখিনি considerationত আহিব । মেইন যিখন এক্ট সেইখনত provision খিনি আছেই। অধ্যক্ষ ডাঙৰীয়া আপুনি নিজে Lawyers আছিলে আপুনি জানে যে Rules খিনিয়ে Act খন supersit কৰিব নোৱাৰে। আপোনালোকে নিশ্চিত থাকক- এমেণ্ডমেণ্ড আনিব নালাগে, এইখিনি আমি চাম। এই ক্ষেত্ৰত সংগতি ৰাখি এটা অনুৰোধ কৰো যে- অধ্যক্ষ মহোদয়, আমি 'জীৱন ডিঙা' আঁচনি দিছো। ইয়াত যিখন ফেৰী দিছো তাৰ ইঞ্জিনটো Modern , যাতে পেচেঞ্জাৰ আৰু ফেৰীখন চেফ্‌টি হয়। গুৱাহাটী- ধুবুৰীত ফেৰী accident হৈছিল। জীৱন ডিঙা আঁচনিত ৭০ শতাংশ চাবচিডি দিছো। সেই কাৰনে সকলো সন্মানীয় সদস্যকে অনুৰোধ জনাইছো নিজ নিজ সমষ্টিত যিখিনি ঘাট- নৈ আছে তাত যিখিনি ষ্টেইক হোল্ডাৰ আছে তেওলোকক এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ কওক। চৰকাৰে ৭০ শতাংশ চাবচিডি দিব। বৰ্ত্তমান আমাৰ ইয়াৰ বাবে ফাণ্ড আছে। যেতিয়াই বিচাৰে আমি দিব পাৰিম।

অধ্যক্ষ মহোদয় ঃ ঠিক আছে।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা)ঃ** অধ্যক্ষ মহোদয়, মোৰ এটা ক'ব লগীয়া আছে। গোটেই অসমৰ নৈসমূহৰ প্ৰকৃতি একে নহয়। তাত ব্যৱহাৰ কৰা নাওসমূহ একে নহয়। এক্টখনত country Boat বেন কৰা হৈছে কিন্তু কিছু নৈ বা উপনৈত Speed Boat বা ভুটভুটী চৰকাৰে প্ৰভাইড কৰিব নোৱাৰে । গতিকে এইটো withdraw হ'ব নেকি? মন্ত্ৰী মহোদয়ে জনালে ভাল। এই বিধান সভাত বহুবাৰ প্ৰশ্ন আনিছো- মন্ত্ৰী মহোদয়ে মোক আশ্বাস দিছিল জোনাইৰ পৰা গোৱালপাৰা হৈ ধুবুৰী কানেক্টিঙ। কিন্তু এতিয়াও চাৰ্ভিছ দিয়া নাই আৰু কিমান বছৰ লাগিব? কান্ট্ৰি বোটৰ প্ৰভিজন এক্টত আমি ৰাখিব পাৰোনেকি?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ অধ্যক্ষ ডাঙৰীয়া, আগতে এবাৰ Double Engine ৰ কথা কৈছিলো। সেইটো এই কাৰনে আমি কৈছিলো ইঞ্জিন বন্ধ হৈ এখন ফেৰীয়ে গুৱাহাটীৰ জাইকাৰ প্ৰজেক্টত খুন্দা মাৰিলে। তেনেকৈ গোৱালপাৰা, ধুবৰীটো এক্সিডেন্ট হৈছে । এইবিলাকৰ বাবে এফ আই আৰ লজ হৈছে। সেই কাৰনে আমি কৈছিলো য'ত ডাৱল ইঞ্জিন নলগায় তাত আমি কাট্ৰি বোট এলাও নকৰো। ডাবল ইঞ্জিন কিছুমানত লগাব নোৱাৰে কাৰন নাওবোৰ তেনেকৈ বনোৱা নাছিল। এতিয়া আমি যিটো 'জীৱন ডিঙা' আঁচনি দিছো তেওলোকে ডাবল ইঞ্জিন লগাওক ৭০ শতাংশ চাবচিডি পাব। তেওলোকে কান্ট্ৰি বোট চলাওক কিন্তু চেফলী

চলাব লাগিব। যাত্ৰীৰ সুৰক্ষাৰ বাবে যিটো লাইফ জেকেট আছে নাওৰ কেপাচিটি চাই আমি গোটেইখিনি ফ্ৰি দিম।

**माननीय अध्यक्ष ঃ** ঠিক আছে। আমিনুল ইছলাম , আপোনাৰ পইন্টটো ৰেইজ কৰিব পাৰে।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** ছাৰ, মই চেফ্টীৰ ওপৰত কথাটো ক'ব বিচাৰিছিলো কিন্তু এইটো ইতিমধ্যে কোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটো withdraw হ'ব ?

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** অধ্যক্ষ মহোদয় , মন্ত্ৰী ডাঙৰীয়াৰ কথাটোত আমি আশ্বস্ত হৈছো তথাপিও কথাটো ৰিপিট কৰিছো যে ৰুলত থাকিলে ভাল।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** আপোনাৰ কথাটো বিবেচনা হ'ব। ভাৰত চৰকাৰৰ এই সম্পৰ্কে যিটো বডি আছে সেইটো জৰিত আছে, আপুনি চিন্তা নকৰিব।

**মাননীয় অধ্যক্ষ ঃ** মই ভাবো যে সংশোধনী প্ৰস্তাৱটো যদি প্ৰত্যাহাৰ হৈছে দফা নং- ৩ টো বিধেয়কখনৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্য-সদস্যা আছে, যিসকলে সপক্ষে আছে কওক 'হয়' আৰু যিসকলে বিপক্ষে আছে তেখেতসকলে কওক ' নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে মই প্ৰস্তাৱটো সদনৰ মজিয়াত দিব বিচাৰছো। বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ , আৰম্ভন বিধেয়কৰ অংশ হ'ব। যিসকল সদস্য-সদস্যা আছে যি সকল 'হয়ৰ' সপক্ষে আছে কওক 'হয়' যিসকল হয়ৰ বিপক্ষে আছে কওক নহয়

মই ভাবো যে সংশোধনী প্ৰস্তাৱটো যদি প্ৰত্যাহাৰ হৈছে দফা নং- ৩ টো বিধেয়ক অংশ হ'ব। যিসকল সন্মানীয় সদস্য-সদস্যা আছে, যিসকলে সপক্ষে আছে কওক 'হয়' আৰু যিসকলে বিপক্ষে আছে তেখেতসকলে কওক ' নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় " The Assam Inland water Transport Regulatory Authority ( Amendment) বিল ২০২০ পাৰিত কৰাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিলো। " The Assam Inland water Transport Regulatory Authority ( Amendment) বিল ২০২০ যিসকল সন্মানীয় সদস্য-সদস্যা আছে, যিসকলে ইয়াৰ সপক্ষে আছে কওক 'হয়' আৰু যিসকলে বিপক্ষে আছে তেখেতসকলে কওক ' নহয়'। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱ পাৰিত হৈছে আৰু বিধেয়কখনো পাৰিত কৰা বুলি মই ঘোষণা কৰিছো। কাৰ্য্যসূচী নং ৬ - 'The Assam Micro, Small and medium Enterprises (Facilitation of Establishment and operation)Bill, 2020 মাননীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, উদ্যোগ ইত্যাদি ঃ** অধ্যক্ষ মহোদয়- The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and operation)Bill, 2020 দফাই দফাই বিবেচনা কৰা বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয় , যিহেতু উদ্যোগৰ বিষয়ে আলোচনা নহ'ল গতিকে এটা পেপাৰ মিলৰ বিষয়ে মই দুআষাৰ ক'ম যদি আপুনি অনুমতি দিয়ে।

**মাননীয় অধ্যক্ষঃ** কওঁক- কনচিডাৰেশ্যনত ক'ব পাৰে ।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধান সভাত ২০১৬ চনৰ পৰাই জাগিৰোড আৰু কাছাৰৰ কাগজ কল পুনৰ কাৰ্য্যক্ষম কৰিবলৈ বিভিন্ন মাধ্যমেৰে দৃষ্টি আকৰ্ষন কৰি আহিছিলো। মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী ডাঙৰীয়াই সদনত প্ৰতিশ্ৰুতি দিছিল, ১৯০০ কোটি টকাৰ এটা পেকেজ প্ৰধান মন্ত্ৰীৰ কাৰ্য্যালয়ত সক্ৰিয় হৈ আছে। ৮০০ কোটি টকাৰ এটা কথা আহিছিল। কথাটো লোকসভাতো কেন্দ্ৰীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে প্ৰায় ৪ হাজাৰ ১৪১ কোটি টকা এই পেপাৰ মিলৰ বাবে আবন্টন কৰা হৈছিল বুলি লোকসভাত জনাইছিল। কিন্তু পেপাৰ মিল এতিয়াও কাৰ্য্যক্ষম হোৱা নাই। ৭০ জন লোকৰ বিভিন্ন ৰোগ আৰু আন কাৰণত মৃত্যু হৈছে। কেইবা বছৰো কৰ্মচাৰীয়ে দৰমহা পোৱা নাই। এই ক্ষেত্ৰত যিহেতু প্ৰায় ১ কোটিতকৈ কম টকা এটা দেওনা-পাওনাৰ কেছ আছিল সেই গতিকে গুচি গ'ল Arbitration হ'ল, তাৰ পিছত নেচনেল কোম্পানী ল' ট্ৰিবুনেল আৰু তাত এইটোৰ নিলামৰ কথা আহিল। সেইখিনি সময়ৰ পিছত আমাৰ অসম চৰকাৰৰ ফালৰ পৰা ডুবাইৰ এটা প্ৰতিষ্ঠানক কিবা উপায়েৰে পেপাৰ মিল নহয় অন্য কিবাকিবি কৰিবলৈ তাৰ মাটিবাৰী সম্পত্তি খিনি দিয়াৰ কথা আহিল। কিন্তু সেই কাৰ্য্য ফলপ্ৰসু নহ'ল। এতিয়া শেহতীয়াকৈ অহা ১৪ চেপ্তেম্বৰ তাৰিখে চৰকাৰে এটা সিদ্ধান্ত লোৱাৰ কথা আছে এই নেচনেল ল' ট্ৰিবুনেলে যে পেপাৰ মিলটো খুলি ৰখা হ'বনে বন্ধ কৰা হ'ব। দিল্লী হাইকোৰ্ট আৰু এন চি এল টিয়ে কিন্তু পেপাৰ মিলটো কাৰ্য্যক্ষম কৰি থবলৈ যোৱা সময়চোৱাত নিৰ্দেশনা দিছিল আৰু ভাৰত চৰকাৰৰ তৰফৰ পৰা ২০০০ কোটি টকা এটা Revival পেকেজৰ কথাও কোৱা হৈছিল। কিন্তু যি কি নহওক এতিয়া অসমৰ কোনো থলুৱা উদ্যোগীয়ে এই পেপাৰ মিলটো P.P.P Moodত চলাব বিচাৰিছে আৰু তেখেত সকলে ইতিমধ্যে আবেদন দিছে। যদি অসম চৰকাৰ আৰু ভাৰত চৰকাৰে যিহেতু আত্মনিৰ্ভৰ ভাৰতৰ কথা কোৱা হৈছে, আত্মনিৰ্ভৰ অসমৰ কথা কোৱা হৈছে, অসমৰ নিবনুৱা সকলৰ বাবে আমি কেনেকৈ সংস্থাপিত কৰিব সেই কথা চিন্তা কৰা হৈছে, এই ২০০০০ কোটি টকাৰ সম্পত্তি, বৰ্ত্তমান সময়ত যাৰ মূল্য ২০০০০ কোটি টকা হ'ব পাৰে সেই খিনি মাত্ৰ এক কোটি টকাতকৈ কম মূল্যৰ বাবে এনেকৈ ডিছপোজ কৰিব নালাগে, সেই কথাটো আমি মাননীয় চৰকাৰক আপোনাৰ যোগেদি দৃষ্টি আকৰ্ষণ কৰিছোঁ আৰু যদিহে অহা ১৪ চেপ্তেম্বৰত অসম চৰকাৰে নেচনেল কোম্পানী ল' ট্ৰিবুনেলত এখন এফিডদেফিড দি পি পি পি মুডৰ কথা কয় তেতিয়াহ'লে আমি এটা Revivalৰ কথা আশা কৰিব পাৰো। মন্ত্ৰী মহোদয়ৰ যিহেতু অন্য স্কোপ নাই সেইক্ষেত্ৰত কথাখিনি বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অকমান কব বিচাৰিছিলো। আজি সময় আছে চাৰ।

**মাননীয় অধ্যক্ষ ঃ** অকমানহে দে। সকলো বিলতে মই কবলৈ দিম বুলি ভাৰিছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** চাৰ, আমাৰ লিডাৰে কলেই, ২০১৬ চনৰ পৰা আমি বাৰ বাৰ প্ৰশ্ন কৰিছো যে নগাও পেপাৰ মিল আৰু কাছাৰ পেপাৰ মিল Revival কৰা হ'ব নেকি বুলি। অধ্যক্ষ মহোদয়, প্ৰত্যেকটো চেচনত মন্ত্ৰী মহোদয়ে না কোৱা নাই কিন্তু। তেখেতে কৈছে যে আমি পঠিয়াইছো কেন্দ্ৰীয় চৰকাৰলৈ, কেন্দ্ৰীয় চৰকাৰে এপ্ৰোভেল দিব আমি কামটো আৰম্ভ কৰি দিম। আমি ভালেই পাইছিলো, ধন্যবাদ জনাইছিলো। অধ্যক্ষ মহোদয়, এইটো অতি দুখৰে ক'ব লগা হয় যে বিগত

বিধান সভাৰ পৰা তথ্য যিটো আমি পালো যে ৪০ মাহ হৈছে কাছাৰ পেপাৰ মিলৰ কৰ্মচাৰীয়ে দৰমহা পোৱা নাই। প্ৰায় ৫৩ জন মান মানুহৰ মৃত্যু হ'ল তাৰ মাজৰ কিছুমান মানুহে আত্মহত্যা কৰিলে। অধ্যক্ষ মহোদয়, এতিয়া কথাটো হৈছে লৰা-ছোৱালী সকলে পঢ়িব পৰা নাই, এটা বিভিষিকাময় পৰিৱেশ হৈছে। ভালকৈ খাব পৰা নাই। সেইটোৰ কাৰণে স্পেচিফিক এটা সিদ্ধান্ত ল'ব লাগে যে পেনডিং দৰমহা কি দিব আছে, আপোনালোকে ক'ব যে নাই এন চি এল টি ত কেছ চলি আছে। কেছ চলি আছে সেইবোৰটো আমাৰ concern নহয়, কেছ চলি আছে কেছ হ'ব ঠিক আছে। আল্টিমেটলি পেনডিং কি টকা আছে কি পাব লগা আছে সেইখিনি বস্তু ক্লিয়াৰ কৰি দিলে মই ভাৱো সিহঁতে কিবা এটা পাব। নহ'লে প্ৰত্যেক এক মাহ দুমাহৰ মুৰে মুৰে দুই তিনিজনকৈ মানুহ মৰি আছে। অধ্যক্ষ মহোদয়, আমাৰ ওচৰত আহি থাকে তেওঁলোকে, সেইকাৰণে মন্ত্ৰী মহোদয়ৰ পৰা ক্লিয়াৰ বিচাৰিছো যে নগাঁও আৰু কাছাৰ পেপাৰ মিলৰ যিসকল কৰ্মচাৰী আছে সিহঁতৰ পেন্ডিং যিখিনি আছে সেইখিনি অন্তত আপোনালোকে ক্লিয়াৰ কৰি দিয়ক আমি হাতজোৰ কৰি আপোনাক কৈ আছো। দ্বিতীয়তে, এটা বস্তু যে আমাৰ লোকেল MSME যিখিনি আছে, লোকেল উদ্যোগ যিখিনি আছে, আচলতে আমাৰ শিলচৰৰ পৰা কেইদিনমান আগতে একেবাৰে ওচৰৰ মানুহ এজন আহিছিল, তেওঁ আহি কলে যে আমি লাইম ফেক্টৰী আছো, উত্তৰপূৰ্বাঞ্চলৰ ভিতৰত আমিয়ে কেৱল লাইম ফেক্টৰী আছো আৰু বেলেগ কোনো লাইম ফেক্টৰী নাই, তেওঁ কলে যে আমাৰ যেতিয়া বিভিন্ন বিভাগত চাপলাই হয় ২৫ শতাংশ আমাৰ লোকেল এম এ চিমি খিনিয়ে পাব লাগে। কিন্তু অধ্যক্ষ মহোদয়, এইটো ক্ষেত্ৰত আমি চালো যে কিছুমান উল্টা-পুল্টা কৰা হৈছে দিয়া নাই। সেইটো কাৰণে মই ভাৱো যিটো ২৫ শতাংশ আছে সেইটো ৫০ শতাংশ কৰিব লাগে। কাৰণ লোকেল এম এ চিমি নহয় যদি তেনেহলে আমাৰ ল'ৰা-ছোৱালীবোৰ কলৈ যাব ? শেষত এটা কও আমাৰ এডভান্টেজ আসাম হৈছে আমি ভাল পাইছো, কিন্তু তাৰ পিছত কিমান কি কৰিব পাৰিলো সেইটো ধৰিব পৰা নাই। এটা বস্তু অধ্যক্ষ মহোদয়, কেৰেলাই কিন্তু সিহঁতৰ নিজাকৈ এইচ পি চি উদ্যোগ যিটো আছে সেইটো Revival কৰিব পাৰিলে, কিন্তু আমি কৰিব পৰা নাই। সেইটোৰ কাৰণে মন্ত্ৰী মহোদয়ে দুয়োটা মিল যদি বচাই দিব পাৰে তাৰ কাৰণে ইয়াত সদউত্তৰ বিচাৰিছো আৰু পেন্ডিং খিনি যাতে সমধান কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৯ মে, ১৯৭০ চনত এই চাৰিটা মিল এইচ পি চিয়ে কৰিছিল। এটা আমাৰ নগাঁও পেপাৰ মিল আৰু এটা কাছাৰ পেপাৰ মিল আৰু এটা কেৰেলাত কৰিছিল আৰু এটা টুলি নাগলেণ্ডত কৰিছিল। বাকী তিনিটাৰ কেপাচিটি আছিল এক লাখ মেট্ৰিকটনকৈ আৰু টুলিৰটোৰ আছিল ৩৩ মেট্ৰিকটনকৈ। মাজতে ভাৰত চৰকাৰে সিদ্ধান্ত ললে যে এই গোটেই মিলকেইটা disinvestment কৰি দিব। তেতিয়া আমি দেখিলো যে এই গোটেইকেইটা মিল যদি দিছইনভেইজমেন্ট কৰি দিয়ে তেতিয়া আমাৰ নগাঁও আৰু কাছাৰৰ পেপাৰ মিল দুটাত বহুত মানুহ আছে, গতিকে তেতিয়া মই ভাৰত চৰকাৰৰ তেতিয়াৰ উদ্যোগ বিভাগৰ মন্ত্ৰী আছিল আনন্দ বি কে, গতিকে তেওঁক মই অনুৰোধ কৰিলো যে আমাৰ মিলকেইটা disinvestment কৰিব নালাগে। কেৰেলা আৰু টুলিৰটো disinvestment কৰি দিলে। তাৰ পিছত তেওঁলোকে কলে যে ঠিক আছে। প্ৰথম পৰ্য্যায়ত মিল কেইটা আমি disinvestmentৰ পৰা বচালো। কাৰণ ইয়াত বহুত মানুহ জড়িত আছে। গতিকে তাৰ পিছত এই মিল কেইটাৰ এক নম্বৰ সমস্যাটো হ'ল মেনেজমেন্ট। মেনেজমেন্ট ইমান বেয়া কলকতা হেড অফিচত তিনি জন থাকে

গতিকে সেই  তিনিজনে যি খুচি তাকেই কৰি থাকে আৰু ইয়াত কিছুমান ব্যৱসায়ী জড়িত হৈ আছে সেই ব্যৱসায়ী বিলাকৰ লগত এটা Nexus আছে। যাৰ ফলত এইটো হ'ল। আমাৰ উত্তৰপূৰ্বাঞ্চলৰ যিটো বাঁহ আহে, তাৰ ভিতৰত মিজুৰামত এটা বাঁহ হয় মুনি বাঁহ বুলি কয়, সেই বাঁহটো ভাল, গতিকে মুনি বাঁহটোৱে ৪ বছৰত মৰি যায় আৰু নেচনেল চাইক্লিক অৰ্ডাৰত সেই বাঁহটোৱে গজি উঠে। গতিকে তেতিয়া মুনিবাঁহটো মৰি গ'ল, ত্ৰিপুৰাই কলে যে আমি বাঁহ নিদিও, তেতিয়া ত্ৰিপুৰাই নিজাকৈ বাহৰ কাম কৰি আছে, তেতিয়া আমি অন্ধ্ৰপ্ৰদেশৰ পৰা কাঠৰ চিত কিছুমান আনি আমি কিছুদিন চলালো। চলোৱাৰ পিছত সেইটো ভায়েব'ল নহ'ল। সেই কাৰণে নগাঁও পেপাৰ মিলটো প্ৰফিডত থাকিল, গতিকে নগাঁও পেপাৰ মিলটোৰ পৰা যি আয় হয় সেই আয়েৰে দৰমহা দিব লগা হ'ল কাছাৰ পেপাৰ মিলক আৰু টুলি পেপাৰ মিলক। গতিকে এটা পেপাৰ মিলৰ আয়েৰে তিনিওটাই চলিব লগা হ'ল। তাৰ পিছত নগাঁওৰ পেপাৰ মিলো বন্ধ হৈ গ'ল। গতিকে এই বন্ধ হোৱাৰ পিছত এই প্ৰক্ৰিয়াটো মই অসম চৰকাৰৰ উদ্যোগ মন্ত্ৰী হিচাপে ব্যৱস্থা ললো। মাননীয় মুখ্যমন্ত্ৰীয়েও প্ৰধান মন্ত্ৰীলৈ এই সম্পৰ্কত চিঠি লিখিছে। ময়ো এই ক্ষেত্ৰত বহুত যোগযোগ কৰিছো। এটা পৰ্য্যায় আহিল যে আমাৰ দৰমহা পোৱা নাই বহুত দিন। তেতিয়া মোক কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰীয়ে কলে যে আপুনি অলপ  পইচা দি দিয়ক অসম চৰকাৰৰ পৰা, তেতিয়া কিছু দৰমহা দিব পৰা যাব, দি দিলে আমি পেকেজ যিটো বনাই আছো আমি পেকেজটো কৰি লওঁ। তেতিয়া আমাৰ শিক্ষামন্ত্ৰী আছিল ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, মই তেখেতক কলো আৰু তেতিয়া শিক্ষামন্ত্ৰীয়ে ৩৫ কোটি টকা দিলে। ৩৫ কোটি টকা দিয়াৰ লগে লগে আমি দৰমহা দিলো। দৰমহা দিয়াৰ পিছত অসম চৰকাৰে তেওঁলোকক হৈয়াদ দিছিল ৫৪০০ পাৰ টন, বিহাৰ চৰকাৰে দিছে ৫৪০০ পাৰ টন। এই যিখিনি পেপাৰ আমাৰ টেক্সবুকৰ পইচাৰে পেপাৰৰ প্ৰয়াস কৰিলে সেইখিনি গাজিয়া ব্ৰাদাৰ নামৰ এটা পাৰ্টীক ৩৯০০ পাৰ টনত দি দিলে। দিয়াৰ লগে লগে আমাৰ টেক্সবুক প্ৰদাক্চন দেৰি হৈ গ'ল, হাহাকাৰ হৈ গ'ল। তাৰ পিছত আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই মোক কলে যে কি হ'ল?  মই আকৌ দিল্লী গলো, যায় কলো যে এইটো বেয়া কথা হৈছে, আমাৰ পেপাৰ কিয় দিছে বেলেগক। এনেকৈ কৈ কলো যে আমাৰ পেপাৰ আমাক দিয়ক অসমক, আমি দৰমহা দিয়াৰ কাৰণে পইচা দিলো। তাৰ পিছত ২০ কোটি টকা তেওঁ দিলে। দিয়াৰ পিছত পেপাৰখিনি তৈয়াৰ কৰি কিবাকৈ সেইবাৰ টেক্সবুক উলিয়াব পাৰিলো। তাৰ মেনেজমেন্ট এনেকুৱা। তেতিয়াই মই কলো এই হেড অফিচটো কলকতাত থকাৰ কাৰণে এই মিল কেইটাৰ দূৰঅৱস্থা হৈছে, আপুনি এই হেড অফিচকেইটা গুৱাহাটীলৈ দি দিয়ক। তাৰ পিছত তেওঁ সেইদিনাই সচিবক মাতি আনি মোৰ সন্মুখতে কলে সেইদিনাই অৰ্ডাৰ কৰি দিলে যে এইচ পি চি ৰ হেড অফিচ গুৱাহাটীলৈ স্থানন্তৰ কৰি দিয়া হওঁক। মোক পিছদিনা ফোন কৰিলে যে অৰ্ডাৰটো ওলাইছে আহি লৈ যাব পাৰে, লৈ আহিলো। আহি Inland Water Transport ৰ উলুবাৰীত থকা অফিচৰ তৃতীয় মহলাত তেওঁলোকক দিলো আৰু কলো যে যেতিয়ালৈকে তোমালোক লাভত আহিব নোৱাৰা তেতিয়ালৈকে এক টকা মাহে ভাৰা হিচাপে দিবা। সেইবুলি  এক টকা ভাৰাত তেওঁলোকক দি দিলো। দি দিয়াৰ পিছত মমতা বেনাৰ্জীয়ে গোটেই বেঙ্গলৰ এম পি বিলাকক লৈ ধৰ্না দি দিলে। তাৰ পিছত আকৌ হেড অফিচ ইয়াত স্থগিত ৰাখিলে। তেনেকৈ চলি থাকিল। তাৰপিছত এই গোটেইখিনি কথা লাগি লাগি আমাৰ গোটেই Revival পেকেজটো আছিল ১৯০০ কোটি টকা। ১৯০০ কোটি টকাত গোটেই Revival পেকেজটো হৈ গ'ল হেতেন!  তাৰ পিছত এনেকুৱা এটা অৱস্থা হ'ল তাৰ পিছত আমি কলো যে ১৯০০ কোটি টকা পোৱালৈকে আমাক দৰমহাখিনি কিছু দিয়ক। কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই যিটো ১০০ কোটি টকাৰ কথা কৈছে যে

আমি ১০০ কোটি টকা তেওঁলোকে দিলে। এশ কোটি টকাৰ ৯০ কোটি টকা বাকী ১০ কোটি টকা বেলেগ বেলেগে ধৰি লৈছে। গতিকে ৯০ কোটি টকা চেনচন কৰি দিলে। তাৰ পিছত পইচাটো আহিল। সেইসময়তে ১৯০০ কোটি টকাৰ পেকেজটো Intermediation চাৰ্কোলেচন হৈ টেবুলত মেমোৰেণ্ডম হৈ প্ৰিপিয়াৰ হ'ল। কাৰণ যিহেতুকে কেন্দ্ৰীয় চৰকাৰৰ কেবিনেট বুধবাৰে বহে, গতিকে পৰৱৰ্তী বুধবাৰে সেইটো পাছ হ'ল। ইমান দূৰ্ভাগ্যজনক কথা এই ব্যৱসায়ী বিলাকৰ ভিতৰৰ পৰা এজনে গৈ NCLT ত কেছ দি দিলে যে পইচা পাব আছে। গতিকে এন চি এল টি ৰ কথাটো জানেই। তাৰ পিছত এন চি এল টিয়ে প্ৰধান মন্ত্ৰীক দিলে যে ষ্টেটাচসহিতে জনাওক আমাক। প্ৰধান মন্ত্ৰীৰ অফিচে যেতিয়া ষ্টেটাচ জনাব লগীয়া হ'ল তেতিয়া উদ্যোগ মন্ত্ৰীক আকৌ ১৯০০ কোটি টকাৰ প্ৰপোজেল বেক কৰিব কলে আৰু কলে যে তোমালোকে ষ্টেটাচ জনোৱা। এই ষ্টেটাচ জনাওতে জনাওতে সেই কামটো নহ'ল। ৪ দিন যদি এই ব্যৱসায়ীটোৱে ৰ'ল হেতেন তেতিয়া ১৯০০ কোটি টকাৰ পেকেজ হৈ এই মিলটো Revival হ'ল হেতেন! তাৰ পিছত এই যে এন চি এল টি গ'ল তাৰ পিছত তেওঁলোকে লিকুৱেডিটৰক দিলে। যোৱাবাৰ অধ্যক্ষ ডাঙৰীয়া, সদন চলি থকা সময়ত মই লিকুৱেডিটৰক দিল্লীৰ পৰা মাতিছো, কাৰণ তেওঁ মাটিখিনি বিক্ৰী কৰাৰ ধান্দাত আছে। লিকুৱেডিটৰৰ উদ্দেশ্য কি যে লিকুৱেজিচনটো যদি কৰি দিব পাৰে তেওঁ পইচা পাব। তেতিয়া মই মাতি আনিলো আমাৰ চেম্বাৰত তেওঁলোকক টানকৈ কলো, এই বিলাক বিক্ৰী কৰিলে অসুবিধা আছে, এইবোৰ বিক্ৰী নকৰিবা। তাৰ পিছত কিছুদিন ৰ'ল। তাৰপিছত আবুদাবিৰ এটা পাৰ্টীয়ে মনযোগ দিলে যে আমি মিলটো Revival কৰি দিম। তেতিয়া মই তেওঁলোকক কলো যে তোমালোকে Revival কৰা যদি তোমালোকে লৈ লোৱা এইটো, লৈ তোমালোকে চলোৱা। তেওঁলোকে চলাবলৈ বিচাৰিলে। কিন্তু দূৰ্ভাগ্যগত আবুদাবিৰ যিজন মানুহ ইমান ধনী মানুহ তেওঁ আকৌ বেংকাপচি হৈ গৈ তাৰপৰা আহি কেৰেলাত থাকিব লগীয়া হ'ল আৰু তেওঁকলে যে মোৰ নিজৰে বাচিব উপাই নোহোৱা হৈছে, তেওঁৰ অৱস্থা হ'লগৈ সেইটো। তাৰ পিছত আমাৰ আসম টি কৰপোৰেচনে কিনিছিলে, গতিকে এইটো তেনেকৈ ৰৈ গ'ল। তাৰ পিছত মাজত তেওঁলোক আহিছিলো, আমাৰ বিৰোধী দলপতিয়ে যিটো কৈছে যে অকল এইচ পি চি নহয় অন্য কামৰ কাৰণে, আমৰ গুৱাহাটীৰ বাওঁফালে এটা দ্বীপৰ নিচিনা আছে নহয়, সেই দ্বীপটো তেওঁলোকে পৰিভ্ৰমণ কৰিছিল, তেওঁলোকৰ প্লেন আছিল ব্ৰহ্মপুত্ৰৰ ইপাৰৰ পৰা নিজাকৈ দলং বনোৱাৰ আৰু তাত ইনটাৰনেচনেল টুৰিজ ডেষ্টিনেচন কৰিব, সেইটোও চাই গৈছে তেওঁলোকে। গতিকে এই ধৰণে কথাখিনি চলিলে। তাৰ পিছত তেওঁলোক নিজেই বেংকাপ হৈ গ'ল। বেংকাপ হৈ ৰৈ গ'ল। এতিয়া আমাৰ বিৰোধী দলপতি ডাঙৰীয়াই যিটো কথা কৈছে, এতিয়া এই লিকুইডিটৰ কথাটো হ'ল যে বিক্ৰী কৰিব লাগে বিক্ৰী কৰিলে পইচাটো পাব। সেই পইচাৰ পৰা ৰাটাৰ ফল্চ পলিচি আছে পুনেৰ পৰা এফ ডি বেচিছত এই পইছাখিনি পাব। গতিকে আমি এইটো ৰখাই আছো। তাৰ পিছত হাইকোৰ্টত এপ্ৰোছ কৰিলে কিছুমানে, হাইকোৰ্টত কলে যে তোমালোকে পত্কে লিকুয়েডিচনত যাব নোৱাৰা কোনোবা ইন্টাৰেষ্টেদ পাৰ্টী আছে যদি ইনভাইড। এনেকৈ কওঁতে আমাৰ অসমৰ কিছুমান স্থানীয় ব্যক্তিয়ে আহিছে। তেওঁলোকে মোকো লগ পাইছে। লগ পাই কৈছে যে তেওঁলোকে মিল দুটা চলাব বিচাৰিছে। আমি কৈছো ঠিক আছে চলাবা, ভালেই। তেওঁলোকৰ কন্দিচনটো হ'ল ভাৰত চৰকাৰে ৫০০ কোটি টকা দিয়ক, দৰমহা আদিৰ কাৰণে আৰু অসম চৰকাৰক ৩০০ কোটি টকা টি চি য়ে দিব আছে, গতিকে এই ৩০০ কোটি টকা আপোনালোকে মাফ কৰি দিয়ক, ৮০০ কোটি টকা হ'ল আৰু ষ্টেট বেংকৰ পৰা তেওঁলোকে ৪০০ কোটি টকা ল'ব, লৈ মিল দুটা চলাব। যি কেইটাই মিল চলাবলৈ আহিছে সেইকেইটায়ে

ঠিকাদাৰ আছিল আগতে এচ পি চি ৰ। তাৰ পিছত মই কলো আপোনালোকে invest কৰিব ক'ৰ পৰা, ভাৰত চৰকাৰে ৫০০ কোটি টকা দিব লাগে, আমাৰ অসম চৰকাৰে ৩০০ কোটি টকা ফ্রি কৰি দিব লাগে ৮০০ কোটি টকা হ'ল, মাটি আছে ৬০০০ বিঘাকৈ এটা এটা মিলত, মাটিখিনিৰো মালিক হৈ গ'ল আপোনালোকে, কালিলৈ কি ভৰসা আছে যে আপোনালোকে এইখিনি কৰি গোটেই মিল বিক্রী কৰি এই মাটি খিনিৰ মালিকী চত্ব আপোনালোকে নল'ব। তাৰ পিছত তাত পাৰ্ক কৰিব কিবা কৰিব। তেতিয়া তেওঁলোকে কলে যে নাই নাই আমি সেইটো নকৰো ভালেই কৰিম। মই কলো যে ভালেই কৰে যদি ঠিক আছে। তেতিয়া কলে যে অসম চৰকাৰৰ পৰা এক কলম লিখি দিয়ক। কি বুলি! যে হাইকোৰ্টত নেক্সট কেছটোত যাতে আমি ষ্টেণ্ড ল'ব পাৰো। যিহেতু মাটিৰ ইচ্ছু আপোনালোকে লিখি দিয়ক যে অসম চৰকাৰ আমিও stakeholder. গতিকে stakeholder হিচাপে আমিও বিচাৰিছো এই মিলটো পুনৰজীৱিত হ'ব লাগে। তেতিয়া মই তেওঁলোকক কলো যে তেতিয়াহলে আপোনালোকে এন চি এল টিৰ Liquidator ক কওক যে অসম চৰকাৰে যিহেতুকে মাটি এই পি চি ক দিছিল কাছাৰ আৰু নগাঁও পেপাৰমিলৰ কাৰণে। এই মাটিযে দিলে এই মাটি দিয়াৰ কাৰণে আপোনালোকক অসম চৰকাৰৰ ষ্টেপ এটা আছে মাটি দিয়াৰ কাৰণে, গতিকে as stakeholder what is your oppenion? এনেকৈ আপোনালোকে এটা আমাক দি দিব দিয়ক। তেওঁলোকে গধূলি কথাখিনি পাতিছে মোৰ চেম্বাৰত। তাৰ পিছত মই আয়ুক্ত ও সচিবক কলো যে এখেত সকলে যদি Liquidatorৰ চিঠিখন দিয়ে আমাৰ ফালৰ পৰা লিখি দিয়ক যে Assam Government য়ে বিচাৰো যে মিল দুটা পুনৰজীৱিত হ'ব লাগে। তেওঁলোকে কলে আজি চিঠি পঠিয়াই দিম, কিন্তু আজিলৈকে Liquidatorৰ পৰা চিঠি নাহিল।

**মাননীয় অধ্যক্ষ ঃ** ঠিকেই আছে তেনেহলে সময় বহুত হৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** ঠিক আছে, অধ্যক্ষ ডাঙৰীয়া, আমি এতিয়াও চেষ্টা কৰি আছো আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে প্ৰধানমন্ত্ৰী ডাঙৰীয়াক চিঠি লিখিছে।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পৰামৰ্শ আছে।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট, নাই নাই। বিলৰ consideration stageত বিৰোধী দলপতিয়ে কৈছে।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** মোৰ এটা পৰামৰ্শ আছে।

**মাননীয় অধ্যক্ষ ঃ** পৰামৰ্শ দিব পাৰিব কিন্তু এনেকৈ নহয়। আপুনি মাজত কিয় থিয় হয়? সদায় মই দেখো আপুনি কিয় Discipline নামানে? সবেই ভালকৈ কৈ আছে, আপুনি বহক, মন্ত্ৰীয়ে বহাৰ পিছত আপোনাৰ, আপুনি বহক। This is not the way, please sit down.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, আজিৰ দিনটোতে। মই অনেষ্টলি হাউচত।

**মাননীয় অধ্যক্ষ ঃ** এইটো আমি দিছো কিয় যে এইটো প্ৰকৃততে ইচ্ছু অফ দি বিল নহয়। তথাপি মই দিছো। ইয়াত debate নহয়, বিলৰ এটা amendment আহিছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** এইটো আমাৰ বিলৰ লগত জড়িত নহয়।

**মাননীয় অধ্যক্ষ ঃ** This is related to the State.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** বিৰোধী দলপতিৰ চকী খনৰ এটা গৰীমা আছে। গতিকে আপুনি দিয়াৰ কাৰণে মই ভাল পাইছো। এতিয়া আমি পেনডিং বিলৰ ১০০ কোটি টকাৰ কথা যে মই কলো আগতে, যে ৯০ কোটি টকা।

**মাননীয় অধ্যক্ষ ঃ** মই দিছকাচনটোত আপোনাক হাক দিছো, তেওঁলোকৰ প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ

দিব লাগে বুলি কথা নাই। এইখন debate নহয়, বিল পাছ কৰি আছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** গতিকে মই উদ্যোগ মন্ত্ৰীৰ লগত লাগি আছো। এতিয়া কভিড -১৯ হোৱাৰ কাৰণে মই যাব পৰা নাই। ১০০ কোটি টকাটো উলিওৱাৰ চেষ্টাত মই আছো।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** প্ৰস্তাৱ এটা লৈ লওঁক।

**মাননীয় অধ্যক্ষ ঃ** Please, do not discuse in this way.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** শুনক শুনক।

**মাননীয় অধ্যক্ষ ঃ** পাটোৱাৰী ডাঙৰীয়া মোলৈ address কৰক, তেখেত সকললৈ address কৰিলে তেখেতসকলে বেলেগলৈ লৈ যাব বিচাৰে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই যিখিনি কথা কও অনেচলি আৰু চিনচিয়াৰী কও। গতিকে এইটোত প্ৰস্তাৱ ল'ব নালাগে মই লাগি আছো।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** প্ৰস্তাৱ এটা লৈ লওঁক।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। This is not the way of conducting House, I am really very sorry. ঠিক আছে হৈছে।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কিছু পত্ৰ আপোনাক দি দিম এই সন্দৰ্ভত। কেৱল এটা কথা যিটো দূৰ্নীতি হ'ল তাৰ তদন্ত হ'ব লাগে HPC ৰ কাৰণ যোৱা মে' মাহৰ ১৮ তাৰিখে ১.৩০ কোটি টকা লৈ এটা ইঞ্জিন কিনা হৈছিল কাছাৰ পেপাৰ মিলত কিন্তু তেওঁলোকে তাৰ আগতে মাত্ৰ ৯৮ লাখ দিব পৰা নাই। এই গতিকে কিছু দূৰ্নীতি চলাৰ কাৰণে আচলতে অসমৰ এই উদ্যোগটো ধ্বংস হৈ গ'ল। সেই গতিকে তদন্তৰ যাতে ব্যৱস্থা হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই এতিয়া প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো।

''The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) Bill, 2020'' be taken into consideration.

যি সকল মাননীয় সদস্য/সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়'

যি সকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'

মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল।

কাৰ্য্যসূচী নং **৬** (খ)

বিধেয়কখনৰ **২** ৰ পৰা **১২** নং দফা কেইটাত সংশোধনী প্ৰস্তাৱ নাই,

এতিয়া মই বিধেয়কখনৰ **২** ৰ পৰা **১২** নং দফা কেইটা সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল - **২** ৰ পৰা **১২** নং দফা কেইটা বিধেয়কখনৰ অংশ হব।

যি সকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়'

যি সকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'

মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

**২** ৰ পৰা **১২** নং দফাকেইটা বিধেয়কখনৰ অংশ হব।

বিধেয়কখনৰ **১** নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভনত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই, এতিয়া মই বিধেয়কখনৰ **১** নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল - বিধেয়কখনৰ **১** নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হব।

যি সকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়'

যি সকল বিপক্ষে আছে তেখেতসকলে কওক ‘নহয়’

মই ভাৰো ‘হয়ৰ’ সপক্ষে, ‘হয়ৰ’ সপক্ষে, ‘হয়ৰ’ সপক্ষে,

বিধেয়কখনৰ **১** নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভ- বিধেয়কখনৰ অংশ হ’ল।

মই এতিয়া মাননীয় উদ্যোগ ও বাণিজ্য মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিধেয়কখন পাৰিত কৰাৰ আগতে এটা কথা কৈ লও। মাননীয় বিৰোধী দলপতিয়ে যিটো কথা কৈছে, মই আপোনাৰ লগত একমত কাৰণ এই বিষয়টো enquiry কৰিব লাগে মই মন্ত্ৰী হোৱাৰ পিছতে Heavy Industry Minister and in presence of CMD ক মই কৈছিলো এটা enquiry হ্‌ব লাগে central agency ৰ জৰিয়তে। যাতে corruption নিৰ্মুল কৰিব পৰা যায়।

মাননীয় অধ্যক্ষ মহোদয়, ‘‘The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) Bill, 2020’’ পাৰিত কৰা বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰস্তাৱটো হৈছে ‘‘The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) Bill, 2020’’ be passed.

যি সকল মাননীয় সদস্য/সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওক ‘হয়’

যি সকল বিপক্ষে আছে তেখেতসকলে কওক ‘নহয়’

মই ভাৰো ‘হয়ৰ’ সপক্ষে, ‘হয়ৰ’ সপক্ষে, ‘হয়ৰ’ সপক্ষে, প্ৰস্তাৱটো পাৰিত হৈছে বিধেয়কখনো পাৰিত হৈছে।

এতিয়া কাৰ্য্যসূচী নং— **৭** ।

‘‘The Assam Skill University Bill, 2020’’.

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে **২০২০** চনৰ **৩০** আগষ্ট তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো।

Under the provision of article 207 sub -clause 3 of the Constitution of India, I, Prof. Jagadish Mukhi, Governor of Assam recommends that "The Assam Skill University Bill, 2020" be taken into consideration by the Assam Legislative Assembly.

মই মন্ত্ৰী ডাঙৰীয়াক বিবেচনাৰ বাবে বিলখন উত্থাপন কৰিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Skill University Bill, 2020 বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ মই এতিয়া প্ৰস্তাৱটো সদন উত্থাপন কৰো -"The Assam Skill University Bill, 2020" be taken into consideration.

যি সকল মাননীয় সদস্য/সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওক ‘হয়’

যি সকল বিপক্ষে আছে তেখেতসকলে কওক ‘নহয়’

মই ভাৰো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৭ (খ)

বিধেয়কখনৰ ২ ৰ পৰা ৫ নং দফাকেইটা সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ ২ ৰ পৰা ৫ নং দফাকেইটা সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল - ২ ৰ পৰা ৫ নং দফাকেইটা বিধেয়কখনৰ অংশ হব।

যি সকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়'

যি সকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'

মই ভাৰো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

২ ৰ পৰা ৫ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ল।

এতিয়া বিধেয়কখনৰ ৬ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী ওয়াজেদ আলী চৌধুৰী, শ্ৰী ইলিয়াছ আলী, শ্ৰী শ্বেৰমান আলী আহমেদ, শ্ৰীমতী ৰ'জলীনা তিৰ্কী, শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, শ্ৰী দুৰ্গা ভূমিজ, শ্ৰী ৰূপজ্যোতি কুৰ্মী আৰু শ্ৰী জাকিৰ হুছেইন সিকদাৰৰ নামত দুটা সংশোধনী আছে। মই সংশোধনী কেইটা উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, In Sub-clause (a) of the proposed Bill after the word 'research' appearing in line 1 and before the word 'in' appearing in line 2 the words 'in all sectors under National Skill Qualification Framework (NSQF),' and after the word 'etc.' appearing in line 5 and before the word 'and' appearing in line 6 the words 'with special emphasis on traditional areas of folk skills such as bamboo and cane, bell metal, handloom, boat making, pottery, traditional food processing etc. that are part and parcel of traditional way of life of Assam and the rest of North-East India' shall be inserted accordingly.

মাননীয় অধ্যক্ষ মহোদয়, আজি দুদিনমান আগত 'মন কি বাত' ত প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াই থলুৱা পুতলা উদ্যোগৰ কথা যথেষ্ট কৈছিল। গতিকে যিহেতু আত্মনিৰ্ভৰ ভাৰত, আত্মনিৰ্ভৰ অসম থলুৱা উদ্যোগক উৎসাহ জনোৱাৰ কথা আছে, সেই গতিকে Skill University উত্তৰ পূৰ্বাঞ্চল আৰু অসম এই থলুৱা যিখিনি কলা-কৌশল উদ্যোগ এই বিলাকৰ বাবে বিশেষকৈ উল্লেখ থাকিব লাগে বুলি অনুৰোধ কৰিছো।

দ্বিতীয়তো হৈছে - In Sub-clause (t) of Clause 6 of the proposed Bill in between the word 'youth' and the punctuation mark 'semi colon' appearing in last line the words 'to establish business tie ups with other industry partners to facilitate post training placements, to develop new business infrastructure on PPP to impart quality practical training, value addition etc' shall be added.মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যোৱাকালি Skill Department ৰ সুদক্ষণাময় App ৰ কথা কৈছিল যিটোৰ যোগেদি যিসকল skilled worker বা যিসকল নতুন skill লব বিচাৰে তেখেতসকলক চৰকাৰে সুবিধা দিব। এতিয়া University ৰ পৰা গোটেই বিলাকে skill পাবহৈ, অসমত যিহেতু বহুত

উদ্যোগ নাই, অতি শোচনীয়, যদিও উদ্যোগৰ বাবে চৰকাৰে বহুতো চেষ্টা কৰি আছে। সেই বাবে বাহিত নিশ্চিত ভাৱে training লাগিব আৰু placement টো বাহিত হব পাৰে। সেই গতিকে এই কথাখিনি যদি থাকে আৰু বিভিন্ন উচ্চমান উদ্যোগৰ লগত চুক্তিৰ ব্যৱস্থাটো থাকে, তেতিয়া হ'লে Skill University ৰ কামৰ সুবিধা হব বুলি অনুভৱ কৰি এই সংশোধনীতো দাখিল কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলপতি গৰাকীয়ে যিটো সংশোধনী আনিছে, মই এই ক্ষেত্ৰত দুটা কথা কব বিচাৰিছো যে প্ৰথম সংশোধনীত তেখেতে যিটো কথা কৈছে bamboo and cane, bell metal, handloom, boat making, pottery, traditional food processing etc. এই Act খনৰ pre-amble ত এই গোটেইখিনি কথা ইয়াত সোমাই আছে। preamble ত কি কোৱা আছে যে whether it is the expedient to establish and incorporate the limited and multi disciplinary skill industry in the state of Assam to facilitate and promote skill । দ্বিতীয়া সংশোধনীতো ইয়াত সোমাই আছে যে industry ৰ লগত tie up কৰিব লাগে। এইটো obviously থাকিব। তাৰ লগত মই আৰু এটা যোগ দিছো সংশোধনীত যে to promote skill and entrepreneurship আমি কৈছো যে অকল employee হব নালাগে, employer ও হব লাগে, skilled হব লাগিব। গতিকে আপোনাৰ যিটো কথা আছিলে industry ৰ লগত tie up সেইখিনি আছে। কিন্তু industry ৰ tie up লগত আমাৰ entrepreneurship development ৰ কথাও কৈছো। The skill base education in an integrated manner with higher education and to address the gap of the institutional delivery frame work in the skill education. গতিকে তাত আমি কৈছো to facilitate reach emerging areas of agriculture, food processing আৰু যিটো traditional ৰ যিটো কথা কৈছে, সেইটো ইয়াত সোমাই থাকিব। গতিকে food processing, plastic, petro-chemicals, design, logistic, textile, transportation, Automation, health care, tourism etc. এইখিনি আমি ইয়াৰ লগত আমি দিছো।

মাননীয় অধ্যক্ষ মহোদয়, চিংগাপুৰৰ লগত আমাৰ MOU আছে। মই মাননীয় অধ্যক্ষ মহোদয়ৰ লগতে সদনৰ সকলো সদস্যকে অনুৰোধ কৰো কেতিয়াবা চিংগাপুৰ ভ্ৰমণলৈ গলে Nanyang Polytechnic খন visit কৰিব। Nanyang Polytechnic ত আমাৰ যি MRI মেচিন আছে, সেই মেচিনতো তাত কি কৰিছে যে MRI মেচিনৰ পৰা যিখিনি পাব লাগে পাইছে তাৰোপৰি তাতকৈ update version বিচাৰিছে। update version ৰ কাৰণে Nanyang Polytechnic ৰ মেচিনতো তেওঁলোকক যি যি লাগে, design কৰি পেলাই সকলো ধৰণ technology কৰি কোম্পানীলৈ পঠাই দিয়ে। কোম্পানীয়েও polytechnic খনত এজনক deputation ত পঠাই দিয়ে। নতুন মেচিন আহি যোৱাৰ লগে লগে তাত যি ৪ শ লৰা -ছোৱালীয়ে পঢ়ি আছে, তেওঁলোকে অতি সোনকালে পৃথিৱীৰ বিভিন্ন ঠাইত নিযুক্তি পাই যায়। গতিকে তেওঁলোকৰ এখন Polytechnic কে সেই পৰ্য্যায়লৈ নিৰক্ষণ দিছে।

দ্বিতীয়া কথাটো আমি ইয়াত আৰু এটা কথা কৈছো section 4 sub -clause (n) ত to pursue any other subject as may be prescribed মাননীয় অধ্যক্ষ মহোদয়,

মাননীয় বিৰোধী দলপতি ডাঙৰীয়াই যিকেইটা কথা কৈছে বৰ্তমানৰ Assam Skill Development Mission ত আমাৰ ৰাজ্যখনৰ আৰু সকলোৰে দূৰ্ভাগ্য যে যিসকল লৰা -ছোৱালী বহুত আগবাঢ়ি গৈছিলে, কভিডৰ কাৰণে পিছ পৰি গ'ল। তাত আমাৰ ১৪৮ trade চলি আছিলে। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তেদি মাননীয় বিৰোধী দলপতি ডাঙৰীয়াক জনাব বিচাৰিছো যে সংশোধনী তেখেতে আনিছে। আমাৰ National Skill qualification frame work তাতে ১২ শ trade । গতিকে আমি এই সকলো ১২ শ trade কৰিব পাৰিম। স্থানীয় sentiment যেনে traditional food ইত্যাদি বিলাককো আমি গুৰুত্ব দিছো। ২০১৯ চনত আমি Assam Skill Development Mission for the first time National competition আহিছে। মাজুলীৰ মুখা regional level ত উৰিষ্যা আৰু national level ত দিল্লী মুখা প্ৰদৰ্শণ কৰিছো। ভাৰতৰ সকলোৱে মাজুলীৰ মুখা খূব ভাল পাইছে। গতিকে দলপতি ডাঙৰীয়াই যি দুটা সংশোধনী আনিছে ইয়াত clearly আছে। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনালোকক জনাব বিচাৰিছো যে এই Skill University খন কৰিবৰ কাৰণে Ministry of External Affairs, Ministry of Home Affairs, Employment exchange আৰু নীতি আয়োগৰ পৰাও অনুমতি লৈছো।

এই অনুমতিৰ প্ৰয়োগ কিয় ?

যাতে ইয়াত পঢ়িলে লৰা-ছোৱালী বিলাকে বিদেশলৈ যাব পাৰে। পৃথিৱীৰ বিভিন্ন ঠাইলৈকে যাব পাৰে। সেই কাৰণে Skill Development Mission ত আমি এতিয়া Japanese language শিকোৱাত আৰম্ভ কৰিম। কাৰণ জাপানত ইমাত পইচা আছে, খৰছ কৰিবলৈ ঠাই নাই আৰু ইমান চাকৰি আছে কাম কৰিবলৈ মানুহ নাই। গতিকে জাপানৰ কোম্পানিসমূহৰ লগত আমি আলোচনা কৰিছিলো। তেওঁলোকে কৈছে আপোনালোকৰ ১০ লাখ, ২০ লাখ যিমানে লৰা-ছোৱালী হওঁক কথা নাই, জাপানৰ ভাষাতো শিকাই দিয়ক। জাপানি ভাষাতো শিকাৰ পিছত আমাৰ কোম্পানী বিলাকত চাকৰি দিম। এইবাৰ Japanese language Skill Development ত লৈছো। এই University আমি এটা ডাঙৰ vision লৈ কৰিব বিচাৰিছো। মই মাননীয় অধ্যক্ষ মহোদয়ক লৈ সদনৰ সকলো সদস্যকে অনুৰোধ কৰিছো এই University খন আমি কৰিবলৈ গৈছো, তাতে সকলোৱে সহায় সহযোগিতা বিচাৰিছো। আপোনালোকৰ যিখিনি নিজৰ নিজৰ চিন্তা চৰ্চা থাকে আপোনালোকে ইয়াত share কৰিব পাৰে। Because this University will be the centre of excellance in the country. ইয়াৰ কাৰণে Asian Development Bank ৰ পৰা ৯ শ কোটি টকা পাইছো। যদিও কভিডৰ কাৰণে sign হোৱা নাই, কিন্তু পাই যাম। ভাৰত চৰকাৰক আমি ধন্যবাদ দিছো External exibit যি বিলাক project landing হোৱা নাছিল, য'ত অসমৰ বাহিৰে সকলো ৰাজ্যৰ পইচা ঘুৰাই নিচে। গতিকে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ দিছো। এই University খনত আপোনালোকৰ সকলোৰে সহযোগ বিচাৰিছো যাতে এই University খনক International level লৈকে লৈ যাব পাৰো।

গতিকে মই ভাৱো মাননীয় বিৰোধী দলপতি ডাঙৰীয়াই সংশোধনীতো উঠাই লব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই এতিয়া সংশোধনী প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিব খুজিছো। সংশোধনী প্ৰত্যাহাৰ হৈছে। সেই কাৰণে দফা নং ৬ বিধেয়কখনৰ অংশ হব।

যি সকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়'

যি সকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'

মই ভাৰো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

৬ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ **৭** ৰ পৰা **৩৫** নং দফাকেইটাত সংশোধনী প্রস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ **৭** ৰ পৰা **৩৫** নং দফাকেইটাত সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রশ্নটো হ'ল -

**৭** ৰ পৰা **৩৫** নং দফাকেইটাত বিধেয়কখনৰ অংশ হব।

যি সকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়'

যি সকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'

মই ভাৰো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

**৭** ৰ পৰা **৩৫** নং দফাকেইটাত বিধেয়কখনৰ অংশ হল বুলি মই ঘোষণা কৰিছো।

বিধেয়কখনৰ **১** নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ, আৰু আৰম্ভণত কোনো সংশোধনী প্রস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ **১** নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ, আৰু আৰম্ভণ সদনত দাঙি ধৰিলো।

প্রশ্নটো হ'ল -

বিধেয়কখনৰ **১** নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ, আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হব।

যি সকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়'

যি সকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'

মই ভাৰো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

বিধেয়কখনৰ **১** নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ, আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হৈছে।

মই এতিয়া মন্ত্রী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্রস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

মই ভাবো আমাৰ ভৱিষ্যতৰ বাবে এটা জাতি গুৰুত্বপূর্ণ বিষয় যে বিধেয়ক খন পাৰিত কৰা হৈছে বুলি ঘোষণা কৰিব পাই ভাল পাইছো। মই এইখিনিতে সদস্য সকলক মনত পেলাই দিব বিচাৰিছো যে ২০১৭ চনত এই স্কিলৰ ওপৰত এটা আলোচনা হৈছিল। কোনোবা এজনৰ শূণ্যকালীন সময়ত। মই proceedings ত চাইছিলো বহুত দীঘলীয়া আলোচনা হৈছিল। ইয়াত প্রদীপ হাজৰীকা আৰু অন্যান্য সদস্য সকলেও ইয়াৰ ওপৰত বক্তব্য ৰাখিছিল। সেই আলোচনা যথেষ্ট ফলপ্রসু আছিল। সেয়েহে আজি এই skill bill খন পাছ হোৱাৰ কাৰণে মই সকলোকে ধণ্যবাদ জনাইছো আৰু লগতে মন্ত্রী ডাঙৰীয়াকো এই Bill খনৰ পৃষ্ঠপোষকতা কৰা কাৰণে তেখেতকো মই ধণ্যবাদ জনাইছো। এতিয়া 'The Moran Autonomous Council Bill, 2020". এতিয়া মই অসমৰ ৰাজ্যপাল মহোদয়ে এটা বানী পঠিয়াইছে এই বাণীটো মই পঢ়ি দিছো-"Under the provision of Article 207 sub-clause (3) of the Constitution of India,I, Prof. Jagdish Mukhi, Governor of Assam, recommend that **The Moran Autonomous Council Bill, 2020** be taken into consideration by the Assam Legislative Assembly. এতিয়া মন্ত্রী ডাঙৰীয়াই এই ক্ষেত্রত এই Bill খন বিবেচনাৰ বাবে প্রস্তাৱ উত্থাপন কৰিব। এতিয়া মন্ত্রী ডাঙৰীয়াই কব।

**Sri Chandan Brahma, Minister :** মাননীয় অধ্যক্ষ মহোদয়, **The Moran Autonomous Council Bill, 2020** বিবেচনা কৰাৰ বাবে মই সদনত প্রস্তাৱ উত্থাপন কৰিলো।

**Shri Rakibul Hussain, Member :** মাননীয় অধ্যক্ষ মহোদয়, **The Moran Autonomous Council Bill, 2020 .** এই Bill খন আজি সদনত বিৱেচনাৰ কাৰণে দিছে। এই বিৱেচনাৰ সময়ত আমি আপোনাক দুটা মান কথা কব বিচাৰিছো। ইন প্ৰিন্সিপুল নীতিগত ভাৱে আমি **The Moran Autonomous Council Bill, 2020** খন গ্ৰহণ কৰিছো। গতিকে ইয়াত আপত্তি কৰাৰ প্ৰশ্ন নাহে। কিন্তু আমি কেৱল মনত পেলাই দিব খুজিছো যে, এই চৰকাৰ অহাৰ আগত অসমৰ ৰাইজক যি প্ৰতিশ্ৰুতি দিছিল, তাৰ অন্যতম এটা প্ৰতিশ্ৰুতি আছিল ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰা। মৰাণ, মটক, কোছ ৰাজবংশী, আহোম ,চুটিয়া, Tea Community আদি সকলোকে লৈ জনজাতিকৰণ কৰাটো এটা অন্যতম তেওঁলোকৰ প্ৰতিশ্ৰুতি আছিল। এতিয়া বহু কাকতত লিখিছে যে এই **Autonomous Council** এটা টোপ নেকি ? এই **Autonomous Council** এটা লজেঞ্চ নেকি ? বিভন্ন ধৰণৰ বিশেষনীয় বিশেষন উত্থাপন কৰিছে। সেয়েহে আমি অসম চৰকাৰক অনুৰোধ কৰিছো যে **Autonomous Council** বা উন্নয়ন পৰিষদ বা বাকী যিবোৰ কৰিছিল সেইবোৰৰ অৱস্থা খুব বেয়া। এই চৰকাৰৰ দিনত আমি দি দিম। যিদৰে এই উন্নয়ন পৰিষদ আৰু **Autonomous Council** ক চৰকাৰে বিভিন্ন সময়ত সহায় কৰিব লাগিছিল সেইধৰণে অনুদানকে আদি কৰি কিন্তু সেইবোৰ দিয়া নাই। এতিয়া মৰাণ, মটক, কোছ ৰাজবংশী, আহোম,,চুটিয়া, Tea Community আদি যি সকলক লৈ জনজাতিকৰণ কৰাৰ কথা আছিল, চৰকাৰখনৰ এই যি কাৰ্যকাল আছে, এই সময়ছোৱাত জনজাতিকৰণ কৰা হ'বনে নহয় ? জনজাতিকৰণ কৰাৰ বাবে কিবা Committee কৰিছে , কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াব, এতিয়ালৈ মন্ত্ৰী পৰিষদে পঠোৱা নাই, এনেকুৱা ধৰণৰ কথা- বতৰাবোৰ কাকত -পত্ৰত ওলাই আছে। গতিকে এই কথাটো অতি গুৰুত্বপূৰ্ণ যে Autonomous Council কৰিয়েই ক্ষান্ত থাকিবনে নে কিবা ব্যৱস্থা গ্ৰহণ কৰিব ? নিৰ্বাচনৰ প্ৰাকমূহুৰ্তত ৰাইজক প্ৰলোভিত কৰাৰ এইটো এটা নিৰ্বাচনি টোপ বুলি বহুতে ক'ব বিচাৰে। গতিকে অধ্যক্ষ মহোদয় আপোনাৰ জড়িয়তে মই জানিব বিচাৰিছো, যে এই Community কেইটা লৈ যি কেইটা Council কৰিছে, সকলো লোকক লৈ কৰিছে নে কোনোবা এটা নিৰ্দিষ্ট ঠাইক লৈ কৰিছে। মৰাণ Autonomous Council কথাখিনিক লৈ মই কোৱা নাই। পিছতো আৰু আছে মই একেলগে ক'ম। সকলো Community কৰবাত এঠাইত আছে এঠাইত নাই, এইটো Satellite type হ'ব বাকীবিলাক কোঁচ-ৰাজবংশীৰ ক্ষেত্ৰত, নে আপোনালোকে অকল এখন ঠাইৰ ভিত্তিত কৰিছে। এইবোৰ কথাও উত্থাপিত হৈছে। যিবোৰ ঠাইত কৰা হৈছে BTC অঞ্চলত থকা কোঁচ- ৰাজবংশী সকলে তেওলোকক কৰিব লাগে বুলি বিচাৰি আছিল। সেইখিনিও সাঙুৰি লৈছে নে নাই, নে ভাগ ভাগ কৰি তেওঁলোকক সৰু কৰি পেলাইছে। গোটেই Community টো ইয়াৰ দ্বাৰা উপকৃত হ'বনে নহয় সেইটো জানিব বিচাৰিছো। গতিকে জনজাতিকৰণৰ ক্ষেত্ৰত চৰকাৰৰ যিখিনি প্ৰতিশ্ৰুতি আছিল, সেইখিন এই চৰকাৰৰ দিনত হ'বনে নহয় মই জানিব বিচাৰিছো।

**Shri Satyabrat kalita, Member :** অধ্যক্ষ মহোদয়, আজিৰ দিনতো এটা ঐতিহাসিক দিন। কিয়নো Skill University ৰ Bill passed হ'ল লগতে অসমৰ তিনিটা বৃহৎ খিলঞ্জীয়া জনগোষ্ঠীৰ মৰাণ, মটক আৰু কোঁচ-ৰাজবংশীৰ ওপৰত তিনিখনকৈ Bill উত্থাপন হ'ব।আমি আনুষ্ঠানিক সংশোধন আনিলো কিন্তু এই Bill খনৰ ওপৰত আপোনাৰ অনুমতি লৈ দুটামান পৰামৰ্শ দাঙি ধৰিব বিচাৰিছো। আজি এটা ভাল দিনত আমি কিছুমান অশুভ কথা আলোচনা নকৰাই ভাল। এই ছয় জনগোষ্ঠীৰ জনজাতিকৰণ হ'ব লাগে আৰু এইটো আমাৰ সকলোৰে দাবী।

কিন্তু এই ছয় জনগোষ্ঠী কেইটাৰ জনজাতিকৰণ নোহোৱালৈকে আমি তেওঁলোকৰ কাৰণে একোৱে নকৰিম তেনেকুৱা কথা হ'ব নোৱাৰে। গতিকে আজি আমি এটা শুভ দিনত এই তিনিওটা জনগোষ্ঠীক যি অধিকাৰ দিব বিচাৰিছো, তাৰ কাৰণে চৰকাৰখনক ধন্যবাদ জ্ঞাপন কৰিছো আৰু দুটামান পৰামৰ্শ আনিব বিচাৰিছো। পৰামৰ্শটো হ'ল , মৰাণৰ ক্ষেত্ৰত page No.2, 5 (D) ত আছে "One Chief Executive of Councillor of the Executive Council"আমি বিচাৰিছো তাত এগৰাকী Deputy Chief Executive Councillor হ'ব লাগে। (D) টো তেতিয়া অ'টোমেটিকেলি নিশ্চয় 'ই' লৈ আহিব। আন এটা page No.6. আছে, য'ত আমি তেওঁলোকক কি কি বিভাগ সমূহৰ অধিকাৰ প্ৰদান কৰিম। তেওঁলোকক যি ক্ষমতা দিয়া হ'ব, তাত আমি P & R.D Department আৰু Skill Development এই দুটা বিভাগ অন্তৰ্ভুক্ত কৰাতো বিচৰিছো। গতিকে মই আশা কৰো এইখিনি সংশোধন দিলে ভাল হয়। আমি ইয়াত One Chairman দিছো Deputy Chairman আছে ,Chief Councillor থাকিব, গতিকে Deputy Councillor থকাটো আমি বিচাৰিছো। এইখিনি পৰামৰ্শ আমাৰ পৰা থাকিল।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** অধ্যক্ষ মহোদয়, ইয়াত মৰাণ অট'নোমাচ কাউন্সিল, মটক অট'নোমাচ কাউন্সিল আৰু কোঁচ-ৰাজবংশী অট'নোমাচ কাউন্সিল এই তিনিটাৰ কাৰণে চিট এলোকেশ্যন দিয়া হৈছে। মৰাণ অট'নোমাচ কাউন্সিল ক ২২ খন আসন,মটক অট'নোমাচ কাউন্সিলক ২২ খন আসন আৰু কমতাপুৰ অট'নোমাচ কাউন্সিলৰ কাৰণে ২৬ খন আসন আৱন্টন দিয়া হৈছে । এই আসন আৰু সমষ্টিবোৰ যে ইয়াত নিৰ্দিষ্ট কৰি দিয়া হ'ল আচলতে আমি ইয়াত কোনো আভাস নাপালো যে জনসংখ্যা ভিত্তিত নে অঞ্চল ভিত্তিত সমষ্টিবোৰ নিৰ্দ্ধাৰণ কৰা হ'ল। ইয়াত কোনটো অঞ্চলত ২৬ টা সমষ্টি কৰিব পাৰি বা মৰাণ কাউন্সিলৰ কাৰণে ২২ টা সমষ্টি কৰিব পাৰি। এই ক্ষেত্ৰত জনসংখ্যা ভিত্তিত কৰা হ'ল নে কিহৰ ভিত্তিত লোৱা হ'ল। আসনবোৰ কেনেকৈ ডিভিজন কৰা হ'ল, সেইটো মই জানিব বিচৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিজ।

**শ্ৰী চন্দন ব্ৰহ্ম (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Moran Autonomous Council Bill, 2020 তথা Autonomous Council সৃষ্টিৰ কথাটো লৈ পেলাই একেলগে তিনিওখন কাউন্সিল , মৰাণ, মটক,আৰু কমতাপুৰ অট'নোমাচ কাউন্সিল ,এই বিষয়ত সন্মানীয় সদস্য হুছেইন ডাঙৰীয়াই যিটো কথা কৈছে যে ইয়াতে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ কথাটো ইয়াতে সমাপ্ত হ'ব নেকি নে ফালৰি কাতি কোনোবা ফালে লৈ যাব বিচাৰিছে নেকি ? আমাৰ এইটো এটা স্পষ্ট বক্তব্য তথা সিদ্ধান্ত । এইটোৰ লগত এই ছয় জনগোষ্ঠীৰ কথাটোৰ কোনো সামঞ্জস্য নাই। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো আগুৱাই আছে আৰু এইটো আগুৱাই যাব। এইটোৰ কাৰণে সেইটো এটা Substitute হ'ব নোৱাৰে। এই কথাটো মই স্পষ্ট কৰি দিলো আৰু এৰিয়াৰ যিটো কথা কৈছে, সমগ্ৰ অঞ্চলটো বা চেটেলাইট কি, কোনটো কনচেপ্টত হ'ব এই গোতেই বিষয়বিলাক এটা এটাকৈ আলোচনা কৰিব পৰা যায় নে একেবাৰে ৰিপ্লাই আকাৰত কথাটো কোৱা ভাল হ'ব অধ্যক্ষ মহোদয় !

**মাননীয় অধ্যক্ষ ঃ** একেলগে ৰিপ্লাইটোত কিবা থাকিলে লৈ ল'ব, তেতিয়া সুবিধা হ'ব ।

**শ্ৰী চন্দন ব্ৰহ্ম (মন্ত্ৰী)ঃ** কিছুমান সংশোধনী প্ৰস্তাৱও আছে, কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ পৰা।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলাম ডাঙৰীয়া , যিহেতু মৰাণ, মটক বা বিভিন্ন জনগোষ্ঠীৰ কথা

ওলাইছে গতিকে তিনিওখন বিলৰ ওপৰত একেলগে আলোচনা কৰিব পাৰো। আমি পাচ কৰোতে ভাগ ভাগ কৰি কৰিম।এতিয়া তেখেতে যিখিনি কয় কৈ দিয়ক, যেতিয়া এমেণ্ডমেন্ট এটা আহিব, যদি সেইটোত আপোনালোকৰ কিবা আৰু জানিবলগীয়া আছে তেতিয়া সুধিব ন'হলে প্ৰত্যাহাৰকৰিব। কৰিব। মিনিষ্টাৰ কওঁক।

**শ্ৰী চন্দন ব্ৰহ্ম (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, হুছেইন ডাঙৰীয়াৰ কথাতো মই স্পষ্ট কৰি দিলো যে ইটোৰ লগত সিটোৰ কোনো সামঞ্জস্য নাই। যিটো সংশোধনী তথা পৰামৰ্শ আমাৰ কলিতা ডাঙৰীয়াই কৈছিল যে কিছুমান **Work power function** আৰু **Deputy Chairman**ৰ কথা আপুনি যিটো পৰামৰ্শ দিছে, এইটো বৰ বেছি ডাঙৰ কথা নহয় আৰু সেই পৰামৰ্শটো আমি গ্ৰহণ কৰিম। এতিয়া অঞ্চল বা এৰিয়া আৰু ইয়াৰ যিটো **Constituency member** কেনেকৈ **define** কৰিছে ,যিটো সদস্য ডাঙৰীয়াই কৈছে যে মৰাণ, মটকৰ কথাটো হ'ল আমাৰ উজনি অসমৰ। কমতাপুৰ তথা কোঁচ-ৰাজবংশী অধ্যুষিত অঞ্চল, **basic principle** টো হ'ল অবিভক্ত গোৱালপাৰা জিলা। সেই অবিভক্ত গোৱালপাৰা জিলাৰ ৰাভা হাচং অট'নমাছ কাউঞ্চিল হৈ পেলাই যিটো বাকি থাকিছিল আৰু বড়োলেণ্ড টেৰিটৰিয়েল কাউঞ্চিল সৃষ্টি হৈ পেলাই বাকী যিটো অবিভক্ত গোৱালপাৰা অঞ্চল, এইটোক সামৰি কমতাপুৰ অট'ন'মাছ কাউঞ্চিল। এইটো আমাৰ বিলত স্পষ্ট কৰা আছে। এতিয়া মুঠ নম্বৰৰ কথাটো হ'ল , গাওঁ আৰু যিটো জনসংখ্যা সেইটো যেতিয়া আমি সম্পূৰ্ণকৈ আনিব পাৰিম ,তেতিয়া ইয়াৰ সমষ্টি নিৰ্ধাৰণ তথা ইয়াৰ যিজন কাউন্সিলৰ প্ৰতিনিধি এই কথাটো আমি তেতিয়া ফাইনেন্সত দিব পাৰিম আৰু তাত হয়তো কিছু .আৰু এডিচন হোৱাৰ সম্ভাৱনাটোও দেখা যায়। এইটো যেতিয়া আমি গাওঁ আৰু জনসংখ্যাৰ ভিত্তিত লৈ আহিম। এইটো হ'ল **basic** কথা।

**শ্ৰী ৰকিবুল হুছেইন ঃ** তেখেতে যিটো কথা কৈছে, সেইটোত আমাৰ আপত্তি নাই। মই আগতেই কৈছো যে **in principle** আমি **agree** কৰিছো। কিন্তু জানিব বিচাৰিছো যে আমাৰ অট'ন'মাছ কাউঞ্চিলৰ লগত জনজাতিকৰণৰ কোনো সমন্ধ নাই বুলি কৈছে। এতিয়া জনজাতিকৰণ হৈ গলে অট'ন'মাছ কাউঞ্চিলখন থাকিবনে নাথাকে সেইটো অকনমান স্পষ্টকৈ কলে ভাল হয়। কাৰণ সম্বন্ধ নাই বুলি কৈছে, দুটা বেলেগ বুলি কৈছে। দ্বিতীয়তে, তেওঁ কৈছে কোঁচ-ৰাজবংশীৰ কথা। কোঁচ-ৰাজবংশী আমাৰ নগাওঁ ৰ লগতে বিভিন্ন ঠাইত আছে। সেই মানুহখিনিক সাঙুৰি লবনে নলয়? বাকী অবিভক্ত গোৱালপাৰাখিনিত, বিটিচি, ৰাভাহাচংটো বাদ হ'বয়। আমাৰ মাজুলিকে ধৰি বাকী অঞ্চলবিলাকত সিচৰিত হৈ থকা কোচ-ৰাজবংশী মানুহখিনিক অট'ন'মাছ কাউঞ্চিলত সাঙুৰি ল'ব নাই স্পষ্টকৈ কৈ দিলে ভাল হয়।

**শ্ৰী চন্দন ব্ৰহ্ম (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই. basic principle ৰ কথাতো কৈছো। আলোচনা-বিলোচনা কৰি এই প্ৰপ'জেলটো কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰা হ'ল । Basic principle, আকৌ মই দোহাৰিছো যে অবিভক্ত গোৱালপাৰা কমতাপুৰ কাউঞ্চিলৰ ক্ষেত্ৰত। আৰু আমাৰ মৰাণ আৰু মটক অট'ন'মাচ কাউঞ্চিলৰ ক্ষেত্ৰত উজনিৰ আৰু ছয় জনগোষ্ঠীৰ জনজাতিকৰণ হ'লে কাউঞ্চিলখন থাকিবনে নাই সেইকথাটোৰো মোৰ মতে সামঞ্জস্য নাই, কাৰণ কমতাপুৰ অট'ন'মাচ কাউন্সিলটো এটা পলিটিকেল কাউঞ্চিল this will remain as it is

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী চন্দন ব্ৰহ্ম (মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, এটা অনুৰোধ যে যদি বাকীখিনিটো চেটেলাইট টাইপত সাঙুৰি লব পৰা যায় তেতিয়া সেই মানুহখিনি উপকৃত হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। 'The Moran Autonomous Council Bill, 2020 be taken into concideration. যিসকল ইয়াৰ সপক্ষে আছে কওঁক হয়, যিসকল বিপক্ষে আছে, কওঁক নহয়। মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে। প্ৰস্তাৱটো গৃহীত হৈছে । এতিয়া বিধেয়কখনৰ ২ পৰা ৫৯ নং দফাকেইটাৰ সংশোধনীৰ কোনো প্ৰস্তাৱ নাই। মই বিধেয়ক খনৰ এই দফাকেইটা অংশ হ'ব বুলি ঘোষণা কৰিব বিচাৰিছো। যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' , যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২ পৰা ৫৯ নং দফাকেইটা বিধেয়কৰ অংশ হৈছে। বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে মই প্ৰস্তাৱটো উত্থাপন কৰিছো যে, বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' , যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিলো। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী চন্দন ব্ৰহ্ম (মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, 'The Moran Autonomous Council Bill, 2020 খন পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো উত্থাপন কৰিছো, 'The Moran Autonomous Council Bill, 2020 be passed**.** যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' , যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱ পাৰিত হৈছে আৰু বিধেয়কখ- পাৰিত কৰা হৈছে।

**শ্ৰী সত্যব্ৰত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা পৰামৰ্শ আগবঢ়াইছিলো আৰু মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে, একো অসুবিধা নাই।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসুবিধা নাই। আজিটো আপুনি Amendment দিয়া নাই। গতিকে এনেকৈ Consideration ত আপুনি Amendment দিলে নহ'ব। তেখেতে যিটো কৈছে I think, on record কৈছে। গতিকে definitely he will look into in future. এতিয়া মই ভাৱো next Bill লৈ যাওঁ। 'The Matak Autonomous Council Bill, 2020**.** ৰাজ্যপাল মহোদয়ে যিটো বাণী আমালৈ প্ৰেৰণ কৰিছে, সেইটো মই পঢ়ি দিছো। "Under the provision of Article 207 sub-clause (3) of the Constitution of India,I, Prof. Jagdish Mukhi, Governor of Assam, recommend that The Matak Autonomous Council Bill, 2020 be taken into consideration by the Assam Legislative Assembly. মই মন্ত্ৰী ডাঙৰীয়াক বিলখন consideration ৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীচন্দন ব্ৰহ্ম, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Matak Autonomous Council Bill, 2020 বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কেইবাখনো Autonomous Council ৰ বিল পাৰিত হ'ব। এইক্ষেত্ৰত যিকেইটা জনগোষ্ঠীক দিয়া হ'ব, সেই জনগোষ্ঠীসমূহে আজি বহুদিন ধৰি জনজাতিকৰণৰ দাবী কৰি আহিছে আৰু অসম বিধান সভাতো এই সন্দৰ্ভত পূৰ্বে সৰ্বদলীয় প্ৰস্তাৱ পাঠ কৰাও হৈছিল। একেবাৰে শেষত ১০ নবেম্বৰ,

২০১৪ চনত অসম বিধান সভাৰ সন্মানীয় অধ্যক্ষ প্ৰণৱ কুমাৰ গগৈ ডাঙৰীয়াৰ নেতৃত্বত Union Minister of Tribal affairs, New Delhi, Jual Oram ডাঙৰীয়াক এখন স্মাৰক পত্ৰ অসম বিধান সভাৰ সকলো বিলাক সদস্যৰ হৈ, বিভিন্ন দলৰ হৈ বি পি এফ, এ জি পি, এ ইউ ডি এফ, বি জে পি, আই এন চি সকলোৰে দিছিল। এই সময়ছোৱাৰ ভিতৰতে বিগত চৰকাৰে মুঠ ২৭ খন Development Council গঠন কৰিছিল আৰু এতিয়া **Autonomous Council** সোনোৱাল, ঠেঙাল, দেউৰী, মিচিং, তিৱা আদি সম্প্ৰদায়ৰ বাবে আৰু আজি নতুনকৈ কমতাপুৰ আৰু অন্য সকলৰ বাবে ইয়াত কৈ আছে। অধ্যক্ষ মহোদয়, যেতিয়া আমাৰ অসম বিধান সভাৰ তৰফৰ পৰা দিল্লীত স্মাৰক পত্ৰ প্ৰদান কৰা হ'ল, তাৰ ৰিপ্লাই স্বৰূপে Jual Oram ডাঙৰীয়াই ২৪ নবেম্বৰ, ২০১৪ চনত সেই সময়ৰ অধ্যক্ষ প্ৰণৱ কুমাৰ গগৈ ডাঙৰীয়ালৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল। সেই পত্ৰখনত তেখেতে গোটেই কেইটা জনগোষ্ঠীৰ কি আছে, কি নাই সবিশেষ উল্লেখ কৰিছিল। উদাহৰণ স্বৰূপে কোঁচ ৰাজবংশীৰ ক্ষেত্ৰত ৩ বাৰ Ordinance দাখিল কৰা হৈছে। টাই-আহোম, চুতীয়া, মটকসকলৰ ক্ষেত্ৰত ১৯৮২, ১৯৯৫, ১৯৯৭, ২০০৫, ২০০৬ চনত R.G.I. য়ে regret কৰিছে। মৰাণৰ ক্ষেত্ৰত ১৯৯১, ১৯৯৫, ১৯৯৭, ২০০০, ২০০৫ চনত আৰু চাহ-জনগোষ্ঠীৰ ক্ষেত্ৰত ১৯৭৮, ১৯৮১, ১৯৯৫, ২০০৫, ২০০৬, ২০১৪ চনত R.G.I. য়ে regret কৰিছে। আমাৰ সৰ্বদলীয় স্মাৰক পত্ৰখনত কোৱা হৈছিল যে-The House of people at its sitting on 2nd August, 1996 authorised the Speaker to refer the Bill to a Select Committee and accordingly, a Select Committee constituted to look into the claim of differenet communities of Assam including Koch Rajbongshi. ইয়াৰ ৰিপ'ৰ্টত এটা কথা উল্লেখ কৰিছে যে- usually consult the Register General of India because they were supposed to have the knowledge about the census data, ethnographic and anthropological material about caste and community. তাৰ পিছত এই Select Committee, যাক Miniature House of People বুলিও কোৱা হয়, তেওঁলোকে recommend কৰিলে - There were nearly 7 communities, the various tea Garden and Ex-tea Garden communities, Chutia Community, the Tai Ahom, the Matak, the Moran, the Hajong, the Chingphu which were supported by the T.R.I. and recommended by the R.G.I. and the State Govt. অৰ্থাৎ সমিতিয়ে শেহতীয়াভাৱে ক'লে যে- দিব পৰা যায় আৰু Supreme Court ৰ guideline অনুসৰি ৫০ শতাংশ reservation আছে। OBC ৰ 27% আছে আৰু তাৰ পৰা যিহেতু কিছু শতাংশ ST লৈ গুছি যাব, গতিকে OBC ৰ পৰা সেই quota টো কাটি কৰিব পৰা যায়। এইটোৱেই হ'ল- recommendation. ইয়াৰ পিছত, বিগত সময়ছোৱাত, ৬ মাহৰ ভিতৰত কৰিব বুলি ২০১৪ আৰু ২০১৬ চনত ভাৰতীয় জনতা পাৰ্টীয়ে প্ৰতিশ্ৰুতি দিছিল। কিন্তু, R.G.I.ৰ recommendation নথকাৰ বাবে এতিয়া হৈ থকা নাই বুলি কোৱা হয়, কিন্তু; House ৰ Select Committee য়ে ক'লে যে এইটো বাধ্যতামূলক নহয়, usually কৰা হয়, নকৰিলেও কোনো কথা নাই। বাকী criteria খিনি মিলে। তেখেতসকলে ইয়ালৈ আহি বিভিন্ন প্ৰতিনিধি দলক লগ কৰাৰ পিছত ২৮ টা সংগঠনে গোটেইখিনি পৰীক্ষা কৰাৰ পিছত memorandum দিছিল। তেনে ক্ষেত্ৰত, আজি যিখিনি দি

আছে তাৰ বাবে আমি ধন্যবাদ জনাইছো, কিন্তু, Autonomous Council ৰ পৰা বঞ্চিত হোৱা বাকীখিনিৰ ক্ষেত্ৰতো কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি? যিহেতু recommendation ত কোৱা হৈছে যে R.G.I. ক consult কৰাটো compulsory নহয়, সেয়েহে চৰকাৰৰ প্ৰতিশ্ৰুতি অনুসৰি জনজাতিকৰণ তৰান্বিত কৰিব নেকি, এই কথাখিনি মন্ত্ৰী মহোদয়ে ক'লে ভাল পাম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ)ঃ** অধ্যক্ষ মহোদয়, তিনিওখন বিধেয়কৰ কথা একেলগে আলোচনা হ'লে বোধহয় আমাৰ (..interruption...)

**মাননীয় অধ্যক্ষঃ** আমি এখন বিলৰ কথা ক'লোৱেই, আপোনাৰ point টো কি আছে, কওঁক।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ)ঃ** অধ্যক্ষ মহোদয়, মটকৰ সম্পৰ্কত কেইটামান পৰামৰ্শ মই আগবঢ়াব বিচাৰিছো। ইয়াত মটকৰ ক্ষেত্ৰত এটা কথা লিখা আছে যে -Out of 22 seats, 17 seats shall be reserved for Matak community, 4 seats shall be reserved for women. এইটো স্পষ্ট হোৱা নাই। মৰাণৰ ক্ষেত্ৰত এই কথাখিনি কিন্তু স্পষ্টকৈ লিখা আছে। গতিকে, এই শাৰীটো আপুনি যদি অলপ চায়, ভাল পাম। লগতে, মটকৰ ক্ষেত্ৰতো যাতে Deputy Chief Council ৰ ব্যৱস্থাটো কৰা হয়। ইয়াৰোপৰি, P&RD and Skill Development ৰ ক্ষেত্ৰত Autonomous Council লৈ ক্ষমতা হস্তান্তৰ কৰাটো আমি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী চন্দন ব্ৰহ্ম (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যিটো কথা কৈছে, সেই সন্দৰ্ভত মূল কথাটো হ'ল- গোটেই বিষয়টো step by step নিষ্পত্তি কৰাটো ভাল আৰু সেই দৃষ্টি-ভংগীৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত গোটেই সমস্যাবোৰ কেনেধৰণে সমাধান কৰিব পৰা যায়, সেইটো এটা প্ৰক্ৰিয়াৰ মাজেৰে চলি থকাটো আপোনালোকে নিশ্চয় দেখিছে। আপোনালোক সকলো জ্ঞাত, ছয় জনগোষ্ঠীৰ কথাটো এতিয়া শেষ পৰ্যায়লৈ আহিছে। Group of Ministers Committee ৰ recommendation হৈ আছে। মৰাণ, মটক, কোঁচ-ৰাজবংশীৰ জাতীয় জীৱনৰ সংগ্ৰাম, বিভিন্ন দাবী, বিভিন্ন ঐতিহাসিক কথা-বতৰা সকলোখিনি এটা consideration ত আনি, আজি Autonomous Council ৰ সৃষ্টিলৈকে আহিছে। অধ্যক্ষ মহোদয়, ছয় জনগোষ্ঠীৰ বিষয়টো এইখন চৰকাৰৰ most priority আৰু এইটো নিষ্পত্তি হোৱাৰ বাবে step by step গোটেই বিষয়-বস্তুবোৰ চালি জাৰি চাই, গোটেই দিশ পৰীক্ষা-নিৰীক্ষা কৰি, সকলো কথা আমি ভৱিষ্যত সময়ত নিশ্চয় ভাৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** সত্যব্ৰত কলিতা ডাঙৰীয়াই যিটো পৰামৰ্শ দিছে সেইটো আপুনি বিবেচনা কৰিব।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ)ঃ** অধ্যক্ষ মহোদয়, মৰাণ জনগোষ্ঠীৰ ক্ষেত্ৰত মহিলা যে মৰাণ জনগোষ্ঠীৰে হ'ব সেইটো specific কৰা আছে। কিন্তু, মটকৰ ক্ষেত্ৰত সেই শাৰীটো লিখাত হয়তো খেলি-মেলি হৈছে, সেইটো শুধৰাই দিলে ভাল।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ পৰামৰ্শটো লৈছে, সেইটো পিছত কৰিব পাৰিব।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি)ঃ** অধ্যক্ষ মহোদয়, মই আজি আমাৰ চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো। History repeats বুলি কথা এষাৰ আছে। এইবাৰৰ অধিবেশন হ্ৰস্বকালীন

আছিল আৰু যিখিনি বিধেয়ক আহিছে, গোটেইখিনি আমাৰ জাতিৰ বাবে খুব গুৰুত্বপূৰ্ণ। আজি এতিয়া মটক সকলৰ যিখন বিধেয়ক উপস্থাপন হৈছে, সেই ক্ষেত্ৰত মই কওঁ যে- অসমৰ বুৰঞ্জীত যিবিলাক জনগোষ্ঠীয়ে অতি সগৌৰৱেৰে এই গোটেই অঞ্চলবোৰত বাস কৰি আছিল, সেই সকলক আজি বহুত দিনৰ আগতেই সন্মান জনাব লাগিছিল, কিন্তু সেইটো নহ'ল। সি যি কি নহওঁক, আজি এই সদনত এই গুৰুত্বপূৰ্ণ বিধেয়কসমূহ অনাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো । ইয়াৰ লগতে মই এটা অনুৰোধ কৰিবও বিচাৰিছো যে মটক, মৰাণ, কোঁচ-ৰাজবংশী সকলৰ উপৰিও আমাৰ চিংফৌ নামৰ এটা জনজাতি আছে, যিয়ে আন্তঃৰাষ্ট্ৰীয় সীমা চুই যোৰা অঞ্চলত বাস কৰি আছে, যাৰ representation এতিয়ালৈকে ক'তো হোৱা নাই। ভাৰত স্বাধীন হোৱাৰ সময়ত যুদ্ধ কৰা আৰু ভাৰতক সেই সময়ত সহায় কৰা বীৰ সেই জনগোষ্ঠীৰো আছিল। সেয়েহে, এতিয়া নহ'লেও ভৱিষ্যত সময়ত হ'লেও সেই জনগোষ্ঠীৰ লোকসকলৰ প্ৰতিও যাতে চৰকাৰে বিশেষ গুৰুত্ব দিয়ে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Next Autnomous Bill ত বাকীসকলে ক'ব, যি সকলে ক'ব বিচাৰে। এতিয়া মই এইখন বিধেয়ক পাৰিত কৰি ল'ব বিচাৰিছো।

এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো-

প্ৰস্তাৱটো হ'ল- "The Matak Autonomous Council Bill, 2020" be taken into consideration.

যিসকল সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, প্ৰস্তাৱটো গৃহীত হৈছে ।

বিধেয়কখনৰ ২ ৰ পৰা ৫৯ নং দফাকেইটাত সংশোধনীৰ প্ৰস্তাৱ নাই । এতিয়া মই বিধেয়কখনৰ ২ ৰ পৰা ৫৯ নং দফাকেইটা সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল-

২ ৰ পৰা ৫৯ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, ২ ৰ পৰা ৫৯ নং দফাকেইটা বিধেয়কখনৰ অংশ হৈছে।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিছো।

প্ৰশ্নটো হ'ল-

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ব।

যিসকল ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো ‘হয়ৰ’ সপক্ষে, ‘হয়ৰ’ সপক্ষে, ‘হয়ৰ’ সপক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হৈছে।

এতিয়া, মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী চন্দন ব্ৰহ্ম (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, “The Matak Autonomous Council Bill, 2020” পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো সদনত অনুমোদনৰ বাবে উত্থাপন কৰিছো-

প্ৰস্তাৱটো হ’ল- “The Matak Autonomous Council Bill, 2020” be passed.

যিসকল ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৰো ‘হয়ৰ’ সপক্ষে, ‘হয়ৰ’ সপক্ষে, ‘হয়ৰ’ সপক্ষে, প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়কখনো পাৰিত কৰা হ’ল বুলি মই ঘোষণা কৰিছো।

**এতিয়া কাৰ্যসূচী নং ১০(ক)**-The Kamatapur Autonomous Council Bill, 2020.

এই বিধেয়কখন সদনত বিবেচনা কৰিবৰ বাবে মাননীয় ৰাজ্যপাল মহোদয়ে ২৩-০৩-২০২০ তাৰিখে এটা বাণী পঠিয়াইছে । মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that ‘‘The Kamatapur Autonomous Council Bill, 2020’ be taken into consideration by the Assam Legislative Assembly.

এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দন ব্ৰহ্ম (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, “The Kamatapur Autonomous Council Bill, 2020” বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** মামুন ইমদাদুল হ’ক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হ’ক চৌধুৰী (নাওঁবৈচা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধেয়কখনত আমাৰ কোনো আপত্তি নাই, বৰঞ্চ ভাল পাইছো আৰু চৰকাৰক ধন্যবাদ জনাইছো। কমতাপুৰৰ ক্ষেত্ৰত দুটামান পৰামৰ্শ মই চৰকাৰক আগবঢ়াব বিচাৰিছো। যিবোৰ জাতি জনগোষ্ঠীক Autonomous Council দিয়া হৈছে, তেওঁলোকৰ দৰকাৰ আছে কাৰণে দিয়া হৈছে। যেনেদৰে আজি Moran Autonomous Council Bill, Matak Autonomous Council Bill পাৰিত কৰিলে আৰু আগতে মিচিং, টিৱা, ৰাভা সকলৰ Autonomous Council Bill পাৰিত কৰিছিল, সেইবোৰ এটা এটা জাতি-জনগোষ্ঠীৰ স্বায়ত্ত শাসন। কিন্তু, কমতাপুৰৰ বিধেয়কখন যদি চোৱা যায়, তেতিয়া দেখিবলৈ পোৱা যায় যে কমতাপুৰ এটা geographical area আৰু মৰাণ,

মটক এটা জাতিসত্তা। আপুনি অলপ আগতে স্পষ্ট কৰি দিছে যে কোঁচ ৰাজবংশীৰ প্ৰতি লক্ষ্য ৰাখি Kamatapur Autonomous Council কৰা হৈছে। কমতাপুৰৰ ক্ষেত্ৰত নামটো যদি কোঁচ ৰাজবংশী কৰা হ'লহেঁতেন, তেন্তে ভাল হ'লহেঁতেন। কাৰণ কমতাপুৰখন upto কোঁচবিহাৰলৈ আছে। আজি হয়তো এই বিধেয়কখন পাৰিত হৈ যাব, কাইলৈ বাতৰি কাকতত headline ত ওলাব, মানুহে ধন্যবাদ দিব, কিন্তু ২৫-৩০ বছৰ পিছত কিন্তু এইটো আমাৰ ক্ষতি হ'ব। কমতাপুৰৰ definition বিচাৰি মানুহ কোৰ্টলৈ যাব, interpretation হ'ব আৰু তাৰ পিছত Divide Assam 50-50 ৰ কথা আহি পৰিব। কাৰণ কমতাপুৰ ভৌগোলিক এলেকা বুলি, এক separate indentity বুলি চৰকাৰে মানি লৈছে। গতিকে, এই কথাবোৰ চৰকাৰে যাতে গুৰুত্বসহকাৰে লয়। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় উপস্থিত আছে, Autonomous Council হোৱাক লৈ আমাৰ কোনো আপত্তি নাই, কিন্তু Nomenclature টো যদি আপোনালোকে ভাৰি-চিন্তি কমতাপুৰৰ সলনি কোঁচ ৰাজবংশী কৰি দিয়ে, যিদৰে আগৰ পৰাই সকলো জাতি-জনগোষ্ঠীৰ নামেৰে Autonomous Council গঠন হৈ আছে, তেন্তে ভাল হয়। নহ'লে ভৱিষ্যতে এইটো আমাৰ বাবে এক hamper হ'ব। কিয়নো এটা ভৌগোলিক নামক আমি সদনে স্বীকৃতি দিছো। এই কথাখিনিত মই চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিছো। ধন্যবাদ।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয়, আমাৰ সংশোধনী আছে। মই কোঁচ- ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনী আৰু কোঁচ- ৰাজবংশী সন্মিলনীয়ে চৰকাৰৰ প্ৰতি কৰা কেতবোৰ অনুৰোধৰ কথা উল্লেখ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মই ভাৱো, আপুনি সংশোধনীটো পিছত ক'ব। এতিয়া কথাখিনি কৈ লওঁক।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** হ'ব অধ্যক্ষ মহোদয়।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল (গোৱালপাৰা পশ্চিম)ঃ** Hon'ble Speaker Sir, I beg to move in Sub Clause-I (...interruption...)

**মাননীয় অধ্যক্ষঃ** মই এইটো কথা কোৱা নাই। আমি সাধাৰণতে আলোচনাৰ পিছত amendment প্ৰত্যাহাৰ কৰাটোৱেই নিয়ম। যদি সেইটো spirit আছে, তেন্তে মই কথাখিনি আগতে ক'বলৈ দিছো আৰু যদি সেইটো spirit নাই, তেন্তে মই amendment লৈ আহিম। পিছত আপুনি withdraw কৰি দিলে হৈ যাব।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল (গোৱালপাৰা পশ্চিম)ঃ** অধ্যক্ষ মহোদয়, পোনপ্ৰথমে Moran Autonomous Council Bill পাৰিত কৰাৰ কথা উত্থাপন হোৱাৰ বাবে আমি কংগ্ৰেছ বিধায়িনী দলে চৰকাৰক ধন্যবাদ জনাইছো আৰু আমি এনে Council গঠন হোৱাৰ পোষকতা কৰোঁ। যেতিয়া ভাৰতৰ সংবিধান প্ৰণয়ন কৰা হৈছিল তেতিয়া তাত কিছুমান provision আছিল যে ভাৰতবৰ্ষৰ বিভিন্ন জনগোষ্ঠী, বিশেষকৈ, SC/ST বা খিলঞ্জীয়া জনগোষ্ঠীসকল পিছপৰা হোৱা বাবে তেতিয়াই তেওঁলোকৰ উন্নয়নৰ কথা চিন্তা কৰিছিল। পৰ্যায়ক্ৰমে বিভিন্ন সময়ত দেখা গৈছিল যে বিভিন্ন Council বা 6th Schedule area ৰ সৃষ্টি হৈছিল। সেই সময়ত বৈ যোৱা বহুত জনগোষ্ঠীৰ বিষয়ে আজি আলোচনাও হৈছে। এই মূহুৰ্তত আলোচ্য বিষয়টো হৈছে- Kamatapur Autonomous Council। ইয়াৰ জৰিয়তে কোঁচ-ৰাজবংশীসকলৰ উন্নয়ন কৰিব বিচৰা হৈছে। অসমৰ ১৫ খন জিলাত কোঁচ-ৰাজবংশীসকল বহল ভাৱে বসতি কৰি আছে। কিন্তু, দেখা গৈছে যে এই প্ৰস্তাৱিত বিধেয়কখনত মাত্ৰ ৪ খনমান জিলাৰ নামহে উল্লেখ কৰা হৈছে। অৰ্থাৎ, অবিভক্ত গোৱালপাৰা জিলাৰ কথাহে উল্লেখ কৰা হৈছে। সমগ্ৰ অসমত কোঁচ-ৰাজবংশীৰ জনসংখ্যা প্ৰায় ৬৯

লাখ আৰু Kamatapur Autonomous Council, যিখন কেৱল কোঁচ-ৰাজবংশীসকলৰ বাবে, এই প্ৰস্তাৱিত বিধেয়কখনে hardly ৩ লাখ কোঁচ-ৰাজবংশী মানুহক সাঙুৰিব। That means out of 69 lakh of Koch-Rajbongshi population in Assam, only 3 lakh population will be benefitted by this proposed Bill. এই কথাখিনি আমাৰ সংশোধনীত আহিব যে গোটেই অসম সাঙুৰি যিদৰে মৰাণ সকলৰ বাবে Moran Autonomous Council, মটক সকলৰ বাবে Matak Autonomous Council গঠন হৈছে, ঠিক তেনেদৰে সমগ্ৰ অসমৰ 6th Schedule area, BTAD area তে হওঁক বা অন্যান্য জিলাতে হওঁক, গোটেই অসম জুৰি থকা এই ৬৯ লাখ মানুহক সাঙুৰি যাতে Kamatapur Autonomous Council গঠন কৰা হয়। ইয়াৰ বাবে আমি আসনৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে প্ৰস্তাৱ ৰাখিছো। এই প্ৰস্তাৱিত বিধেয়কখনত মাত্ৰ ৩০ খন আসনৰ কথা কোৱা হৈছে , আমি ৬০খন আসন হোৱাৰ বাবে সংশোধনী প্ৰস্তাৱ আনিছো। সেই অনুযায়ী reservation বোৰ আহি যাব। আমাৰ সংশোধনীৰ মূল spirit হ'ল যে আমি এই জনগোষ্ঠীৰ উন্নয়ন হোৱাটো বিচাৰিছো। কিন্তু, ৬৯ লাখ মানুহৰ যেতিয়া ৩ লাখ মানুহহে এই প্ৰস্তাৱিত বিধেয়কৰ আওঁতাত আহিব আৰু বাকী প্ৰায় ৬৬ লাখ মানুহ বাদ পৰি যাব, এই কথাত আমাৰ আপত্তি আছে আৰু ইয়াৰ কাৰণেদ আমি সংশোধনী আনিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মানে satelite system ত বিচৰা হৈছে।

অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰস্তাৱ আছিল। মাৰ্ঘেৰিটাত টিৰাপ Autonomous Council বুলি এটা অঞ্চল আছিল য'ত বিভিন্ন জাতি-জনগোষ্ঠী আছে। তেওঁলোকৰ এটাবাতৰি প্ৰকাশিত হৈছিল যে-অসমৰ পৰা সুবিধা নোপোৱা বাবে ৫০০ খন গাওঁ অৰুণাচলত অন্তৰ্ভুক্ত হ'ব বিচাৰে। এই বিষয়ত জনজাতি কল্যাণৰ মন্ত্ৰীয়ে যাতে দৃষ্টি ৰাখে তাৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এইটো এটা বেলেগ বিষয়, আমি পিছত চাম। মই সংশোধনীখিনি একেলগে শুনি লৈছো, তেতিয়া আমাৰ সোনকালে শেষ হ'ব।

**শ্ৰী দুৰ্গা ভূমিজ (ডুমডুমা) ঃ** অধ্যক্ষ মহোদয়, ৩ টা জনগোষ্ঠীক Autonomous Council দিয়াৰ বাবে মই ধন্যবাদ জনাইছো। ছয় জনগোষ্ঠীয়ে জনজাতিকৰণ বিচাৰি সুদীৰ্ঘ দিন ধৰি আন্দোলন কৰি আহিছিল। কিন্তু, এই তিনি জনগোষ্ঠীৰ ক্ষেত্ৰত অধ্যয়ন কৰি, যথেষ্ট আলোচনা কৰি Autonomous Council দিয়া হৈছে। তেওঁলোকৰ লগতে চাহ-জনগোষ্ঠী, টাই-আহোম, চুতীয়া জনগোষ্ঠীকো একেলগে Autonomous Council দিলে ভাল আছিল। এতিয়া জনজাতিকৰণৰ ঠিক সীমা তথা স্পষ্টীকৰণ নাই। সেয়েহে, মই স্পষ্টভাৱে জানিব বিচাৰিছো যে এইখন চৰকাৰৰ দিনত তেওঁলোকৰ জনজাতিকৰণ হ'ব নে নাই, যদি হয়, তেন্তে কিমান দিনৰ ভিতৰত হ'ব ? দ্বিতীয়তে, জনজাতিকৰণ নোহোৱালৈকে তেওঁলোকক Autonomous Council দিব নেকি ? কাৰণ এই জনগোষ্ঠীকেইটা যথেষ্ট অৱহেলিত জনগোষ্ঠী। সেয়েহে, Autonomous Council দিয়াটো আমি বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে আজি মৰাণ, মটক আৰু কোঁচ-ৰাজবংশী এই তিনিটা জনগোষ্ঠীক Autonomous Council দিয়া বিষয়টো আমি সমৰ্থন কৰিছো। একে সময়তে, মটক, মৰাণ, কোঁচ-ৰাজবংশী, চুতীয়া, আহোম সকলোৰে ভূমিপুত্ৰ বুলি

আমি সকলোৱে একমত। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পিছত চাহ-জনগোষ্ঠীৰ লোকসকলক বৃটিছে অসমলৈ আনিছিল। কিন্তু, ইতিহাসত প্ৰমাণ আছে যে গোঁসাইগাওঁৰ পৰা আদি কৰি পশ্চিম বংগৰ সীমাকাষৰীয়া জিলা সমূহত প্ৰায় হাজাৰ বছৰ আগৰে পৰা আদিবাসী লোকসকলে বসবাস কৰি আছিল। বিশেষকৈ চাহ-বাগিচাত গছপুলি ৰোপণ কাৰ্যটো ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছত অহা বুলি আমি স্বীকাৰ কৰিব লাগিব। সেয়েহে, অন্যতম ভূমিপুত্ৰ বুলি ক'বলৈ গ'লে অসমত আদিবাসী লোকসকলো অন্তৰ্ভুক্ত। মই ২০০৬ চনত প্ৰথমবাৰ বিধায়ক হৈ আহি R.G.I. অফিচত বিধায়কৰ প্ৰতিনিধি দলৰ লগত যোৱা মোৰ সৌভাগ্য হৈছিল। তাতো আমাক ছয় জনগোষ্ঠীৰ তথ্য দিয়াৰ বাবে কোৱা হৈছিল। পূৰ্বৰ চৰকাৰৰ দিনত ইয়াৰ বহু খিনি কাম আগবাঢ়ি গৈছিল আৰু বৰ্তমানৰ চৰকাৰে ২০১৪ আৰু ২০১৬ চনৰ নিৰ্বাচনত প্ৰতিশ্ৰুতি দিছিল যে ছয় জনগোষ্ঠীক জনজাতিকৰণ দিব। তেনেস্থলত আজি মৰাণ, মটক আৰু কোঁচ-ৰাজবংশী, এই তিনিটা জনগোষ্ঠীক, অৰ্থাৎ এই তিনিটা ভূমিপুত্ৰক দি আন তিনিটা ভূমি পুত্ৰক বঞ্চিত কৰা বিষয়টো বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো । মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক আমি অনুৰোধ জনাইছো, আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াও আমাৰ মাজত উপস্থিত আছে, তেখেতকো আহ্বান জনাইছো যে মৰাণ, মটক আৰু কোঁচ-ৰাজবংশী, এই তিনি সন্তানে আজি স্বীকৃতি পাব বা কিবা এটা উপহাৰ পাব। কিন্তু, চুতীয়া, আহোম আৰু চাহ-জনগোষ্ঠী, এই তিনিটা সন্তানক আজি সেই উপহাৰৰ পৰা বঞ্চিত কৰা হ'ব। চুতীয়া, আহোম আৰু চাহ জনগোষ্ঠীৰ তিনিটা সন্তানক জনজাতি কৰণ কৰি স্বায়িত্ব শাসিত পৰিষদ কৰাৰ বাবে বিবেচনা কৰিব নেকি? আমাৰ জ্যেষ্ঠ বিধায়ক প্ৰদীপ হাজৰিকা ডাঙৰীয়াই ক'লে যে চিংফৌ, হাজঙৰ পৰা আদি কৰি বহুতো সৰু সৰু জনজাতি আছে। অসম চুক্তিতো উচ্চ সদনৰ কথা উল্লেখ আছিল। ২০১৬ চনত এই চৰকাৰ খনে নিৰ্বাচনী প্ৰতিশ্ৰুতি মৰ্ম্মে উচ্চ সদন আৰু বিভিন্ন জাতি-জনগোষ্ঠীক জনজাতিক আগুৱাই নিয়াৰ কথা কৈছিল। কিন্তু আজিলৈকে হৈ নুঠিল আৰু বৰ্তমান এই চৰকাৰখনৰ ৫ মাহ মান বাকী আছে। এই সৰু সৰু জনজাতিক আগুৱাই নিয়া আৰু Upper House ৰ সিদ্ধান্ত টো যিটো অসম চুক্তিতো উল্লেখ আছে যদিও WPTC মন্ত্ৰীয়ে এই বিষয়ে উত্তৰ দিব নোৱাৰিব। এই সন্দৰ্ভত কেবিনেটত সিদ্ধান্ত ল'ব নেকি? ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা ক'ব বিচাৰিছো যে মাননীয় সদস্য সকলে আজি মোক কৈছে যে তেওঁলোকক ক'বলৈ দিবলৈ আৰু সেয়েহে মই ক'বলৈ দি আছো। But we are on the Bill. বাকীখিনি কথা আমি যিকোনো সময়ত ক'ব পাৰো। মই কোৱাত আপত্তি কৰা নাই। কিন্তু বিল সমূহ দেৰী হৈ যাব। ইতিমধ্যে দুঘণ্টা হৈছে আৰু দেৰী হৈছে। মই কাকো কথা ক'বলৈ বাধা দিয়া নাই। গতিকে দৰকাৰী কথাখিনি ক'লে ভাল হয় আৰু বিলখনৰ লগত সংগতি থাকিলে ভাল হয়। মই কথাখিনি বেয়া পোৱা নাই। কিন্তু সকলোৱে যদি ক'বলৈ বিচাৰে তেন্তে consideration stage ত ক'ব পাৰে। কিন্তু সংশোধনীত যিখিনি আছে তাৰ ওপৰত ক'ব পাৰিব। কমতাপুৰৰ ওপৰত ২-৩ টা মান সংশোধনী আছে। মই ভাৰিছিলো একেলগে সংশোধনীখিনি ক'লে পিছলৈ আমাৰ সহজ হৈ পৰিব। এতিয়া মাননীয় সদস্য সত্যব্ৰত ডাঙৰীয়াই কওঁক। আপুনি এইখিনি পৰামৰ্শ আকাৰে দিয়ক। আপুনি সংশোধনী হিচাপে নক'ব।

**শ্ৰী সত্যব্ৰত কলিতা, বিধায়ক, (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই তিনিখন বিলে অসমৰ জাতীয় জীৱনৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ। চৰকাৰখনে এটা গুৰুত্বপূৰ্ণ আৰু যোগাত্মক পদক্ষেপ লৈছে। যদিও মই সংশোধনী আনিব নোৱাৰিলো, সেয়েহে পৰামৰ্শ হিচাপে কেইটামান

কথা ইয়াত আগবঢ়ালো। আমি Pramble ত বিচাৰিছিলো "That the council would ensure the right to opportunity of every Koch Rajbonshi indivudual whoever belongs to the Kamatapur Council area."

" That the Council would protect the cultural, linguistic, educational, economic, political as well as the forest and land rights of the community within the Kamatapur Autonomous Council area." Pramble ত যিখিনি আছে তাৰ লগত এইখিনি সংলগ্ন হোৱাটো বিচাৰিছিলো আৰু দ্বিতীয় এটা গুৰুত্বপূৰ্ণ কথা হৈছে- Clause-II ৰ (p) ত লিখা আছে, Village means cencus village or not falling within any notified urban or town area predominatly inheritated by Koch Rajbonshi community comprising 50 % and above notified as village under this Act. এই Clause ইয়াত থাকিলে কোনো টাউন এলেকা কমতাপুৰ এলেকাত নোসোমাব। এই কথাখিনি অলপ বিবেচনা কৰিলে ভাল পাম আৰু এটা কথা মই বাৰে বাৰে কৈ আছো যে 5 (1) 4 Seats shall be reserve for women. এই কথাখিনি স্পষ্ট নহ'লে অলপমান খেলিমেলি হ'ব পাৰে। মৰাণৰ ক্ষেত্ৰত যিটো লাইন ব্যৱহাৰ কৰা হৈছে সেই একে লাইন ইয়াত ব্যৱহাৰ কৰাটো বিচাৰো। বাকী আমি আগৰ নিচিনা কাউঞ্চিল বিচাৰিছো। এইখিনি কথা যদি এতিয়াও সংশোধনী কৰিব পাৰি তেনেহ'লে ভাল আছিল। ইয়াৰ বাবে অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** নিশ্চয় বিবেচনা আগলৈ কৰিব পাৰিব। অশ্বিনী ৰায় সৰকাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী অশ্বিনী ৰায় সৰকাৰ, বিধায়ক, (গোলকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত ৩ খন জনগোষ্ঠীয় বিল আহিছে- মৰাণ, মটক আৰু কোচ ৰাজবংশী। কোচ ৰাজবংশী জনগোষ্ঠীৰ আৰ্থসামাজিক উন্নতি কৰণ কৰাৰ বাবে Kamatapur Autonomous Council হিচাপে আমাৰ প্ৰিয়েম্বল Name and style ত আনিছে। মই প্ৰথমে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক কৈছো যে যিহেতু কোচ ৰাজবংশী জনগোষ্ঠীৰ কাৰণে এই Autonomous Council আনিছে। নামটোত Kamatapur Koch Rajbonshi Autonomous Council ৰাখিলে আমাৰ কোচ ৰাজবংশী জনগোষ্ঠীক আন্তৰিকতা প্ৰদৰ্শন কৰা হ'ব। কাৰণ ইতিমধ্যে বিভিন্ন সময়ত স্বাধীনতাৰ পিছত কোচ ৰাজবংশীৰ মানুহখিনি বেংগল, মেঘালয় আৰু আজিৰ যিটো কামতাপুৰৰ জৰিয়তে আৰু এটা ভাগত ভগোৱা হ'ল যে কামতাপুৰ পুৰণা গোৱালপাৰা জিলা। তেখেতে পুৰণা গোৱালপাৰা জিলা এই কাৰণে দিছে কাৰণ আমাৰ প্ৰাক্তন সাংসদ অমৰ ৰায় প্ৰধানে এটা কমিশ্যনাৰ বহুৱাইছিল। এই কমিশ্যনাৰৰ জৰিয়তে পুৰণা গোৱালপাৰা জিলাৰ কোচ ৰাজবংশীখিনিৰ আৰ্থ সামাজিক উন্নয়ণৰ কাৰণে তেখেতে পৰামৰ্শ দিছিল। মই ভাৰিছো তেখেতে এই পৰামৰ্শ কাৰ্য্যকৰীকৰণ কৰিছে। কিন্তু আমাৰ যিসকল ৰাজবংশী পুৰণা গোৱালপাৰাৰ বাহিৰত আছে তেখেত সকলে অন্তৰত আঘাত পাব। তেখেতসকলৰ উন্নয়ণৰ কাৰণে চেটেলাইট ভিত্তিত গোটেই অসমত Koch Rajbonshi Autonomous Council যদি গঠন কৰা হয়, তেতিয়াহ'লে আমাৰ জনগোষ্ঠীয় যিটো সম্বন্ধ সেইটো দৃঢ় হ'ব। গতিকে এইখিনি মই পৰামৰ্শ আগবঢ়ালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰফিকুল ইছলাম ডাঙৰীয়া আৰু তাৰ পিছত ওৱাজেদ আলী ডাঙৰীয়াই ক'ব।

**শ্ৰী ৰফিকুল ইছলাম, বিধায়ক, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কথাখিনি প্ৰায় আহিছেই। মই পুনৰ ক'বলৈ বিচৰা নাই। তথাপিতো আমাৰ স্থিতি এইটোৱেই যে যি Autonomous Council আনিছে, মই তাক আদৰণি জনাইছো। আমাৰ ইমদাদ ডাঙৰীয়াই ইতিমধ্যে Kamatapur Autonomous Council আৰু Koch Rajbonshi Autonomous Council নামটো লৈ কৈছে। কোচ ৰাজবংশী নামটো হ'লে অসমত গোটেই কোচ ৰাজবংশীসকল ইয়াৰ ভিতৰত আহিব আৰু চেটেলাইট System ত আমি সেইখিনি ল'ব পাৰিম। আমাৰ যিসকল সন্মনীয় সদস্য সেই জাতিটোৰ পৰা আছে, তেওঁলোকেও হয়তো এইটো বিচাৰিব। কিন্তু কিয় ক'ব পৰা নাই মই নাজানো? কিন্তু Koch Rajbonshi Autonomous Council আমি যদি কওঁ গোটেই শদিয়াৰ পৰা ধুবুৰীলৈকে যিখিনি কোচ ৰাজবংশী মানুহ আছে তেওঁলোকক ইয়াত অন্তৰ্ভুক্ত কৰিব লাগে। যিটো অবিভক্ত গোৱালপাৰা জিলাৰ কথা কৈছে, তাত ৰাভা হাচং স্বায়িত্ব শাসিত পৰিষদ আছে আৰু Koch Rajbonshi Autonomous Council লৈয়ে হ'ব। এইখিনি হ'লে আৰু বাকী যি জনসংখ্যা থাকিল কলিতা, বৰ্মন, কৰ্মকাৰ, সৰকাৰ, আলী আদি কৰি যিখিনি মানুহ থাকিল, এই মানুহখিনিৰ উন্নয়ণৰ ৰূপৰেখা কি হ'ব? এইখিনি অলপ স্পষ্ট হ'লে ভাল। সেই লোকসকল কিন্তু শংকিত হৈ আছে। মই ভাৱো এই বিষয়ে চৰকাৰে অলপ চিন্তা কৰি গোৱালপাৰা বা অবিভক্ত গোৱালপাৰাৰ বাকী যি জনসংখ্যা আছে আৰু কোচ ৰাজবংশী আৰু ৰাভা হাচং জনগোষ্ঠীৰ বাহিৰে বাকী যি লোকসকল আছে, তেওঁলোকৰ উন্নয়ণৰ বাবে কি কৰিব পাৰে তাৰ পদক্ষেপ ল'ব লাগে। যাতে তেওঁলোকে বঞ্চিত হোৱাৰ শংকাত থাকিব নালাগে। তাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী ওৱাজেদ আলী, বিধায়ক (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ জিলাখনো ইয়াত সোমোৱাই দিছে। সেয়েহে নকলে নহ'ব। মৰাণ, মটক আৰু দুখন বিল ইয়াত আজি পাচ হৈ গ'ল। তাত কমিউনিটি ওৱাইজ তেওঁলোকৰ আৰ্থ-সামজিক উন্নয়ণৰ বাবে স্বায়িত্ব শাসিত পৰিষদ কৰা হৈছে। সেইটোত আমি কোনেও আপত্তি কৰা নাই আৰু একমত। আমাৰ কোচ ৰাজবংশী সকলে আৰ্থ-সামজিক উন্নয়ণৰ কাৰণেও যিটো Autonomous Council কৰিছে তাতো আমি বিৰোধীতা কৰা নাই। কিন্তু এইখিনিত এটা কথা যিখন কমতাপুৰ, এটা সময়ত অসম আৰু পশ্চিম বঙ্গৰ এটা এৰিয়া লৈ এটা আন্দোলন হৈছিল এখন ৰাজ্য গঠন কৰাৰ বাবে। আমাৰ এটা confusion হৈছে যে যদি কোচ ৰাজবংশী সকলৰ আৰ্থ-সামাজিক উন্নয়ণৰ বাবে বিচাৰিছে তেতিয়াহ'লে Why not other district. গোটেই অসমতে কোচ ৰাজবংশী আছে। গতিকে তেওঁলোকক লৈ এটা Autonomous Council গঠন কৰক আৰু যদি ভাৱে যে কমতাপুৰক লৈ এটা সময়ত কমতাপুৰ ৰাজ্য গঠন কৰাৰ বাবে আন্দোলন কৰা হৈছিল। সেইটো স্বীকৃতি দিছে নেকি? যদি সেইটো স্বীকৃতি দিছে তেতিয়া আমাৰ আপত্তি আছে। এইটো স্পষ্ট। ধুবুৰী জিলাত খুব কম অঞ্চলত কোচ ৰাজবংশীৰ লোক আছে। বি টি এ ডি, ৰাভা হাচং এলেকাসমূহ বাদ দিয়া হৈছে। ইয়াত দুটা কথা আছে যে যদি কোচ ৰাজবংশী সকলৰ আৰ্থ-সামাজিক উন্নয়ণৰ বাবে বিচাৰিছে তেতিয়াহ'লে আমি একমত। কিন্তু আমাৰ যিটো কমতাপুৰ ৰাজ্য গঠন কৰাৰ বাবে দীৰ্ঘদিনৰ পৰা আন্দোলন কৰা হৈছিল, সেই কমতাপুৰ ৰাজ্য দিয়াৰ বদলি স্বায়িত্ব শাসিত পৰিষদ দিব বিচাৰিছে সেইটোত আমাৰ আপত্তি আছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে আগতে উত্তৰ দিছে। এতিয়া থুলমুলকৈ গোটেই কেইটা কথাৰ উত্তৰ দিয়ক। যিকেইটা আপোনাৰ থাকি গৈছে।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী, (ভৈয়াম আৰু পিচপৰা জনজাতি কল্যাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে সকলোকে ধন্যবাদ জনাইছো। আমি সকলোৱে জাতি-জনগোষ্ঠীৰ ক্ষেত্ৰত চিন্তিত। এই সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰৰ যি প্ৰতিশ্ৰুতি আৰু ইয়াত সহমত হৈ সদনে আজি সৰ্ব সন্মতিক্ৰমে সকলোৱে তিনিখন স্বায়িত্ব শাসিত পৰিষদ গঠনৰ বাবে আদৰণি জনাইছে। যিখিনি সংশোধনী বা পৰামৰ্শ আপোনালোকে আগবঢ়াইছে ইয়াত বিশেষ পাৰ্থক্য নাই। আমি এতিয়া বিল হিচাপে আগুৱাই লৈ আহিছো আৰু বিল পাচ হোৱাৰ পিছত ৰুল ফ্ৰেম যেতিয়া হ'ব, কিছুমান কথা ধুনীয়াকৈ তাতো সন্নিবিষ্ট হ'ব। এই পৰিষদ সমূহক লৈ কোনো জনগোষ্ঠীয়ে শংকাত ভুগিবলগীয়া নাই আৰু এই সদনৰ জৰিয়তে মই সকলো জাতি-জনগোষ্ঠীৰ লোকক এই বাৰ্তা প্ৰেৰণ কৰিব বিচাৰিছো। কমতাপুৰ ৰাজ্য বিচাৰিছিল তাৰ বদলি হিচাপে এই তিনিখন নতুন কাউঞ্চিল সৃষ্টি কৰা হৈছে নেকি? এনেকুৱাধৰণৰ শংকা কৰাৰ প্ৰয়োজনীয়তা নাই। প্ৰয়োজন আছে কমতাপুৰ নামৰ এখন পৰিষদ গঠন কৰি কোচ ৰাজবংশী সকলৰ জাতীয় জীৱনৰ আৰ্থ-সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সুৰক্ষিত কৰি ৰখা আৰু উন্নয়ণ কৰাটোহে আমাৰ প্ৰয়োজন। সেই প্ৰয়োজনীয়তাটো বোধ কৰি এই ধাৰণাটো অনা হৈছে আৰু ইয়াক লৈ কোনো ভুল ধাৰণা কৰিব নালাগে। এই সদনৰ পৰা ৰাজ্যখনত যাতে কোনো ধৰণৰ ভুল ধাৰণা নাযায়। মূল নীতিটো হৈছে সকলো জাতি-জনগোষ্ঠীৰ উন্নতি হ'ব লাগে আৰু শান্তি-সম্প্ৰীতি একতাৰ মাজেৰে আমাৰ ৰাজ্যত বান্ধোনটো থাকিব লাগে। Basic Principle টো হ'ল অবিভক্ত গোৱালপাৰাত ৰাভা হাচং আৰু ষষ্ঠ অনুসূচীত অঞ্চল বাদ দি Kamatapur Autonomous Council গঠন কৰা । মাননীয় অধ্যক্ষ মহোদয়, কমতাপুৰ কাউঞ্চিলখন কাৰ কাৰণে আৰু কিহৰ কাৰণে এই গোটেই বিষয়টো যদি আমি এক নম্বৰৰ পিছত তললৈ পঢ়ি যাওঁ তেতিয়া গোটেই বিষয়টো স্পষ্টকৈ বুজি পাব।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। Kamatapur Autonomous Council Bill 2020 be taken in to consideration.

সদনত অনুমতিৰ বাবে আগবঢ়ালো।

যিসকল মাননীয় সদস্য-সদস্যা
প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে কওঁক, 'নহয়'
(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে প্ৰস্তাৱ গৃহীত হৈছে। বিধেয়কৰ ২ নং দফাত সংশোধনী প্ৰস্তাৱ নাথাকে। গতিকে ২ নং দফাটো বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে কওঁক, 'নহয়'
(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কৰ ২ নং দফাটো বিধেয়কৰ অংশ হৈছে। মই বিধেয়কৰ ৩ নং, ৫ নং আৰু ৩০ নং দফাত যিকেইটা সংশোধনী প্ৰস্তাৱ আছিল তাৰ গোটেই কথাখিনি আমি ইয়াত পাতিছো। আপোনালোকে আজি withdraw কৰে কৰিব পাৰে। নহ'লে আমি ভোট ল'ব লাগিব। ৩ নং দফাত দেৱব্ৰত শইকীয়া আৰু তেওঁৰ সহযোগী সকলৰ এটা সংশোধনী প্ৰস্তাৱ আছিল। গতিকে সেই সংশোধনীৰ ওপৰত আমি ইতিমধ্যে কথা পাতিছো।

আপোনালোকে "Goalpara, Dhuburi, Bongaigaon and South Salmara District excluding Bodoland Territorial Council and Rabha Hasong Autonomous Council Areas" shall be substituted by the words " the State of Assam" সোমোৱাবলৈ কৈছে। এইটো কথাৰ ওপৰত বিশদভাৱে আলোচনা হৈছে। সংশোধনী আপোনালোকে আনিব পাৰে। সদনৰ সংখ্যাগৰিষ্ঠতাই ইয়াক গ্ৰহণ কৰিব। আপোনালোকে আপোনালোকৰ মতামত প্ৰকাশ কৰিব পাৰিব। মন্ত্ৰী ডাঙৰীয়াই কৰিব পাৰিলে কৰিব, কৰিব নোৱাৰিলে নকৰে। মোৰ কাৰণে আলোচনাটো অতি গুৰুত্বপূৰ্ণ। ইয়াৰ ওপৰত ইতিমধ্যে আলোচনা হৈ গৈছে। আপোনালোকে কৈছে যে 'অসম' সোমাব লাগে আৰু বাকীখিনিৰ ওপৰত কোৱা নাই। এই কথাখিনিত মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে উল্লেখ কৰিছে যে আমি যেতিয়া ৰুলখিনি ফ্ৰেম কৰিম তেতিয়া এই কথাখিনি চাম। মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে কিবা ক'ব বিচাৰিছে যদি কওঁক।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী (ভৈয়াম আৰু পিচপৰা জনজাতি কল্যাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো সংশোধনীৰ কথা কৈছে আৰু ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই যিটো Basic Principle ৰ কথা কৈছে, সেইটোৱেই। বিলৰ Basic Principle হৈছে অবিভক্ত গোৱালপাৰা excluding Bodoland Territorial Council and Rabha Hasong Autonomous Council Areas.

**মাননীয় অধ্যক্ষ ঃ** মাননীয় ওৱাজেদ আলী ডাঙৰীয়া আপুনি এই কথাখিনি বুজিব লাগিব। এতিয়া এই সংশোধনীটো মই সদনত উত্থাপন কৰিছো।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়' ।

এই সংশোধনীটো আমি যদি নাকচ কৰো যিসকলে বিচাৰিছে, সেই সকলে ক'ব হ'ব আৰু যিসকলে বিচৰা নাই সেইসকলে ক'ব নহ'ব। মই এতিয়া সংশোধনীটো সদনত উত্থাপন কৰিলো। এই সংশোধনীটো সদনত দাঙি ধৰিলো।

In Sub Clause (1) of Clause 3 of the propose Bill, the words appearing in line 4 to 6 "Goalpara, Dhuburi, Bongaigaon and South Salmara District excluding Bodoland Territorial Council and Rabha Hasong Autonomous Council Areas" shall be substituted by the words " the State of Assam".

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়' ।

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি নিদিয়ে)।

মই ভাৱো 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল।

মই ভাৱো সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল। ৩ নং দফাটো বিধেয়কৰ অংশ হ'ব। এতিয়া ৪নং দফাটোত সংশোধনী প্ৰস্তাৱ নাই। গতিকে বিধেয়কৰ ৪ নং দফাটো সদনৰ মজিয়াত উত্থাপন কৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা
প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে কওঁক, 'নহয়' ।

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কৰ ৪ নং দফাটো বিধেয়কৰ অংশ হৈছে। বিধেয়কৰ ৫ নং দফাত পুনৰ এটা সংশোধনী আছে। সংশোধনীটোত তেখেত সকলে যিটো দিছিল,

In Sub Clause (1) of Clause 5 of the propose Bill, the figures and words '30 (thirty)', '26 (twenty six)', 4 (four) appearing in lines 1 & 2 shall be substituted by the figuers and words '60 (sixty)', 52 (fifty tow, 8 (eight) respectively.

এই সংখ্যাটোত সদস্য সকলৰ সংখ্যা বৃদ্ধি কৰাৰ কথা কৈছিল, নহয় জানো ?

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই কথাখিনি অলপ বুজাই দিছো। ইয়াত যিটো ৫ নং দফাত আছিল যে General Council খনত ৩০ জন সদস্য থাকিব। ৩০ জন সদস্যৰ ভিতৰত ২৬ টা সমষ্টিত জনসাধাৰণে ২৬ জন নিৰ্বাচন কৰিব, অসম চৰকাৰে অন্য সম্প্ৰদায়ৰ মানুহ যি তাত বসবাস কৰে তাৰ পৰা ৪ জন সদস্যক নিৰ্বাচন কৰিব। আমি সংশোধনী প্ৰস্তাৱটো দিছিলো যে ২৬ টা সমষ্টিত যে নিৰ্বাচন হ'ব সেই ২৬ টা সমষ্টিৰ ভিতৰত ২২ টা কোচ ৰাজবংশী সকলৰ বাবে ৰিজাৰ্ভ বুলি কৈছে। কিন্তু আমি যিটো কৈছো আৰু যাৰ বিষয়ে আজি মন্ত্ৰী মহোদয়ে ও কৈছে যিটো অবিভক্ত গোৱালপাৰা জিলাত হ'ব excluding Bodoland Territorial Council and Rabha Hasong Autonomous Council Areas. তেনেহ'লে বাকী অবিভক্ত গোৱালপাৰা জিলাত যিখিনি থাকিব তাত যদি ২৬ টা সমষ্টি দিয়া হয়, তেনেহ'লে বেছিভাগ সমষ্টি এনেকুৱা ওলাব য'ত এজনো কোচ ৰাজবংশী লোক নাই। গতিকে তাত যদি ২২ টা চিট ৰিজাৰ্ভ থাকে কোচ ৰাজবংশী সকলৰ বাবে তেন্তে সেই সমষ্টি কেইটা কি হ'ব য'ত এজনো কোচ ৰাজবংশী লোক নাই যদি জনসংখ্যাৰ অনুপাতত দিয়ে। যিহেতু কথাখিনি অস্পষ্ট সেয়েহে আমি সংশোধনী প্ৰস্তাৱ আনিছিলো। ২২ জন নিৰ্বাচিত হ'ব লাগে যেনেকৈ মৰাণ কাউঞ্চিল আৰু মটক স্বায়িত্ব শাসিত পৰিষদতত ২২ জন নিৰ্বাচন কাৰাৰ প্ৰক্ৰিয়া আছিল। ইয়াতো ২২ জনক জনসাধাৰণে নিৰ্বাচন কৰাৰ প্ৰক্ৰিয়াটো থাকক আৰু ৮ জনক চৰকাৰে অন্যান্য সম্প্ৰদায়ৰ Un represented Community ৰ পৰা দিয়াৰ বাবে ৮ টা সমষ্টি লোৱা হওঁক আৰু ২২টা সমষ্টিত যে নিৰ্বাচন হ'ব তাৰ ভিতৰত ১৮ টা সমষ্টি কোচ ৰাজবংশী সকলৰ বাবে ৰিজাৰ্ভ হ'ব লাগে আৰু বাকী কেইটা আন ৰিজাৰ্ভ হ'ব লাগে। এইটো আমাৰ সংশোধনী আছিল।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ সংশোধনী নাই কিন্তু এইটোত।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** এইটোৱে আছে ইয়াত। ইয়াত নম্বৰ কেইটাত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** নম্বৰত আপোনাৰ সংশোধনী নাই। সংশোধনী কংগ্ৰেছ বিধায়িনী দলৰ আছিল। আপোনাৰ সংশোধনীটো পাচত আছে। ঠিক আছে। মই প্ৰস্তাৱটো উথাপন কৰিছো। কংগ্ৰেছ দলে প্ৰত্যাহাৰ কৰিব নেকি এইটো। শ্ৰী দেৱব্ৰত শইকীয়া, নকৰে। মই সদনত সংশোধনী দুটা দাঙি ধৰিছো। In Sub Clause (1) of Clause 5 of the proposed Bill the figures

and words '30 (thirty)', 26 (twenty six)', 4 (four) appearing in lines 1 and 2 shall be substituted by the figures and words '60 (sixty)', 52(fifty two), 8(eight) respectively.

In Sub Clause (1) of Cause 5 of the proposed Bill, the figures and words '26 (twenty six)' &'4 (four)' appearing in line 2 shall be substituted by the figure '22(twenty two)' & '8(eight)' respectively and figure & words '26', '20' & '5' appearing in a lines 6, 7 & 8 respectively shall be sustituted by the figures and words '22', '18' & '3' respectively. যিসকলে ইয়াৰ এই সংশোধনীতাৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'নহয়ৰ' সপেক্ষে , 'নহয়ৰ' সপেক্ষে , 'নহয়ৰ' সপেক্ষে, সংশোধনী প্ৰস্তাৱটো নাকচ হৈছে। দফা নং ৫ বিধেয়কখনৰ অংশ হ'ব। এতিয়া বিধেয়কখনৰ ৬ ৰ পৰা ২৯ নং দফা কেইটাত সংশোধনীৰ কোনো প্ৰস্তাৱ নাই। সেয়ে মই কব বিচাৰিছো যে ৬ ৰ পৰা ২৯ নং দফা কেইটাত বিধেয়কৰ অংশ হব। যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, মই ভাবো ৬ ৰ পৰা ২৯ নং দফা কেইটাত বিধেয়কৰ অংশ হৈছে। বিধেয়কখনৰ ৩০ নং দফাত হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধন আছিল। সেই সংশোধনটো ইতিমধ্যে কৈছে। এইটোৱে নে সংশোধন আপুনি কোৱাটোৱে।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বেলেগ।

**মাননীয় অধ্যক্ষ ঃ** আগৰটোত কিয় দিছে সংশোধনী। আগৰটোত আপুনি কবও নোৱাৰে। Consideration Stage ত ক'ব। তেখেতসকলে ক'ব লাগিছিল।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আছে যে, এই যিকেইটা সমষ্টি নিৰ্ধাৰণ কৰা হ'ব তাৰ State Governmente য়ে এটা Gazette ত উল্লেখ কৰি দিব সমষ্টিকেইটা। আমি বিচাৰিছিলো তাৰ লগত আৰু এটা sub clause যোগ কৰাৰ কাৰণে যে সমষ্টি পুণৰনিৰ্ধাৰণৰ সময়ত leading paper ত advertise কৰি তত public opinion দিয়াৰ কাৰণে date fixed কৰি এটা advertise কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আপুনি advertise টো নিউজ পেপাৰত দিয়াৰ কথাটো কৈছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দন ব্ৰহ্ম (মাননীয় মন্ত্ৰী, ডব্লিউ পি টি এণ্ড বি চি ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ইয়াৰ যিখিনি গাওঁ আৰু জনসংখ্যা সেইটো আমি সংশ্লিষ্ট আমাৰ জিলা বিলাকৰ পৰা পঠাবৰ কাৰণে তেখেতসকলৰ পৰা বিচাৰিছো জিলাবিলাকৰ পৰা আৰু তেনেকুৱা Public Gazette Notification এইটোৰ আৰু বিশেষ প্ৰয়োজনীয়তা বোধ কৰা নাই। কাৰণ কথাটো হ'ল, এই কথাবতৰা বিলাক যথেষ্ট পতা হৈছে, আলোচনা বিলোচনা কৰা হৈছে আৰু আমাৰ কেবিনেটত আমি অনুমোদন লৈ এই বিলখন আমি আনিছো।

**মাননীয় অধ্যক্ষ ঃ** যিটো Official norms মতে হ'ব। আপুনি সন্তুষ্ট নে উত্তৰটোত।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Gazette Notification দিব, সেইটো আমি মানিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। সংশোধনীটো মই ভোটত দিছো। বিধেয়কখনৰ ৩০ নং দফাত যিটো

সংশোধন আছে, সেই সংশোধনটো মই উত্থাপন কৰিছো। After Sub Clause (2) of Clause 30 of the proposed Bill a new Sub-Clause shall be added as :

"(3) The Government shall publish the notice in leading news papers seeking public opinion with announcement of fixed date to collect the suggestions of the people to consider into the matter."

যিসকলে ইয়াত সমৰ্থন কৰিছে সংশোধনীৰ, তেওঁলোকে ক'ব হ'ব আৰু যিসকলে নাই কৰা তেওঁলোকে ক'ব নহ'ব। এই সংশোধনীৰ যিসকল সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'নহয়ৰ' সপেক্ষে , 'নহয়ৰ' সপেক্ষে , 'নহয়ৰ' সপেক্ষে, সংশোধনী প্ৰস্তাৱ নাকচ হৈছে। দফা নং ৩০ বিধেয়কখনৰ অংশ হ'ব। বিধেয়কখনৰ ৩১ ৰ পৰা ৫৯ দফা কেইটাত সংশোধনীৰ প্ৰস্তাৱ নাই। প্ৰস্তাৱটো হৈছে, এই গোটেই কেইটা দফা মই উত্থাপন কৰিছো এই দফা কেইটা। প্ৰশটো মই কৰিছো এই গোটেই কেইটা দফা বিধেয়কখনৰ অংশ হ'ব। যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, গতিকে এই দফা কেইটা বিধেয়কৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। হৈছে। বিধেয়কখনৰ ১ নং দফাত এটা amendment আছিল। কিন্তু amendment টো ইতিমধ্যে আমি আলোচনা কৰিলো নামটোৰ ক্ষেত্ৰত। গতিকে আপোনালোকেটো এইটো প্ৰত্যাহাৰ নকৰে। একেটা আছে। গতিকে সংশোধনী দুটা সদনত দাঙি ধৰিলো। যিসকলে সংশোধনী দুটাৰ সমৰ্থন কৰে তেওঁলোকে ক'ব হয় আৰু যিসকলে নকৰে তেওঁলোকে ক'ব নহয়। মই এতিয়া সংশোধনী উত্থাপন কৰিম। In preamble of the proposed Bill, after the words 'villages of appearing in line 4 and before the word 'for' apearing in line 6, the words "Goalpara, Dhubri, Bongaigaon and South Salmara District excluding the Bodoland Territorial Council and Rabha Hasong Autonomous Council Area" shall be sustituted by the words "the State of Assam." আৰু দুই নম্বৰত তেখেতসকলে দিছিল -

In Sub Clause (2) of Clause 1 of the proposed Bill, the words appearing in line 2 to 5 Goalpara, Dhubri, Bongaigaon and South Salmara District excluding the Bodoland Territorial Council and Rabha Hasong Autonomous Council Area" shall be sustituted by the words "the State of Assam." এই সংশোধনী দুটা যিসকল সপক্ষে আছে তেওঁলোকে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'নহয়ৰ' সপেক্ষে , 'নহয়ৰ' সপেক্ষে, 'নহয়ৰ' সপেক্ষে, সংশোধনী প্ৰস্তাৱ দুটা নাকচ হৈছে। গতিকে বিধেয়কৰ এই গোটেই কেইটা ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ, আৰম্ভণ বিধেয়কখনৰ অংশ হৈছে মই ঘোষণা কৰিছো। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰীচন্দন ব্ৰহ্ম (মাননীয় মন্ত্ৰী, ডব্লিউ পি টি এণ্ড বি চি ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Kamatapur Autonomus Council Bill, 2020' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে, 'The Kamatapur Autonomus Council Bill, 2020' be passed. যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে

কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, প্ৰস্তাৱ পাৰিত হৈছে, বিধেয়কখনো পাৰিত কৰা হৈছে।

'The Bengal, Agra and Assam Civil Courts (Assam Amendment) Bill, 2020' মই মাননীয় আইন মন্ত্ৰীক বিলখন উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য(মাননীয় মন্ত্ৰী আইন আৰু ন্যায়িক ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Bengal, Agra and Assam Civil Courts (Assam Amendment) Bill, 2020' দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল 'The Bengal, Agra and Assam Civil Courts (Assam Amendment) Bill, 2020' be taken into consideration. যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, প্ৰস্তাৱটো গৃহিত হৈছে। এতিয়া বিধেয়কখনৰ ২, ৩ নং দফাকেইটা সংশোধনীৰ প্ৰসাৰ নাই। মই সেয়ে, ২ নং, ৩ নং দফা দুটা বিধেয়কৰ অংশ হ'ব বুলি কৈছো। যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, গতিকে বিধেয়কখনৰ ২ নং, ৩ নং দফা দুটা বিধেয়কৰ অংশ হৈছে। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। মই এতিয়া প্ৰশ্নটো উত্থাপন কৰিছো। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিকেইটা Clause আছে, সেইকেইটাও বলেগে ক'ব লাগিব, ১ নং দফাটো নাম বেলেগে ক'ব লাগিব। দুটা লিখি দিছো। মই সেইকাৰণে আইন মন্ত্ৰীক এতিয়া বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য(মাননীয় মন্ত্ৰী আইন আৰু ন্যায়িক ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Bengal, Agra and Assam Civil Courts (Assam Amendment) Bill, 2020' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিম। 'The Bengal, Agra and Assam Civil Courts (Assam Amendment) Bill, 2020' be passed. যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, আইনখন আমি পাৰিত কৰা বুলি ঘোষণা কৰিলো।

'The National Law University and Judicial Academy, Assam (Amendment) Bill, 2020'. মই মাননীয় আইন মন্ত্ৰী ডাঙৰীয়াক বিলখন উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য(মাননীয় মন্ত্ৰী আইন আৰু ন্যায়িক ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The National Law University and Judicial Academy, Assam (Amendment) Bill, 2020' দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই শিতানৰ বিষয় প্ৰসংগত এটা

কথা ক'ব বিচাৰিছো। অসমত এটা বিষয় লৈ বিধান সভাত আমি কেওবাৰ চৰ্চা কৰিছিলো যে First Track Court. আৰু মোৰ এটা প্ৰশ্ন আছিল First Track Court ইয়াত অৰ্ন্তভুক্ত থাকিব নে?

**মাননীয় অধ্যক্ষ ঃ** This is related to the University and Institution. আমাৰ যিটো আমিন গাওঁত Institute আছে তাৰ ওপৰত হয় এইখন আইন সেই অনুষ্ঠানটোৰ কাৰণে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, First Track Court. এতিয়ালৈকে নাই অসমত।

**মাননীয় অধ্যক্ষ ঃ** সেইটো বেলেগ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত থাকিব নেকি।

**মাননীয় অধ্যক্ষ ঃ** Agriculture University ৰ ওপৰত কিবা এটা আলোচনা হৈছে। কৃষিৰ কথা হোৱা নাই এই মুহুৰ্তত। সেইটোৰেই। এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। 'The National Law University and Judicial Academy, Assam (Amendment) Bill, 2020'. এইটো বিবেচনাৰ বাবে লোৱা হওঁক। যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, প্ৰস্তাৱ গৃহীত হৈছে। বিধেয়কখনৰ ২ নং দফাত সংশোধনীৰ প্ৰস্তাৱ নাই। সেই কাৰণে এই দফাটো বিধেয়কখনৰ অংশ হ'ব। সেই কাৰণে ইয়াৰ সপক্ষে যিসকল আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, ২নং দফা বিধেয়কখনৰ অংশ হৈছে। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। গতিকে মই প্ৰস্তাৱটো উত্থাপন কৰিছো যে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (মাননীয় মন্ত্ৰী আইন আৰু ন্যায়িক ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The National Law University and Judicial Academy, Assam (Amendment) Bill, 2020'. পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে,'The National Law University and Judicial Academy, Assam (Amendment) Bill, 2020' be passed. যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, প্ৰস্তাৱ পাৰিত হৈছে, বিধেয়কখনো পাৰিত কৰা হ'ল বুলি ঘোষণা কৰিলো।

'The Guwahati Metropolitan Development Authority (Amendment) Bill, 2020' মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য(মাননীয় মন্ত্ৰী আইন আৰু ন্যায়িক ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Guwahati Metropolitan Development Authority (Amendment) Bill, 2020' দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো, 'The Guwahati Met-

ropolitan Development Authority (Amendment) Bill, 2020' be taken into consideration.যিসকল সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৰো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, প্ৰস্তাৱ গৃহীত হৈছে। শ্ৰী দেৱব্ৰত শইকীয়াৰ এটা আৰু শ্ৰী ৰূপজ্যোতি কুৰ্মীৰ এটা সংশোধনী আছিল। সংশোধনীটো আপুনি উত্থাপন কৰি ইয়াৰ ওপৰত বক্তব্য ৰাখিব পাৰে। মই সংশোধনীটো উত্থাপন কৰা বুলি ধৰি লৈছো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Guwahati Metropolitan Development Authority (Amendment) Bill, 2020' Clause 2, (1) .ৰ আমি এটা সংশোধনী আনিছো। After the word State PWD the word or any other State Department shall be added. আমি এই বিষয়টো এই কাৰণে আনিছো, ইয়াত দেখা গৈছে যিখন বিল আনিছে ইয়াত Chief Engineer of the Guwahati Metropolitianal Development Authority not below the rank of Superentendent Engineer of the State PWD to be appointed by the State Government. অকল PWD বুলি উল্লেখ কৰিছে। কিন্তু দেখা গৈছে Guwahati Metropolitan Development Authority যিটো ভৌগলিক এলেকা ইয়াত বহুখিনি কাম, সমস্যা ইয়াত আছে বা উন্নয়নৰ কথা আছে, ৰাইজৰ আপত্তিৰ কথা আছে। দেখা গৈছে যেনে বহুত বিভাগত সময়মতে কোনো এজন চৰকাৰী বিষয়া পদোন্নতি পোৱাৰ কাৰণে হওঁক বা অসুখৰ কাৰণে হওঁক বিভিন্ন অসুবিধাৰ কাৰণে হওঁক যেতিয়া খালী হৈ থাকে সেই পদটো, ৰাইজৰ বহুত অসুবিধা হয়। সেই কাৰণে অকল State PWD নকৰি or any State Department আমি shall be added. এইটো কাৰণে কৈছো যে Water Resource ৰ বহু জ্যেষ্ঠ অভিজ্ঞ বা APDCL, Agriculture, Soil Conservation Fishery ৰ পৰা আদি কৰি অন্যান্য বহু বিভাগত এনেকুৱাকৈ দক্ষ Engineer সমূহ থাকে। হয়তো তেওঁলোকেও এই Chief Engineer পদবী Guwahati Metropolitan Development Authority পদবীটো চলাব পৰা। সেইকাৰণে আমি অনুৰোধ জনাইছো, আমাৰ যিটো প্ৰস্তাৱ আনিছো অকল PWD নাৰাখি অনান্য বিভাগৰো ইয়াত সন্নিবিষ্ট কৰিব লাগে সেয়া আমাৰ এটা অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (মাননীয় মন্ত্ৰী আইন আৰু ন্যায়িক ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Guwahati Metropolitan Development Authority, আপুনি জানে যে, ১৯৮৫ চনত এইখন স্থাপন কৰা হৈছিল এখন আইনৰ জৰিয়তে আৰু এই আইনখন যেতিয়া প্ৰণয়ন কৰা হৈছিল, তেতিয়া অভিযন্তা যিগৰাকীক লোৱা হৈছিল তেওঁক Superentendent Engineer rank লোৱা হৈছিল। পৰৱৰ্তী সময়ত ২০১১ চনত কিছু Amendment অনা হৈছিল আৰু এই Amendment আনি Chief Engineerৰ ক্ষেত্ৰত লোৱা হৈছিল যে PWD Department ৰ Additional Chief Engineer rank ৰ মানুহে তেখেতসকল ইয়াৰ বাবে বিবেচিত হ'ব। আমি এতিয়া কাৰ্য্যকৰী ক্ষেত্ৰত মাননীয় সদস্য গৰাকী কোৱাৰ নিচিনাকৈ আমি দেখিছো যে Additional Chief Engineer level ৰ মানুহে সোনকালে এটা Chief Engineer পদলৈ এটা বিভাগৰ পদলৈ আহিব নোখোজে, তাৰ বাবে আমাৰ যথেষ্ট অসুবিধা হৈছে। গতিকে ১৯৮৫ চনৰ যিটো ব্যৱস্থা আছিল, সেই ব্যৱস্থালৈ আমি ঘুৰি যাব বিচাৰিছো আৰু সেই কাৰণে Amendment খন অনা হৈছে। অকল PWD ক কিয় দিয়া হৈছে, সেইটো

কেবিনেটতো যথেষ্ট গুৰুত্ব সহকাৰে বিবেচনা কৰা হৈছে। GMD Guwahati Metropolitan Development Authority য়ে যিখিনি কাম-কাজ কৰে সেইখিনি PWD ৰ লগত যথেষ্ট সামঞ্জস্য আছে। গতিকে আমি যদি অন্য কোনোবা এটা বিভাগৰ পৰা মানুহ এজন আনো তেওঁ বহুতো ক্ষেত্ৰত এই যিখিনি আমাৰ কাম-কাজ GMD ৰ মাধ্যমেৰে কৰা হয় তেখেত খুব অৱগত নহয় আৰু সেইবাবে Specifically PWD ৰ পৰা এজন Superentendent Engineer Rank মানুহৰ ব্যৱস্থা কৰিবৰ বাবে এই Amendment অনা হৈছে। এইটো ১৯৮৫ চনৰ যিটো Amendment আছিল সেইটোৱে। ২০১১ চনত যিটো Amendment কৰা হৈছেল তাতো কিন্তু PWD Department পৰাহে বিচৰা হৈছিল। তেওঁলোকে Additional Chief Engineer বিচাৰিছিল, Additional Chief Engineer rank ত যোৱাৰ পাছত সাধাৰণতে মানুহে এনেকুৱা অনুষ্ঠানত আহিব নুখুজে। সেইবাবে আকৌ আমি ১৯৮৫ চনৰ এই Superentendent Engineer ক আমি Restore কৰিব খুজিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সদনে কথাটো বুজিছে আৰু সংশোধনী প্ৰত্যাহাৰ কৰিছে বুলি মই ঘোষণা কৰিছো। এতিয়া সদনৰ সন্মতি সপক্ষে সংশোধনী প্ৰত্যাহাৰ কৰা হৈছে বুলি মই কলো আৰু মই ভাবো সেইকাৰণে দফা নং ২ বিধেয়কখনৰ অংশ হৈছে। যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, ২ নং দফাটো বিধেয়কৰ অংশ হ'ল বুলি মই ঘোষণা কৰিলো। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়ে মই প্ৰশ্নটো কৰিছো বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হৈছে বুলি মই ঘোঘণা কৰিলো। এতিয়া মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়কখন পাৰিত কৰাৰ বাবে উত্থাপন কৰাৰ বাবে অনুৰোধ কৰিছো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (মাননীয় মন্ত্ৰী আইন আৰু ন্যায়িক ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Guwahati Metropolitan Development Authority (Amendment) Bill, 2020' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো উত্থাপন কৰিছো 'The Guwahati Metropolitan Development Authority (Amendment) Bill, 2020' be passed. যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, প্ৰস্তাৱটো পাৰিত হৈছে বুলি মই ঘোষণা কৰিছো আৰু বিধেয়কখনো পাৰিত কৰা হ'ল। 'The Assam State Capital Region Development Authotity (Amendment) Bill, 2020' মাননীয় গুৱাহাটী উন্নয়ন মন্ত্ৰী।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (মাননীয় মন্ত্ৰী আইন আৰু ন্যায়িক ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়,'The Assam State Capital Region Development Authotity (Amendment) Bill, 2020' দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে "The Assam State Capital Region

Development Authority(Amendment) Bill, 2020" be taken into consideration. যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়, মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে।

বিধেয়কৰ ২ নং দফাত কোনো সংশোধনী নাই। গতিকে ২ নং দফাটো বিধেয়কৰ অংশ হ'ব। যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়, মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ নং দফাটো বিধেয়কৰ অংশ হ'ল।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ অলপ ক'বলগা আছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে consideration ৰ সময়তে ক'ব লাগে। এতিয়া আমি সংশোধনীলৈ গুচি গলো। তথাপিও কিবা আছে যদি এইটো শেষ কৰাৰ পাছত মই আপোনাক অলপ ক'বলৈ দিম যদিও officially দিব নোৱাৰো।

এতিয়া, বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। মই প্ৰশ্নটো উত্থাপন কৰিছো, বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ব। যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়, মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ল।

আপোনালোকে হয় বা নহয়টো অলপ ডাঙৰকৈ ক'ব। কিয়নো বিল সমূহ পাচ কৰাৰ এটা নিয়ম আছে।

এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱ দাঙি ধৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam State Capital Region Development Authority(Amendment) Bill, 2020" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

এতিয়া শ্ৰী শ্বেৰমান আলী ডাঙৰীয়া আপোনাৰ পৰামৰ্শটো দিয়ক।

**শ্ৰী দীপক ৰাভা (দুধনৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দু-আষাৰ মান ক'বলৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। শ্বেৰমান আলী ডাঙৰীয়াক দিছো যদি আপোনাকো অলপ ক'বলৈ দিম।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam State Capital Region Development Authority(Amendment) Bill, 2020"খন Autonomous Council সমূহক exclude কৰাৰ কাৰণে অনা হৈছে আৰু এই ক্ষেত্ৰত কোৱা হৈছে যে মূলত গুৱাহাটী আৰু ইয়াৰ আশে-পাশে থকা অঞ্চল সমূহক সামৰি "Assam State Capital Region Development Authority" গঠণ কৰা হৈছে to develop Guwahati City, the capital of Assam into a vibrant city. এইক্ষেত্ৰত আমাৰ কামৰূপ জিলাৰ extension হৈছে upto ৰঙিয়া, ছয়গাওঁ, গৰৈমাৰী, বকো আৰু এইফালে মৰিগাও জিলাৰ Capital Region ত extension হৈছে মায়ং, মৰিগাওঁ circle লৈ। গৰৈমাৰী, ছয়গাওঁ যিমান দূৰ, তাতকৈ কম দূৰত অৱস্থিত হৈ আছে মুকালমুৱা, ৰামপুৰ, দৌলাশাল। Hardly 50 km. দূৰত। কিন্তু মায়ং , মৰিগাওঁ বা গৰৈমাৰীৰ দূৰত্ব ৬০ কি মি ত কৈও বেচি।

সেইকাৰণে, যিহেতু আমাৰ প্ৰধান উদ্দেশ্য to develop the capital of Assam into a vibrant city encompassing all the near by area, মই, অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম, আমাৰ যিহেতু আৰু এটা session হ'ব অহা ডিচেম্বৰ মাহত। গতিকে ডিচেম্বৰত এটা amendment আনিব পৰা যায় নেকি যে আমাৰ মুকালমুৱা, ৰামপুৰ, দৌলাশালক এই Capital Region ত অন্তৰ্ভুক্ত কৰি লোৱা হওক। যিহেতু এই অঞ্চলসমূহ already অন্তৰ্ভুক্ত হৈ থকা অঞ্চল সমূহতকৈ বহুত ওচৰত। সেইকাৰণে এইটো মই বিবেচনা কৰিব পৰা যায় নেকি তাৰ বাবে মই অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী দীপক ৰাভা, আপোনাৰ পৰামৰ্শ জনাওক।

**শ্ৰী দীপক ৰাভা (দুধনৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো "The Assam State Capital Region Development Authority(Amendment) Bill, 2020" এই সম্পৰ্কত আমাৰ ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ upto বকো লৈকে Capital Region ত অন্তৰ্ভুক্ত কৰা হৈছিলে আৰু তিৱা কাউন্সিলৰো এটা পাৰ্ট অন্তৰ্ভুক্ত কৰা হৈছিলে। কিন্তু আমাৰ ৰাভা হাচংৰ বিভিন্ন দল, সংগঠণে এইটোত প্ৰতিবাদ কৰিছিলে যে এই "The Assam State Capital Region Development Authority(Amendment) Bill, 2020" ৰ পৰা এইটো আতৰাব লাগে বুলি। গতিকে আজিৰ এই amendment ৰ জৰিয়তে গোটেই কথাখিনি কি হৈছে মই ভালদৰে বুজিব পৰা নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে যদি এই কথাখিনি অলপ ভালদৰে বুজাই দিয়ে কাৰণ যি সম্পৰ্কত আমাৰ সন্মানীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই amendment ৰ জৰিয়তে ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদখন এই State Capital Region Development Authority(Amendment) Bill ৰ পৰা বাহিৰত ৰখা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিলে।

**মাননীয় অধ্যক্ষ ঃ** এইটো তাতে আছে। এইবাৰ বিলখন সেইবাবেই আনিছে। মোৰ যদি ভুল হোৱা নাই যিহেতু মই পঢ়ি চাইছো ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদখন আৰু তিৱা স্বায়ত্ব শাসিত পৰিষদখন বাদ দি পেলাই এই amendment টো আনিছিলে। শ্বেৰমান আলী ডাঙৰীয়াই মাথো কৈছে যে আৰু অলপ অঞ্চল include কৰিব লাগে বুলি। গতিকে ৰাভা ডাঙৰীয়া, আপোনাৰটো হৈছে আৰু তাৰবাবে আপুনি ধন্যবাদহে দিব লাগে।

**শ্ৰী দীপক ৰাভা (দুধনৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী ডাঙৰীয়া আৰু অসম চৰকাৰক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** শ্বেৰমান আলী ডাঙৰীয়াই এটা proposal দিছে যে অহাবাৰলৈ আৰু কিছু অঞ্চল include কৰিব লাগে বুলি। এইটো চাব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তিৱা কাউন্সিলৰ যিটো জাগীৰোড Development Authority, মানে জাগীৰোড চহৰখনৰ বাসিন্দাসকলে বিচাৰিছে যে এইটো include হৈ থাকক। সেইটো আমাৰ amendment ত mention কৰা আছে। এইটো ৫ নং ত আছে। মৰিগাওঁ জিলাত মায়ং আৰু মৰিগাওঁ circle, cxcluding Tiwa Autonomous Council Areas except Jagiroad Development Authority Areas.

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া বিধেয়কখন অনুমোদনৰ বাবে সদনত উত্থাপন কৰিলো। "The Assam State Capital Region Development Authority(Amendment)

Bill, 2020" be passed. যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱ পাৰিত হৈছে আৰু বিধেয়কখনো পাৰিত কৰা হৈছে বুলি ঘোষণা কৰিলো।

এতিয়া Item No. 15- "The Assam Agricultural Produce & Livestock Marketing ( Promotion & Facilitation) Bill, 2020". ৰাজভৱনৰ পৰা এটা বাণী দিছে মই পঢ়ি দিছো- Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that " The Assam Agricultural Produce & Livestock Marketing ( Promotion & Facilitation) Bill, 2020" be taken into consideration by the Assam Legislative Assembly.

এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক বিলখন উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Agricultural Produce & Livestock Marketing ( Promotion & Facilitation) Bill, 2020" বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো - " The Assam Agricultural Produce & Livestock Marketing ( Promotion & Facilitation) Bill, 2020" be taken into consideration. যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল বুলি ঘোষণা কৰিলো।

ইয়াত AIUDF বিধায়িনী দলৰ amendment আছে বিধেয়কৰ ২ নং দফা, ১২৫ নং দফা আৰু ১২৬ নং দফাত। এতিয়া consideration stage তে কলেই হ'ল।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো বিল আনিছে এইখন এখন অতি গুৰুত্বপূৰ্ণ বিল। এই বিষয়ে আলোচনা হ'ব। আমাৰ এটা সামান্য amendment আছে। অসম Agriculture base ৰাজ্য। কিন্তু ব্ৰহ্মপুত্ৰ আৰু আন আন নদী সমূহৰ গৰাখহনীয়াত কেইবালাখ হেক্টৰ আমাৰ কৃষিভূমি উটি গৈছে। ইয়াত মই ক' বিচাৰিছো যে ইতিমধ্যে Central Government ৰ কেবিনেটে যিটো সিদ্ধান্ত ললে EIA ( Environment Impact Assesment) আজি অসমৰ বিভিন্ন দল, সংগঠণে তাৰ বিৰোধীতা কৰি আহিছে। এই সিদ্ধান্ত যদি বাহাল থাকে তেতিয়াহলে অসমৰ আৰু অধিক কৃষিভূমি আমাৰ হাতৰ পৰা যাব। যিহেতু আগতে International Border ত Industries বা Mining কৰাৰ কাৰণে বহুত condition আছিল। কিন্তু সেইবিলাক নাথাকিব। ভুটান আৰু বাংলাদেশৰ লগত আমাৰ কিমান ডাঙৰ Border. গতিকে এই Border এলেকাবিলাকত যেনেদৰে ইতিমধ্যে যিটো দিহিং পাটকাই অৰণ্যত আৰম্ভ হৈছে, আমাৰ পৰিবেশ বিনষ্ট হ'ব, কৃষিভূমি আমাৰ হাতৰ পৰা যাব। অসম যিহেতু এখন সৰু Agricuture base ৰাজ্য আৰু ইয়াৰ বহু কৃষিভূমি ইতিমধ্যে নদীত জাহ গৈছে। কিন্তু ইয়াৰ উপৰিও EIA ৰ সিদ্ধান্তমৰ্মে যদি এই condition বোৰ সহজ কৰি দিয়ে তেন্তে আৰু অধিক কৃষিভূমি অসমৰ হাতৰ পৰা গুছি যাব আৰু আমাৰ কৃষকৰ হাতত পৰ্য্যাপ্ত পৰিমাণে ভূমি নাথাকিব। এতিয়া যিহেতু কৃষিমন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে, গতিকে কৃষকৰ মাটি কৃষকৰ হাতত থকাৰ স্বাৰ্থত আমি তেওঁক

অনুৰোধ কৰিছো যে অসম বিধান সভাত এটা সিদ্ধান্ত লৈ দিল্লীক আমি জনাব পাৰো নেকি যে এখেত সকলৰ যিটো সিদ্ধান্ত সেইটো পুণৰ বিবেচনা কৰিব লাগে। অসমত যিহেতু বিভিন্ন দল, সংগঠণে বিৰোধ কৰিছে কাৰণ কৃষকৰ হাতত ভূমি নাথাকিব আৰু যদি Border area ৰ Forest আৰু কৃষিভূমি আমাৰ হাতৰ পৰা যাব তাৰ কাৰণে বহুত ক্ষতি হ'ব আৰু পৰিবেশ বিনষ্ট হ'ব। সেইকথাখিনি মই মাননীয় অধ্যক্ষ মহোদয়, আপোনৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অৱগত কৰিছো। এই বিষয়ে বিবেচনা কৰি এটা সিদ্ধান্ত লৈ যদি দিল্লীলৈকে পঠাব পাৰে তেন্তে মই ভাৱো কৃষক ৰাইজ আৰু আমি উপকৃত হ'ম।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, ধন্যবাদ। শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, আপোনাৰ সংশোধনী কেইটাও কৈ দিব।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওবৈচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Agricultural Produce & Livestock Marketing ( Promotion & Facilitation) Bill, 2020" ইয়াৰ ওপৰত আমাৰ চাৰিটামান amendment আছে যিবোৰ মই একেলগে উঠাই দিব বিচাৰিছো। বিলখন পঢ়াৰ কাৰণে আমি সময় কম পাইছো। ওপৰে ওপৰে চকু ফুৰাই যিটো পালো, অসমখন যিহেতুকে এখন কৃষিৰ ওপৰত ভিত্তি কৰি চলা ৰাজ্য, এই বিলখন সচাঁকৈ যদি আমি বাস্তৱ ৰূপত ৰূপায়ণ কৰিব পাৰো তেতিয়া ই এখন milestone হ'ব। বিলখনত আমাৰ আপত্তি নাই। কিন্তু তিনি চাৰিটামান সৰু সৰু amendment হে দিব বিচাৰিছো।

In Sub Clause (2) of Clause 2 ত এটা শব্দ আছে 'tenant'. Agriculturalist means a person who is either an occupant of a land or a tenant. এতিয়া কথা হ'ল যে কৃষক বুলি ক'লে আমি সাধাৰণতে বুজো যে কৃষকৰ ইংৰাজী প্ৰতিশব্দ টো হেছে Farmer বা Cultivator. ইয়াত Agriculturalist কোৱা হৈছে। Industry যাৰ থাকে তেওঁ Industrialist, Agriculture ৰ ওপৰত ভিত্তি কৰি যিয়ে চলে তেওঁক Agriculturalist বুলি ক'ব বিচৰা হৈছে। সেইটো আমি আপত্তি কৰা নাই। যিহেতুকে উদ্যোগৰ মালিকজন উদ্যোগপতি, Agriculture ৰ মালিকজন Agriculturalist. তেনেহলে 'tenant' হ'ল ভাৰাতীয়া বা আধি কৰা। তেওঁ কেনেকৈ Agriculturalist হ'ল। গতিকে এই 'tenant' শব্দটো যদি delete কৰি দিয়ে তেতিয়াহলে আইনখনৰ এটা ন্যায্যতা থাকিব।

Clause 125 ত আছে penalty for violation of Section 97. Section 97 টো হ'ল regulation of marketing of agricultural produce. এতিয়া regulation of marketing ত যিসকলে violation কৰে তাৰ punishment ৰ কথা কোৱা হৈছে Clause 125 ত । আমি কোৰ্ট কাছাৰীত দেখো যে মানুহক শাস্তি দিয়া হয়, এই শাস্তি কিয় দিয়া হয়? এই মানুহজনক শাস্তি দিয়াৰ লগতে আৰু এটা উদ্দেশ্য থাকে যে সেই শাস্তি দেখি বেলেগ মানুহে যাতে তেনেকুৱা ধৰণৰ অন্যায় অনিয়ম নকৰে। গতিকে ইয়াত শাস্তিৰ পৰিমাণ ৬ মাহৰ সলনি ১ বছৰ কৰিব লাগে আৰু ফাইনটো ৫ হাজাৰ টকাৰ ঠাইত ১০ হাজাৰ কৰিব লাগে।

Clause 126 টো আমি একেখিনি কথাই কৈছো। Clause 126 টো হৈছে penalty for operating a market without license. যিজনে license নোহোৱাকৈ

marketing কৰিব তাতো আমি একেটা কথাই কৈছো। ইয়াত শাস্তিৰ পৰিমাণ ৬ মাহৰ সলনি ১ বছৰ কৰিব লাগে আৰু ফাইনটো ৫ হাজাৰ টকাৰ ঠাইত ১০ হাজাৰ কৰিব লাগে।

Clause 132 টোতো একেখিনি কথাই। ইয়াতো আমি শাস্তিৰ পৰিমাণ ৬ মাহৰ সলনি ১ বছৰ কৰিব লাগে। Obstruction of implement the Act, এই আইনখন প্ৰযোজ্য কৰোতে বা লাগু কৰোতে কোনোবাই যদি বাধা দিয়ে আৰু মই practical experience ৰ পৰাও দেখিছো যে বহু ক্ষেত্ৰত এনেকুৱা বাধা আহে। মই তাত এটা Cold Storage বহাব যাওঁতে, মাননীয় Finance Minister য়ে ৪ বছৰ আগতে এটা Signature project দিছিলে, যদিও এই কথাটো ইয়াত related নহয় কিন্তু মানুহে যে বাধা দিয়ে সেইটো ক'ব বিচাৰিছো। ইয়াৰ কাৰণে আমাক মাটি বা আন বোৰ কাম কৰোতে চাৰি বছৰ সময় লাগিল। এনে বাধা আহিব পাৰে। গতিকে তাত যদি খুউব কঠোৰ শাস্তি দিয়া হয় তেতিয়া আন লোক সকলে এনেকুৱা ধৰণৰ কাম কৰিবলৈ ভয় খাব। সেয়েহে Strongest punishment হ'ব লাগে। যিসকলে ইয়াত Obstruction কৰিব বিচাৰে তাত আমি কৈছো punishment টো ৬ মাহৰ সলনি ১ বছৰ কৰিব লাগে আৰু ফাইনটো ১০ হাজাৰ টকাৰ ঠাইত ২০ হাজাৰ কৰিব লাগে। এই ক থাখিনিৰ ওপৰত আমি সংশোধনী বিচাৰিছো AIUDF বিধায়িনী দলৰ পৰা।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে চৰকাৰৰ তৰফৰ পৰা এটা amendment অনা হৈছিল। সেইটো মই move কৰি লওঁ।

**মাননীয় অধ্যক্ষ ঃ** সময় যিহেতু আছে আপুনি এইটো পিছত কৰিব এতিয়া তেখেতসকলে যিটো প্ৰশ্ন কৰিছে এইটোৰ ওপৰত প্ৰথমতে কৈ লওক।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ৰফিকুল ইছলাম ডাঙৰীয়াই তেখেতৰ বক্তব্যত যিখিনি কথা ক'লে, কথাখিনি নোহোৱা নহয়। কিন্তু মই ভাৱো তেওঁৰ কথাখিনি এই Act ৰ লগত সম্পৰ্কিত নহয়। সেয়েহে মই ভাৱো তেওঁ অন্য ধৰণেৰে তেওঁৰ কথাখিনি অনা ভাল।

তাৰোপৰি সন্মানীয় সদস্য মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই যিকেইটা amendment আনিছিল, মাননীয় অধ্যক্ষ মহোদয়, এই "The Assam Agricultural Produce & Livestock Marketing ( Promotion & Facilitation) Bill, 2020" খন প্ৰস্তুত কৰা হৈছিল ভাৰত চৰকাৰৰ in the line of model APLM Act, 2017. For the efficient potential of agricultural marketing system in the Assembly. এতিয়া কথা হ'ল এই যিখন "The Assam Agricultural Produce & Livestock Marketing ( Promotion & Facilitation) Bill, 2020" যিখন আমি আনিছো ইয়াৰ Sub Clause (2) of Clause 2 ত থকা 'tenant' শব্দটো কেন্দ্ৰীয় চৰকাৰৰ Model Agricultural Produce & Livestock Marketing Act, 2017 ৰ পৰা গ্ৰহণ কৰি বিলখনৰ Agriculturalist ৰ definition ত সন্নিবিষ্ট কৰা হৈছে।

উল্লেখযোগ্য যে Assam Tenancy Act ৰ অধীনত Tenant Riot সকলক কৃষক হিচাপে গ্ৰহণ কৰা হৈছে। এতেকে এই Tenant শব্দটো বিলখনৰ পৰা বাতিল কৰিব পৰা নাযায়। ইয়াৰ উপৰিও তেখেতে বাকী যিখিনি Clause 125, 126 আৰু 132 ৰ কথাটো আনিছে সেইখিনি আমি বিবেচনা কৰিব পাৰো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আমি আলোচনাটো এই কাৰণেই দিছো কাৰণ বিলৰ আলোচনাটোৱে সদনৰ মূল আলোচনা। এতিয়া কৃষি মন্ত্ৰী ডাঙৰীয়াই যিহেতু উত্তৰ দিছে মই প্ৰস্তাৱটো দাঙি ধৰিছো -"The Assam Agricultural Produce & Livestock Marketing ( Promotion & Facilitation) Bill, 2020"be taken into consideration. যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। এই Amendment কেইটা withdraw কৰিব পৰা যায় বুলি মই ঘোষণা কৰিব পাৰোনে?

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়। মাননীয় মন্ত্ৰী ডাঙৰীয়াই খুৱ positively উত্তৰ দিছে। গতিকে আমি ভাল পাইছো আৰু unconditionaly আমি এইকেইটা উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। গতিকে মই এই কেইটা withdraw কৰা বুলি ধৰিছো। যিহেতু গোটেইকেইটা withdraw হৈছে গতিকে বিধেয়কৰ ২ নং দফাৰ পৰা ১৩১ লৈ সংশোধনী নাই বুলি ঘোষণা কৰিছো। বিধেয়কৰ ২ নং দফাৰ পৰা ১৩১ নং দফা কেইটা বিধেয়কৰ অংশ হ'ব বুলি মই ক'ব বিচাৰিছো। মই প্ৰশ্নটো কৰিছো -২ নং দফাৰ পৰা ১৩১ নং দফা কেইটা বিধেয়কৰ অংশ হ'ব। যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ নং দফাৰ পৰা ১৩১ নং দফা কেইটা বিধেয়কৰ অংশ হ'ল বুলি মই ঘোষণা কৰিলো।

এতিয়া এটা চৰকাৰী সংশোধনী প্ৰস্তাৱ আছে। মই সংশোধনী প্ৰস্তাৱটো মন্ত্ৰী ডাঙৰীয়াক উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move "The Assam Agricultural Produce & Livestock Marketing ( Promotion & Facilitation) Bill, 2020" in Clause 1 of Sub Clause (3) the following shall be substituted mainly. "(3) It shall come into force on such date as the State Government may, by notification in the Official Gazette, appoint."

**মাননীয় অধ্যক্ষ ঃ**

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে চৰকাৰী সংশোধনী প্ৰস্তাৱটো গৃহীত হৈছে বুলি মই ঘোষণা কৰিছো। মই কোৱা কথা এটা কাৰেকশ্যন কৰিবলৈ কৈছো ২ ৰ পৰা ১৬৪ নং দফা হ'ব লাগে। প্ৰদান সচিব মহোদয় অনুগ্ৰহ কৰি এইটো চাব। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত উত্থাপন কৰিলো।

বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ চৰকাৰী সংশোধনী সহ বিধেয়ক খনৰ অংশ হ'ল বুলি মই

ঘোষণা কৰিছো। এতিয়া মাননীয় কৃষি মন্ত্ৰীক মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অতুল বৰা (কৃষিমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Agricultural Produce & Livestock Marketing (Promotion and Facilitation) Bill, 2020' পাৰিত কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে -

'The Assam Agricultural Produce & Livestock Marketing (Promotion and Facilitation) Bill, 2020' be passed.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়ক খনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিছো।

**এতিয়া কাৰ্য্যসূচী নং ১৬ ঃ**

'The Assam Municipal (Amendment) Bill, 2020' মই মন্ত্ৰী ডাঙৰীয়াক সদনত এই বিলখন উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী পিযুজ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Municipal (Amendment) Bill, 2020' দফাই দফাই বিবেচনাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ, দেবব্ৰত শইকীয়া আৰু ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰ নামত দুটা সংশোধনী আছে। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া আপুনি প্ৰস্তাৱটো উত্থাপন কৰক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Municipal (Amendment) Bill, 2020' এই সন্দৰ্ভত ক্লজ ২ ৰ চাব-ক্লজ ৫ ৰ if the term of office of the Commissioner expire and the election can not be held for any exceptional circumstance, the state Governemnt shall direct the Deputy Commissioner or the Sub-Divisional Officer (Civil) as the case may be of the respective judicial to take over the charge of the Board for a period not exceeding six months অৰ্থাৎ ১২ মাহৰ ঠাইত ৬ মাহ হোৱাটো বিচাৰো। এই সন্দৰ্ভত ইয়াৰ লগত আমি অলপ ক'ব বিচাৰিম। ইয়াৰ পিছতেই from the date of expiry of the term of the office of the commissioner and all the power and duties which under this act may be exercise and perform by the board wheather at a time or otherwise shall be perform by the Deputy Commissioner or Sub-Divisional Officer (Civil) or by person nominated by the Deputy Commissioner or Sub-Divisional Officer (Civil) until the new Board is rconstituted after elcetion of the Commissioner shall be deleted আমি এইটো বিচাৰিছো। এই সন্দৰ্ভত চমুকৈ ক'ব বিচাৰিছো এই 'The Assam Municipal (Amendment) Bill,

2020' খন ১৯৫৬ ৰ এক্টৰ কিছু সংশোধনী আনি এটা নতুন নিয়মাৱলী ইয়াত সন্নিবিষ্ট কৰিব বিচাৰিছে। যিহেতু মোৰ সমষ্টি মৰিয়ণিত নগৰ সমিতি আছে। এইটো নগৰ অঞ্চলৰ এটা খুব গুৰুত্বপূৰ্ণ বডী আৰু বিশেষকৈ নগৰ অঞ্চলৰ লগত জড়িত গ্ৰাম্যাঞ্চলৰ বহুখিনি কথাই জড়িত হৈ আছে। ইয়াত যদি ১ বছৰলৈকে দায়িত্ব দিব নোৱাৰো তেতিয়া বিভিন্ন বিসংগতি হোৱাৰ সম্ভাৱনা আছে। সেয়ে নিৰ্ব্বাচনৰ অধিসূচনা জাৰি কৰা বা তাৰ পিছৰ সময় কণ অৰ্থাৎ ফলাফল ঘোষণা কৰা লৈকে ১ বছৰ সময় লাগিব নালাগে সেয়ে আমি আশা ৰাখিছো যাতে ১ বছৰৰ ঠাইত ৬ মাহ হয়। দ্বিতীয়তে আমি ক'ব বিচাৰিছো or by person nominated by the Deputy Commissioner or Sub-Divisional Officer (Civil) shall be deleted এইকাৰনেই ক'ব বিচাৰিছো কাৰন যিকোনো চৰকাৰী কাম সমূহৰ ক্ষেত্ৰত যদি আমি competent authority বুলি ক'ব যাওঁ তেন্তে Accountability থকা বিষয়া সমূহ যেনে Magistrate, Assistant Commissioner, ADC, Circle Oficer তেওঁলোকে স্বচ্ছতা বজাই ৰাখিব বা চৰকাৰী আইন উলংঘা নকৰিব। যদি any person nominated by the Deputy Commissioner or Sub-Divisional Officer (Civil) ইয়াত person ৰ ঠাইত Government Officer হ'ব লাগে, person word টো আহিব নালাগে। নহ'লে এনেকুৱা হ'ব Congress বা BJP এ নিজৰ মানুহ বহুৱাই দিলে কিমান accountability থাকিব সন্দেহ থাকিব। সেইকাৰণে আমি বিচাৰিছো যে Deputy Commissioner or Sub-Divisional Officer shall appoint a officer তেতিয়া আমাৰ ইয়াত আপত্তি নাই। ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি কিবা কাৰণত কমিশ্যনাৰ সকলৰ ম্যাদ পাৰ হৈ যায় বা কিবা circumstance ৰ কাৰণে যদি ইলেকশ্যন পাতিব নোৱাৰে তেনেহ'লে ১ বছৰলৈকে ডেপুটী কমিশ্যনাৰ বা এচ ডি অ' চিভিল গৰকীয়ে চাৰ্জ ল'ব বা বেলেগক দিব। আমাৰ কথাটো হ'ল ১ বছৰ কৰিলে হয়তো ইলেকশ্যন পতাৰ পৰ্য্যায় আহিলেও নাপাতিব পাৰে। সেইকাৰণে আমি ভাৰো যে ৬ মাহলৈকে ডেপুটী কমিশ্যনাৰ বা এচ ডি অ' চিভিল গৰকীয়ে চাজৰ্ত থাকক তাৰ পিছত ইলেকশ্যনটো পাতি দিয়ক। নহ'লে ডেম'ক্ৰেটিক ৰাইটটো ভায়'লেট হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 1956 Municipal Amendment Act ৬ মাহৰ পৰা ১২ মাহলৈ এক্সটেন কৰিব বিচাৰিছে। এই বোৰ্ডটো অক্ষুন্ন ৰখাই হৈছে আমাৰ দায়িত্ব আৰু কৰ্তব্য কাৰণ এইটোৱে হৈছে আমাৰ হাইয়েষ্ট কোৰাম। কথাটো হৈছে বি টি এ ডি ইলেকশ্যনৰ কাৰণে ইতিমধ্যে নটিফিকেশ্যন হৈ গ'ল, বিহাৰৰ ইলেকশ্যনৰ কাৰণে এতিয়া কথা চলি আছে, অসমৰ বিধান সভা ইলেকশ্যন হ'ব কিন্তু মিউনিচিপালটিৰ ইলেকশ্যন বন্ধ কৰি থোৱাৰ কি কাৰণ আছে। সেয়ে মই ভাৱো গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাবে আমি এইখিনি কিয় কৰিব নোৱাৰিম। সেইটো কাৰণে মই অনুৰোধ জনাম যে এডমিনিষ্ট্ৰেটিভ দিব লগা হয় যদি দিয়ক কিন্তু লগতে আমাৰ যিখিনি মিউনিচিপালটি ৱাৰ্ড কমিশ্যনাৰ হাৰিছিলে তেওঁলোকক মেম্বাৰ দিয়ক। কিবা এটা চীচটেমৰ মাজেদি যাব লাগিব। আমাৰ ডেম'ক্ৰেচী অক্ষুন্ন ৰাখিব লাগিব। দ্বিতীয়তে, ৪ চেপ্তেম্বৰ ২০১৩ ত আমাৰ যিখিনি মিউনিচিপালিটিৰ কৰ্মী আছে তেওঁলোকৰ প্ৰভিনচিয়েলাইজ কৰিবৰ কাৰণে কেবিনেট সিদ্ধান্ত হৈছিল কিন্তু এতিয়ালৈকে কৰিব পৰা নাই। এই কথাখিনি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিলখনৰ প্ৰস্তাৱটো সদনত উত্থাপন কৰিব বিচাৰিছো। বিধেয়কখনৰ

২ নং দফাত যিটো সংশোধনী আছে সেইটো ল'ব বিচাৰিছো। 'The Assam Municipal (Amendment) Bill, 2020' be taken into consideration.
এতিয়া মন্ত্ৰী মহোদয়ে উত্তৰতো দি লওঁক।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ডেপুটী কমিশ্যনাৰক চাৰ্জ দিবৰ কাৰণে যি সিদ্ধান্ত লোৱা হৈছিল তাত ১ এপ্ৰিল তাৰিখে এখন অ'ৰডিনেঞ্চ আনিছিলো। তাৰ আগতে সন্মানীয় গুৱাহাটী উচ্চ ন্যায়ালত কেইগৰাকীমান প্ৰাক্তন মিউনিচিপালটি বোৰ্ডৰ অধ্যক্ষই এক্সটেনশ্যন বিচাৰি কেচ কৰিছিলে। কিন্তু সেই আপীলটো মহামান্য উচ্চ ন্যায়ালয়ে বাৰণ কৰিছিলে। আমি সকলোৰে এই মূহুৰ্ত্তত ক'ভিডৰ মহামাৰী ৰূপৰ কথা সকলোৰে জানো। আজি আমাৰ শইকীয়া ডাঙৰীয়া, এ আই ইউ ডি এফ দলৰ পৰা সংশোধনী আনিছে, মই যদি ভুল কোৱা নাই যেতিয়া আমি বি টি এ ডি ইলেকশ্যন কেনচেল কৰা নাছিলো তেতিয়া আপোনালোকে কৈছিল যে কিয় ইলেকশ্যন পাতিব লাগে যিহেতু ক'ভিডৰ কাৰণে মানুহ মৃত্যু মুখত পৰি আছে। কংগ্ৰেছ কৰ্মী বহুতৰে মই ফেচবুক, টুইটাৰত দেখিছিলো যে Government is so irresponsible they don't think about the life of the people that is why they are going to held election in BTAD. এতিয়া যদি আকৌ আমি মিউনিচিপালটি ইলেকশ্যন পাতো আপোনালোকে সেইটো কথাকেই ক'ব। আমি সমগ্ৰ অসমৰ কথা চিন্তা কৰিব লাগিব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, ইলেকশ্যনটো নাইকিয়া কৰিবলৈ আমাৰ কোনো ধৰণৰ বেলেগ চিন্তা নাই। ডেম'ক্ৰেচীত যিহেতু ইলেকশ্যন বাধ্যতামূলক গতিকে আমি ইলেকশ্যন পাতিবই লাগিব, ইলেকশ্যনৰ পৰা আঁতৰি থকাৰ অভিপ্ৰায় আমাৰ একেবাৰেই নাই কিন্তু ক'ভিডৰ কাৰণে এতিয়া ইলেকশ্যন পাতিব পৰা নাই। অ'ৰডিনেঞ্চ অনাৰ পৰা অলৰেডী ৬ মাহ হৈ গ'ল কিন্তু নিৰ্ব্বাচনী আয়োগে আমাক ইলেকশ্যন পাতিবলৈ দিয়া নাই। সেয়ে মই সন্মানীয় এই দুয়োটা দলৰ সদস্যসকলক এই সংশোধনী কেইটা উঠাই ল'বলৈ অনুৰোধ কৰিছো। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই এটা ভাল পৰামৰ্শ দিছে পাৰচনৰ ঠাইত অফিচাৰ হ'ব লাগে সেইটো মই মানি লৈছো আমি সংশোধন কৰি ল'ম। অধ্যক্ষ মহোদয়, তেখেতে যিটো কৈছে যে ডি চি হ'ব লাগে যিহেতু ডি চি সকল বহুত ব্যস্ত গতিকে ডি চি বা তেওঁলোকে এপইণ্ট কৰা অফিচাৰ এ চি এচ বা আই এচ অফিচাৰ যাতে আপোনালোকে মানি লয় তাৰ বাবে মই আপোনাক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই এইটো উইড্ৰ কৰা বুলি কৈছো। এতিয়া দফা নং ২ বিধেয়কৰ অংশ হ'ব বুলি আমি ক'ব বিচাৰিছো।

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে ২ নং দফাটো বিধেয়কৰ অংশ হ'ল বুলি ঘোষণা কৰিছো। এতিয়া মই বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়ে মই উত্থাপন কৰিছো যে এই আটাইকেইটা বিধেয়কখনৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া মাননীয় মন্ত্ৰীক মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Municipal (Amendment) Bill, 2020' পাৰিত কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে -

'The Assam Municipal (Amendment) Bill, 2020' be passed.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়ক খনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিছো।

এতিয়া কেইটামান ঘোষণা আছে সেই ঘোষণা কেইটা মই পঢ়ি দিছো - অসম বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিশ্ববিদ্যালয় কোৰ্টৰ নিৰ্ব্বাচনৰ ফলাফল আমি ঘোষণা কৰিছো। দুজন প্ৰাৰ্থী নিৰ্ব্বাচিত হৈছে - ডাঃ ৰণোজ পেগু আৰু শ্ৰীমতী ৰ'জলিনা তিৰ্কী। এতিয়া শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সাধাৰণ পৰিষদৰ কাৰ্য্যলয় পৰিষদৰ বাবে যিকেইজনৰ নাম মনোনীত কৰিছে মই নাম কেইটা পঢ়ি দিছো। ডাঃ নোমল মমিন, শ্ৰী ইমানুৱেল মুছাহাৰী, শ্ৰী বিমল বৰা। ইয়াৰে ডাঃ নোমল মমিন এই স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ কাৰ্য্য নিৰ্ব্বাহকলৈ নিৰ্ব্বাচিত হৈছে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ কাৰণে দুজন সদস্য শ্ৰী দেবানন্দ হাজৰিকা আৰু শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা বুলি মই ঘোষণা কৰিলো। আমাৰ দুজন মেম্বাৰ খালী হৈছিলে ও বি চি আৰু এম ও বি চি। আগৰ নিয়ম মতে যি দলৰ খালী হয় সেই দলৰ পৰাই দিয়া হয় সেয়ে শ্ৰী অশ্বিনী ৰায় সৰকাৰ আৰু শ্ৰী কিশোৰ নাথক দিয়া হৈছে।

চতুৰ্দশ অসম বিধান সভাৰ ত্ৰয়োদশ তথা শৰৎকালীন অধিবেশন ৩১-০৮-২০২০ তাৰিখে আৰম্ভ হৈ মুঠ ৪ দিন সদনৰ কাৰ্য্যক্ৰমণিকা সম্পন্ন হোৱাৰ অন্তত আজি ০৩-০৯-২০২০ তাৰিখে আৰু কেইটামান ক্ষণৰ পিছতেই অন্ত পৰিব। ক'ভিড-১৯ মহামাৰীৰে আক্ৰান্ত ৰাজ্যখনৰ এক দুঃসময়ৰ মাজতো চমু কাৰ্য্যসূচীৰে ত্ৰয়োদশ অসম বিধান সভাৰ অধিবেশন সফলতাৰে অনুষ্ঠিত কৰিব পৰাটো নেদেখা জনৰ আৰ্শীবাদ বুলি আমি গণ্য কৰিছো।

এইবাৰৰ অধিবেশনৰ কাৰ্য্যক্ৰমণিকাত সদনত ২০১৮-১৯ চনত সমাপ্ত হোৱা বছৰটোৰ বাবে অসম চৰকাৰ সম্পৰ্কীয়, ভাৰতৰ মহালেখা আৰু হিচাব পৰীক্ষকৰ বিত্তীয় হিচাব(খণ্ড ১ আৰু ২) আৰু বিনিয়োজন হিচাপ সমূহৰ প্ৰতিবেদন সমূহ, ভাৰতৰ মহালেখা আৰু হিচাপ পৰীক্ষকৰ ২০১৯ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা বছৰটোৰ বাবে ৰাজ্যিক বিত্তীয় হিচাপ পৰীক্ষাৰ (প্ৰতিবেদন ২০২০ চনৰ ১ নং), অসম চৰকাৰ সম্পৰ্কীয় প্ৰতিবেদন, অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ ৫১, ৫২ আৰু ৫৩ তম প্ৰতিবেদন, ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ ১৬৩ তম প্ৰতিবেদনকে ধৰি কেইবাখনো চৰকাৰী প্ৰতিবেদন আৰু দুখন অধিসূচনা দাখিল কৰা হয়। ২৩ খন চৰকাৰী বিধেয়ক উপস্থাপন কৰি বিবেচনাৰ অন্তত সদনে পাৰিত কৰে। ৩১ আগষ্ট, ২০২০ তাৰিখে ২০২০-২১ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজন সমূহৰ তালিকা উপস্থাপন কৰা হয় আৰু ১ ছেপ্তেম্বৰ, ২০২০ তাৰিখে ভোটদান কৰা হয়। উক্তদিনাই সদনত ২০২০ চনৰ অসম বিনিয়োজন (নং III ) বিধেয়কখন উপস্থাপন কৰি বিবেচনাৰ অন্তত পাৰিত কৰা হয়।

অধিবেশনৰ সকলো কাৰ্য্যসূচী সফলতাৰে সম্পন্ন কৰাৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীকে মুখ্য কৰি মন্ত্ৰীপৰিষদ, বিৰোধী দলপতি আৰু শাসক-বিৰোধী উভয় পক্ষৰ সন্মানীয় সদস্য-সদস্যাই আগবঢ়োৱা সহযোগিতাৰ বাবে মই আন্তৰিকতাৰে ধন্যবাদ জনাইছো।

এই বিধানসভাৰ কাৰ্য্যকালচোৱাত সভাপতি মণ্ডলী, বিধানসভাৰ প্ৰধান সচিবকে ধৰি এই সচিবালয়ৰ প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰী, ৰাজ্যখনৰ মুখ্যসচিবকে ধৰি ৰাজ্যচৰকাৰৰ বিষয়া-কৰ্মচাৰী সকল, আৰক্ষীবিভাগৰ সঞ্চালককে ধৰি বিষয়া-জোৱান সকল আৰু প্ৰচাৰ মাধ্যমৰ বন্ধুসকলক অসম বিধানসভাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো ।

এই পবিত্ৰ সদনে মোৰ ওপৰত ন্যস্ত কৰা গুৰু দায়িত্ব পালন কৰোতে অসম বিধানসভাৰ মাননীয় সদস্য-সদস্যা সকলে আগবঢ়োৱা সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ আৰু সহযোগিতাৰ বাবে মই পুনৰ বাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো।

কৰ'ণা মহামাৰী ৰোধ কৰাৰ স্বাৰ্থত শ্ৰী সত্যব্ৰত কলিতা ডাঙৰীয়াই মোক সিদিনাখন এটা প্ৰস্তাৱ দিছিলে সেই মৰ্ম্মে মই আপোনালোক সকলোকে সৰুকৈ উপহাৰ এটা প্ৰদান কৰিছো।

**মই সকলোকে পুনৰ ধন্যবাদ জনাই সদন অনিৰ্দিষ্ট কাললৈকে স্থগিত কৰা বুলি ঘোষণা কৰিছো। ধন্যবাদ।**